# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORTS

SEVENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA.

## OCTOBER SESSION

No.6

The 13th October, 1993

Price - 40.00

# CONTENTS

OCTOBER SESSION

NO. 6

Dated, the 13th October, 1993


1. Questions and Answers. ---------------------------1 - 66
2. Report of the Business Advisory Committee--- 67 - 68
3. Voting on Demands for Grants.------------------ 69 - 107
4. The Assam Appropriation Bill (III)-------------108 141
5. Adjournment.------------------------------------ 142 -142
6. Annexure I to VIII.----------------------------- 143 - 161

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Wednesday, the 13 th october, 1993

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Prof. Debesh Chakraborty, Speaker in the Chair,

STARRED

QUESTIONS AND ANSWERS

**Mr. Speaker :** Now Starred Question No.101. Questioner Shri Borgoram Deuri. He is absent. So, Starred Question No.102,Questioner Shri Bharat Ch.Narah and Shri Padmeswar Doley. Hon'ble Minister Wild Life is to reply.

বিষয় ঃ- গুৱাহাটী চিৰিয়াখানাৰ হৰিণাৰ টি বি বেমাৰ ।

শ্ৰীভৰত চন্দ্ৰ নৰহ
শ্ৰীপদ্মেশ্বৰ দলেয়ে } সুধিছে ,

* ১০২। মাননীয় বন্যপ্ৰাণী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক চিৰিয়াখানাত (গুৱাহাটী) থকা হৰিণাবোৰৰ টি বি (যক্ষ্মা) বেমাৰ দেখা দিয়া কথাটো সঁচানে ?

(খ) যদি সঁচা, চিকিৎসাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীচামছুল হুদা (বন্যপ্ৰাণী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ।

(ক) সঁচা।

(খ) চিৰিয়াখানাত নিয়োজিত দুগৰাকী পশু চিকিৎসক থকাৰ উপৰিও প্ৰয়োজন অনুসাৰে পশু চিকিৎসা মহাবিদ্যালয়ৰ বিশেষজ্ঞ আনি চিকিৎসাৰ ব্যৱস্থা কৰা হয় ।

(তৰা চিহ্নিত প্ৰশ্ন নং -১০১ ঃ প্ৰশ্নকৰ্ত্তা অনুপস্থিত )

* শ্ৰীপদ্মেশ্বৰ দলে ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে দুগৰাকী চিকিৎসক আনি চিকিৎসা কৰি থকা বুলি কৈছে । মই জানিব বিচাৰিছো নিজাববীয়াকৈ চিকিৎসক ৰখাৰ ব্যৱস্থা কৰিছে নেকি ?

---

* Speech not corrected

**শ্ৰীচামছুল হুদা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় , নিজাববীয়াকৈ দুজন চিকিৎসক আছে । তাৰোপৰি পশুচিকিৎসা মহাবিদ্যালয়ৰ পৰা বিশেষজ্ঞ আনি দিহা পৰামৰ্শ লৈ এওঁলোকে চিকিৎসা চলাই আছে ।

* **শ্ৰীপদ্মেশ্বৰ দলে ঃ** মাননীয় অধ্যক্ষ মহোদয়, টি বি বেমাৰ হোৱাটো সাধাৰণ কথা । কিন্তু যিবোৰ পহু বা অন্য বন্যপ্ৰাণী বেমাৰ হৈছে, এই বিলাকৰ কাৰণে উপযুক্ত খাদ্য যোগান ধৰা হৈছে নে নাই ?

**শ্ৰীচামছুল হুদা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়; টি বি বেমাৰ পশু মানুহ দুয়োটাৰে হয় । কিন্তু কিছু ক্ষেত্ৰত পশুৰ খাদ্য নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহয় । তথাপি আমি উপযুক্ত খাদ্য যোগান ধৰাৰ ব্যৱস্থা কৰিছো যাতে সোনকালে আৰোগ্য হব পাৰে ।

* **শ্ৰীপদ্মেশ্বৰ দলে ঃ** মাননীয় অধ্যক্ষ মহোদয়, কিমান টা বন্য প্ৰাণী এই ৰোগত আক্ৰান্ত হৈছে মন্ত্ৰী মহোদয়ে জনাব নেকি ?

* **শ্ৰীচামছুল হুদা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৪ চনত অসম পশু চিকিৎসা মহাবিদ্যালয়ে মৰণোত্তৰ পৰীক্ষাৰ ভিত্তিত প্ৰথমতে খুটিয়া পহুৰ ক্ষেত্ৰত যক্ষ্মা ৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱাটো নিশ্চিত কৰে । ১৯৮৪ চনৰ পৰা যক্ষ্মাৰোগত মৃত্যু হোৱা পহুৰ সংখ্যা এনেকুৱা ঃ খুটিয়া পহু - ৫ টা, সুগৰী পহু - ৭ টা, ফুটুকী হৰিণ - ২২ টা, শৰ পহু -৩৯ টা, কৃষ্ণ যাড়- ৭ টা , মুঠ - ৮০ টা । এই সময়চোৱাত অন্যান্য ভাৱে মৃত্যু পহুৰ সংখ্যা ১৩২ টা আৰু ৰাজ্যিক চিৰিয়াখানাত বৰ্ত্তমান মুঠ পহুৰ সংখ্যা ১৭৮ টা । অসম ৰাজ্যিক চিৰিয়াখানাত থকা পশু চিকিৎসা শাখাৰ জৰিয়াতে যক্ষ্মা ৰোগত আক্ৰান্ত হোৱা হৰিণ বোৰক যথোপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰি অহা হৈছে । যক্ষ্মা ৰোগ নিবাৰণৰ ক্ষেত্ৰত পশু চিকিৎসা বিধান অনুসাৰে সকলো ধৰণৰ ঔষধীয় চিকিৎসা প্ৰদান কৰা হৈছে । ইয়াৰ উপৰিও আক্ৰান্ত হোৱা হৰিণ বোৰক সুস্থ হৰিণ বোৰৰ পৰা পৃথককৈ ৰাখি চিকিৎসাৰ ব্যৱস্থা লোৱা হৈছে । ইয়াৰ দ্বাৰা সংক্ৰমণৰ পৰা সুস্থবোৰক নি ৰাপত্তা প্ৰদান কৰিব পৰা গৈছে । যক্ষ্মা আক্ৰান্ত হৰিণৰ খাদ্য তালিকা উন্নত মানৰ কৰা হৈছে। পশু চিকিৎসা মহাবিদ্যালয়ৰ বিশেষজ্ঞ সকলৰ দ্বাৰা গঠিত এখন বিশেষজ্ঞ সমিতিৰ জৰিয়তে যক্ষ্মাৰোগক নিবাৰণ আৰু সংক্ৰমণৰ বিৰুদ্ধে ক্ষেত্ৰ ভিত্তিক দিহা পৰামৰ্শ সংগ্ৰহ কৰা হৈছে । আৰু সেই অনুসাৰে সকলো ধৰণৰ কাৰ্য্যকৰী ব্যৱস্থা লোৱা হৈছে।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে কৈছে যে বহু বন্য প্ৰাণী যক্ষ্মাৰোগত আক্ৰান্ত হৈছে আৰু ইয়াৰ বাবে ব্যৱস্থা লোৱা হৈছে । কিন্তু কি ব্যৱস্থা

---

* Speech not corrected

লৈছে আৰু বিশেষজ্ঞ কমিটিয়ে কি ৰিপোর্ট দিছে জনাব নেকি ? বাহিৰৰ পৰা বিশেষজ্ঞ আনি হলেও বন্যপ্ৰাণী বোৰক ৰক্ষা কৰাৰ ব্যৱস্থা কৰিব নেকি ?

* শ্ৰীচামছুল হুদা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনৰ উত্তৰ মই আজি দিব নোৱাৰিম। অহা কালিলৈ মই তেখেতৰ উত্তৰ দিব পাৰিম ।

মাননীয় অধ্যক্ষ ঃ এইটো অহা কালিৰ কাৰ্য্যসূচীত সোমুৱাব পৰা নহব । গতিকে আপুনি মন্ত্ৰীক নিজে লগ ধৰি সকলো কথা জানি লব আৰু আপোনাৰ দিহা পৰামৰ্শ আগবঢ়াব ।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, যিমান বিলাক বন্যপ্ৰাণী মৰিলে তাৰ পৰা চৰকাৰৰ কিমান টকা লোকচান হৈছে সেইটোও একেলগে জনালে ভাল হয় ।

* শ্ৰীচামছুল হুদা ঃ অধ্যক্ষ মহোদয় এইটো মই কালিলৈ দিম ।

**Mr. Speaker** : Starred Question No.103. Questioner Shri Kali Ranjan Deb. Hon'ble Minister of State P.W.D. (Plains) is to reply.

**Re. Haritikor-Sadirkhal P.W.D. Road.**

**Shri Kali Ranjan Deb** asked ;

* 103. Will the Minister of State for P.W.D. (Plains) be pleased to state :

(a) Whether Government is aware that Haritikor-Sadirkhal P.W.D. Road in Katigora Circle of Cachar District is lying in a dilapidated condition for last 11/12 years without any repair or maintenance work ?

(b) Whether it is a fact that despite its strategic importance, besides this being the only P.W.D. road for the people of vast area contigneous to Indo-Bangladesh Border. Whether Govt. will start necessary repairing work of the said road within current financial year in order to mitigate sufferings of the people of that area ?

**Shri Sarat Borkatoky** (Minister of State P.W.D. (Plains) replied.

(a) Yes, though intended the road could not be properly maintained for want of fund. The road in portion from 1st to 3rd Km. is passable in fair weather season only, portion from 4th to 9th Km. is not pass

* Speech not corrected

able due to damaged bridges and embankments.

(b) Yes, provided adequate fund is available.

* **Shri Kali Ranjan Deb :** Mr. Speaker Sir, from the reply given by Minister, I cannot understand really what is the position of this road. No repair work has been done on this road for the last 10 or 12 years. This road has strategic importance. The area is inhabitated by the people of the backward communities who cannot bring their patients to the hospital for treatment for want of adequate communication facilities I want a categorical reply from the Minister when actually the work will be taken up.

* শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, টকা পালেই ৰাস্তা কেইটাৰ ব্যৱস্থা গ্ৰহণ কৰা হব ।

* শ্ৰীনগেন শৰ্মা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, টকা কেতিয়া পাব।

* Shri Abdul Matin Majumdar : Sir, Katigorah and Borkhola are the places which are most backward and there has been no developmental work done by anyone of the departments viz. PWD, Irrigation, Flood Control etc. I would like to request the Minister to allocate funds proportionate to the population and backwardness of the areas.

* শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মজুমদাৰ ডাঙৰীয়াৰ প্ৰশ্নটোৰ মই ব্যৱস্থা গ্ৰহণ কৰিম ।

* শ্ৰীনগেন শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাব নেকি যে ১৯৯৩-৯৪ চনৰ বাবে প্লেনৰ টকা কিমান পাইছে ?

* শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মোৰ হাতত এতিয়া তথ্য নাই , পিছত জনাম ।

* শ্ৰীমুনীন মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে একেটা কথাকে বাৰে বাৰে কৈছে যে টকা পালেই ব্যৱস্থা লোৱা হব । গতিকে টকা কেতিয়া পাব আৰু কাম কেতিয়া আৰম্ভ কৰিব । মন্ত্ৰী মহোদয়ে সচা কথাটো কৈ দিলেই হয় কেতিয়া টকা পাব ।

* শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলৰ কথাটো মই ভালদৰে উপলব্ধি কৰিছো । গতিকে যেতিয়াই টকা আহিব তেতিয়াই কাম আৰম্ভ কৰা হব ।

* Speech not corrected

* শ্ৰীনগেন শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, পুজি সাপেক্ষে কামবোৰ কৰিব নেকি ?
* শ্ৰীমুনীন মহন্ত ঃ অধ্যক্ষ মহোদয়, গাৰে-ভুঁঞে বহুতো ৰাস্তাত পথ বন্ধ বুলি চাইনবোৰ্ড লাগি আছে। চৰকাৰে এইদৰে অঘোষিত পথ বন্ধ চলাইছে নেকি ?

মাননীয় অধ্যক্ষ ঃ টকা হ'লেই আপোনালোকৰ ৰাস্তাবিলাক হৈ যাব।

* শ্ৰীপানীৰাম ৰাভা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই এটা স্পষ্টীকৰণ বিচাৰিছো। ১৯৯৩-৯৪ বৰ্ষৰ কথাহে কোৱা হৈছে। কিন্তু ১৯৯১-৯২ চনত বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অধীনত যিবিলাক আঁচনি গ্ৰহণ কৰা হৈছিল গড়কাপ্তানি বিভাগৰ অধীনত মোৰ সমষ্টিতো ধমধমা, সুবনখাটা, কদমতল আদি ৰাস্তাত টকা দিয়া হৈছিল, কিন্তু আজিলৈকে কাম হৈ নুঠিল। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এই বিলাকৰ ওপৰত কি ব্যৱস্থা লৈছে জনাব নেকি ?

শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**Mr. Speaker** : Starred Question NO.104. Questioner is absent. Now, Starred Question No.105. Questioner Shri Phani Bhusan Choudhury. Hon'ble Minister of State. P.W.D. (Plains) is to reply.

**বিষয় ঃ আটুগাওঁ পৰা বিদ্যাপুৰ গড়কাপ্তানী পথ।**

শ্ৰীফনী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

* ১০৫। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আটুগাওঁ ধনতলা আৰু মাঝি গাওঁ বিদ্যাপুৰ গড়কাপ্তানী পথ দুটাত বাচ চলাচল বন্ধ হোৱা কিমান বছৰ হ'ল ?

(খ) উক্ত পথ দুটা বাচ চলাচল কৰিব পৰাকৈ মেৰামতি কৰাৰ ব্যৱস্থা কিমান দিনৰ ভিতৰত কৰিব অনুগ্ৰহ কৰি জনাব নেকি ?

শ্ৰী শৰৎ বৰকটকী, (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২ (দুই) বছৰ ৬ (ছয়) মাহ হ'ল।

(খ) প্ৰয়োজনীয় ধন মঞ্জুৰী পালেই মেৰামতি কৰা হ'ব।

* শ্ৰীফণীভূষণ চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে দুবছৰ ৬ মাহ হ'ল। গতিকে আৰু ৬ মাহৰ ভিতৰত অৰ্থাৎ তিনি বছৰৰ ভিতৰত এই ৰাস্তাটোত বাছ চলাচল কৰাৰ ব্যৱস্থা কৰিব নেকি ?

* শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, অহা তিনি বছৰৰ ভিতৰত নিশ্চয় এইটো হৈ উঠিব।

---

* Speech not corrected

* শ্ৰীফণীভূষণ চৌধুৰী ঃ অধ্যক্ষ মহোদয়, মই তিনি বছৰৰ ভিতৰত বুলি কোৱা নাছিলো। মই কৈছিলো আৰু ৬ মাহৰ ভিতৰত এইটো কৰা হ'ব নেকি সুধিছিলো।

* শ্ৰীশৰৎ বৰকটকী ঃ অধ্যক্ষ মহোদয়,এইটো ব্যৱস্থা কৰা হ'ব।

**Mr. Speaker** : Starred Question No.106. Questioner Shri Jew Ram Boro. Hon'ble Minister of State, P.W.D.(Plains) is to reply.

বিষয় ঃ গড়কাপ্তানী বিভাগৰ সচিব মহোদয়ৰ চিঠি।

শ্ৰীজীউৰাম বড়োৱে সুধিছে ঃ

* ১০৬। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানী বিভাগৰ সচিব মহোদয়ৰ Memo No.B.P.W./Ps/10/90/173 dt.14th Nov'1991 কলাইগাওঁ টংলা চাৰিআলি, ভূয়াখাট, ঝাৰগাওঁ হৈ কলাই গাওঁৰ পৰা খৈৰাবাৰীলৈ যোৱা পথৰ আৰু মঙ্গলদৈ টংলা এম, বি পথৰ কলাই গাওঁত নোৱা নদীৰ ওপৰত নিৰ্ম্মিত দলং খনৰ বিষয়ে চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত তেতিয়া হলে উক্ত চিঠি খনৰ মৰ্ম্মে আৰু উক্ত পথ সমূহৰ আৰু দলং খনৰ অৱস্থা হিচাবে কি কি বিহীত ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) এই বছৰৰ অবিৰাম বৰষুণ আৰু বানপানীৰ প্ৰকোপত অসমৰ কিমান পথ সৰ্বমুঠ কিমান কিলোমিটাৰ আৰু কিমান খন দলং ক্ষতিগ্ৰস্ত হল ?

(ঘ) এই বোৰৰ পুণৰ মেৰামতি কৰিবলৈ কি কি ব্যৱস্থা কৰিছে লগতে ইয়াৰ বাবে কেন্দ্ৰৰ পৰা কিমান পৰিমানৰ ধন মঞ্জুৰী পাইছে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীশৰৎ বৰকটকী, (গড়কাপ্তানী (ভৈয়াম) ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গড়কাপ্তানী বিভাগৰ সচিব মহোদয়ৰ উল্লেখিত চিঠিত টংলা-দেওৰ পথ আৰু পছকীয়া- বকপুৰী পথ দুটিৰ হে উল্লেখ আছে।

মঙ্গলদৈৰ পৰা টংলা হৈ ভূটিয়াচাঙলৈ যোৱা পথ অৰ্থাত এম, বি পথত কলাইগাঁওত নোৱা নদীৰ ওপৰত নিৰ্ম্মিয়মান পকী দলঙখনৰ বিষয়ে চৰকাৰ অবগত।

(খ) উক্ত চিঠিৰ নিৰ্দ্দেশ মতে কাৰ্য্যবাহী অভিযন্তাই থুলমুল প্ৰাককলন দাখিল কৰিছে। এম, বি পথৰ নোৱা নদীৰ ওপৰৰ দলঙ খনৰ কাম আগ বাঢ়ি আছে।

(গ) এই বছৰ অসমৰ মুঠ ৯২৫ টা পথ, সৰ্ব্বমুঠ ৩২.৩৮ কিলোমিটাৰ আৰু ৪০৫ খন দলং ক্ষতিগ্ৰস্ত হৈছিল।

(ঘ) বান বিধ্বস্ত শিতানৰ পৰা বান ক্ষতিগ্ৰস্ত কিছু পথৰ মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰা

* Speech not corrected

হৈছে ইয়াৰ বাবে এতিয়ালৈকে গড়কাপ্তানী বিভাগে মুঠ ৪.০০ কোটি টকাৰ মঞ্জুৰী পাইছে ।

* শ্ৰীজীউৰাম বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, গড়কাপ্তানি সচিব মহোদয়ৰ পৰা কলাইগাওঁ টাংসিল চাৰিআলি, ভূঁয়াঘাট, কাৰাগাওঁ হৈ কলাইগাওঁৰ পৰা খৈৰাবাৰী যোৱা পথটোৰ বাবে চিঠি এখন দিয়া হৈছিল আৰু তাত আৰু সেই মতে কাৰ্য্যবাহী অভিযন্তাই প্লেন এচটিমেট যুগুত কৰিছিল । কিন্তু আজিলৈকে এই পথ দুটাৰ বাবে কিয় চেংচন দিয়া হোৱা নাই ? মঙ্গলদৈ টংলা এম, বি পথৰ কলাই গাওঁ নোৱা নদীৰ দলংৰ বাবে ৩৫ লাখ টকা চেংচন দিয়া হৈছে, কিন্তু তাৰ যি কেইটা এপ্ৰোচ ৰোড আছে সেই কেইটাৰ বাবে টকা চেংচন নিদিয়াৰ বাবে কাম অসমপূৰ্ণ হৈ আছে । গতিকে এই এপ্ৰোচ ৰোড কেইটা নিৰ্ম্মাণৰ বাবে অতি সোনকালে মঞ্জুৰী দিয়াৰ ব্যৱস্থা লব লাগে । মোৰ সমষ্টিত ৰাস্তা -পদুলি ইমানেই বেয়া হৈছে যে আজি কিছুদিন আগতে আমাৰ গড়কাপ্তানি মন্ত্ৰী মঙ্গলদৈ লৈ যাঁওতে তাৰ ৰাইজে মন্ত্ৰীক অনুৰোধ কৰিছিল যাতে মোৰ ঘৰলৈ যোৱা ৰাস্তাটো অন্তত ঃ ভাল কৰি দিয়াৰ ব্যৱস্থা কৰে । মই মোৰ নিজৰ ঘৰলৈ যোৱা ৰাস্তাৰ কাৰনে লাজতে মই কোৱাই নাছিলো ।

* শ্ৰীশৰৎ বৰকটকী ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কেবাটাও প্ৰশ্ন কৰিলে । তাৰ ভিতৰত তেখেতৰ ঘৰলৈ যোৱা ৰাস্তাৰ কথা যিটো কথা কলে এই ৰাস্তাটোৰ ক্ষেত্ৰত ব্যৱস্থা লবৰ বাবে বিভাগীয় বিষয়াক নিৰ্দ্দেশ দিয়া হৈছে । বাকী কেইটামান জলসিঞ্চন বিভাগত পৰে আৰু সেই কেইটা জলসিঞ্চন বিভাগেহে কৰিব । তাৰোপৰি নৰৈ টেঙাখাটৰ যিটো ৰাস্তা সেইটো আমি লৈছো আৰু বিভাগৰ পৰা এস্টিমেট আদি বিচৰা হৈছে । ইয়াৰ বাবে ১৯ লাখ টকাৰ প্ৰয়োজন বাকীবোৰ ৰাস্তাৰ ক্ষেত্ৰত আমি ব্যৱস্থা গ্ৰহণ কৰিম ।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে বৰ্ত্তমান অসমৰ বহুতো পথ আৰু দলং নষ্ট হৈ আছে । এনে পথ আৰু দলং কোন কোন জিলাত বেছিকৈ ক্ষতিগ্ৰস্ত হৈছে আৰু বিশেষকৈ যোৱা কেইবাৰ বানপানীত যি বোৰ পথ আৰু দলং নষ্ট হৈছে সেইবোৰ প্ৰায়ৰিটি বেচিচত পুনৰ নিৰ্মাণৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব নে ?

* শ্ৰীশৰৎ বৰকটকী ( ৰাজ্যিক গড়কাপ্তানি মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৰেই যে বান বিধস্ত অঞ্চলৰ ৰাস্তা আৰু দলং নিৰ্ম্মাণৰ কাৰণে আমি অগ্ৰাধিকাৰ ভিত্তিত

---

* Speech not corrected

ব্যৱস্থা গ্ৰহন কৰিছো আৰু তাৰ কাৰণে ইতিমধ্যে ১৭৪ লাখ টকা দিছো । যিবিলাক অঞ্চলত বানপানীৰ ফলত ৰাস্তা আৰু দলং বিধ্বস্ত হৈছে সেইবোৰ ঠাইৰ পৰা এষ্টিমেট অনাৰ কাৰণে আমি ইঞ্জিনিয়াৰ সকলক নিৰ্দ্দেশ দিছো আৰু টে ভাৰ কল কৰাবো ব্যৱস্থা কৰিছো ।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, যি বিলাক ঠাইত বিশেষকৈ বানপানীত ৰাস্তা আৰু দলং বেয়া হৈছে সেইবোৰ প্ৰায়ৰিটি বেচিচত কৰাৰ কাৰণে ব্যৱস্থা লব নেকি ?

* শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক গড়কাপ্তানী মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বান বিধ্বস্ত অঞ্চলৰ পথ আৰু দলংৰ কাম প্ৰায়ৰিটি বেচিচত কৰা হব ।

* শ্ৰীজীউৰাম বড়ো ঃ অধ্যক্ষ মহোদয়, ফ্লাড ডেমেজৰ কাৰণে টকা দিয়া হব বুলি মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে । এই ক্ষেত্ৰত কলাইগাওঁ সমষ্টিৰ কাৰণে কিমান টকা দিয়া হব সেইটা মন্ত্ৰী মহোদয়ে কব নে ? মোৰ সমষ্টিত বানপানীত যিমানবোৰ ৰাস্তা আৰু দলং ক্ষতিগ্ৰস্ত হৈছে সেইবোৰ মন্ত্ৰী মহোদয়ে নিজে পৰিদৰ্শন কৰি সেইবোৰ মেৰামতিৰ কৰাণে ব্যৱস্থা লোৱা হব বুলি মন্ত্ৰী মহোদয়ে নিজে কৈ আহিছিল । গতিকে এনেবোৰ ৰাস্তা আৰু দলংৰ এখন তালিকা মই মন্ত্ৰী মহোদয়ক দাখিল কৰিব খুজিছো । তেখেতে এই ক্ষেত্ৰত যাতে ব্যৱস্থা লয় তাৰ বাবে মই অনুৰোধ কৰিলো ।

* শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক গড়কাপ্তানী মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই তেখেতৰ ঘৰলৈ যোৱা ৰাস্তাটোৰ ক্ষেত্ৰত ইতিমধ্যে ব্যৱস্থা লোৱা বুলি কৈছোৱেই । মাননীয় সদস্য গৰাকীয়ে যিখন তালিকা দাখিল কৰিব খুজিছে সেইখন তেখেতে দাখিল কৰক, মই বিবেচনা কৰি চোৱাৰ বাবে তেখেতক আশ্বাস দিছো ।

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, মঙ্গলদৈ ৰ'ড ডিভিজনত য'ত বানপানীয়ে ৰাস্তাৰ ক্ষতি কৰিছে তাত টকা খৰচ নকৰি সমষ্টি ভিত্তিত টকা ভাগ কৰিছে বুলি অভিযোগ উঠিছে গতিকে বানপানীত য'ত ৰাস্তা নষ্ট হৈছে তাত এফ, ডি, আৰৰ টকা খিনি খৰচ কৰিবৰ কাৰণে নিৰ্দ্দেশ দিব নে ?

* শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক গড়কাপ্তানী মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীশৰ্ম্মা ডাঙৰীয়াই যিটো কথা উল্লেখ কৰিছে সেই ক্ষেত্ৰত মই কওঁ যে বান বিধ্বস্ত অঞ্চলৰ ৰাস্তাৰ বাবে যি টকা দিয়া হৈছে সেই টকাৰে অন্য ৰাস্তাত কাম কৰিব নোৱাৰিব বুলি আমি ইঞ্জিনিয়াৰ সকলক নিৰ্দ্দেশ দিছো ।

* শ্ৰীযতীন মালী ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এইটো জনাব নেকি যে আমি

* Speech not corrected

এইটো কথাত খাটাং হব পাৰো । বান বিধস্ত অঞ্চলৰ পথ আৰু দলং পুনৰ নিৰ্ম্মানৰ কাৰণে যি ২০০ কোটি টকা ধাৰ্য্য কৰিছে সেই টকাৰে প্ৰতিটো বিধান সভা সমষ্টিৰ এফেক্টেড ৰাস্তা আৰু দলং বোৰৰ কাম সোনকালে কৰা হব ?

* শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেঁই যে যিবিলাক ঠাইত বানপানীয়ে ৰাস্তা আৰু দলংৰ ক্ষতি সাধন কৰিছে সেইবোৰ অঞ্চলতে অগ্ৰাধিকাৰ ভিত্তিত মেৰামতিৰ কাম কৰা হব ।

**Mr. Speaker:** Now Starred Question No.107. Questioner Shri Ramendra Narayan Kalita. Hon'ble Minister, Finance is to reply.

বিষয় ঃ বাৰ্ষিক পৰিকল্পনাৰ ধন স্থানান্তৰ ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

* ১০৭। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনৰ বাৰ্ষিক পৰিকল্পনাৰ ধন "পৰিকল্পনা" শিতানৰ পৰা "অপৰিকল্পনা" শিতানলৈ স্থানান্তৰ কৰা কথাটো সচাঁনে ?

(খ) যদি সচাঁ, কিমান পুজি "পৰিকল্পনা" শিতানৰ পৰা "অপৰিকল্পনা" শিতানলৈ স্থানান্তৰ কৰা হ'ল ?

(গ) পৰিকল্পনাৰ ধন অপৰিকল্পনা শিতানলৈ স্থানান্তৰ কৰাৰ বাবে উন্নয়ন মূলক কামত ব্যাঘাত হোৱা নাই নেকি ?

(ঘ) ১৯৯২-৯৩ চনৰ ৰাজ্যখনৰ মহকুমা ভিত্তিত বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ শিতানত ধায্য কৰা ধন সম্পূৰ্ণ ভাৱে মোকলাই দিয়া হৈছে নে ? (মহকুমা ভিত্তিত ধাৰ্য্য কৰা ধন আৰু মোকোলাই দিয়া ধনৰ হিচাব দিব )

শ্ৰীজীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯২-৯৩ চনৰ বিত্তীয় বৰ্ষত পৰিকল্পনা শিতানৰ ধন অপৰিকল্পনা শিতানলৈ স্থানান্তৰ কৰা কথাটো সচা হয় । ১৯৯৩-৯৪ চনৰ হিচাব বিত্তীয় বছৰটো শেষ হোৱাৰ পিছতহে কব পৰা যাব ।

(খ) ১৯৯২-৯৩ চনত মুঠতে ২২৬ কোটি টকা পৰিকল্পনা শিতানৰ পৰা অপৰিকল্পনা শিতানলৈ স্থানান্তৰ কৰা হৈছিল ।

(গ) ইয়াৰ ফলত উন্নয়নমূলক কামত কিছু বাধা নোহোৱা নহয় ।

(ঘ) সম্পূৰ্ণ ভাবে মুকলি কৰি দিয়া হোৱা নাই । (মহকুমা ভিত্তিত ধাৰ্য্য কৰা ধন আৰু

* Speech not corrected

মুকলি কৰি দিয়া ধনৰ পৰিমাণ পৰিশিষ্ট তালিকাত দেখুওৱা হ'ল ।) (See the Annexure -I)

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পৰিকল্পনাৰ ধন অপৰিকল্পনা শিতানলৈ স্থানান্তৰ কৰা হৈছে সেই টকা কোন কোন শিতানত কিমান টকা দিছে আৰু আইন শৃংখলাৰ নামত কিমান টকা স্থানান্তৰ কৰা হল সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

* **শ্ৰীজীৱ কান্ত গগৈ (বিত্ত মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই হিচাবটো বৰ্ত্তমান মোৰ হাতত নাই । যদি সদস্য গৰাকীয়ে বিচাৰে তেনেহলে মই পিচত দিব পাৰিম ।

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** অধ্যক্ষ মহোদয়, এই কথা খিনিৰ মূল প্ৰশ্নটোৰ লগত সামঞ্জস্য আছে। ২২৬ কোটি টকা অপৰিকল্পনা শিতানলৈ স্থানান্তৰ কৰা হৈছে বুলি মন্ত্ৰী মহোদয়ে কৈছে । তেনে ক্ষেত্ৰত কোন কোন শিতানলৈ এই টকা স্থানান্তৰ কৰা হৈছে বা আইন শৃংখলাৰ নামত এই টকা কিমান দিছে সেই তথ্য মন্ত্ৰী মহোদয়ৰ হাতত কিয় নাই ? এইটো মন্ত্ৰী মহোদয়ে স্পষ্ট কৰি দিব লাগে ।

* **শ্ৰীজীৱকান্ত গগৈ (বিত্ত মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি ২২৬ কোটি টকা পৰিকল্পনা শিতানৰ পৰা অপৰিকল্পনা শিতানলৈ স্থানান্তৰ কৰিছো । কিন্তু কোন কোন বিভাগলৈ কিমান টকা স্থানান্তৰ কৰা হৈছে সেই বিচাৰটো বৰ্ত্তমান মোৰ হাতত নাই । তাৰ কাৰণে বেলেগ প্ৰশ্ন দিলে জনাব পাৰিম ।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ** অধ্যক্ষ মহোদয়, মই বিত্ত মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব খুজিছো যে আমি যেতিয়া চৰকাৰত আছিলো তেতিয়া এ, এচ, ই, বি ৰ প্লেনৰ কিছু টকা নন্ প্লেনলৈ ডাইভাৰ্ট কৰা হৈছিল আৰু এই চৰকাৰ ক্ষমতালৈ আহি বিধান সভাৰ প্ৰথম অধিবেশনতে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সেই বিষয়ে আমাক কিছু সমালোচনা কৰি তেওঁৰ চৰকাৰে কোনো পধ্যে প্লেনৰ টকা নন্ প্লেনলৈ ডাইভাৰ্ট নকৰে বুলি সদনক প্ৰতি শ্ৰুতি দিছিল । কিন্তু তেখেতে তেনে প্ৰতিশ্ৰুতি দিয়া স্বত্বেও কেনেকৈ প্লেনৰ টকা নন্ প্লেনলৈ ডাইভাৰ্ট কৰিলে সেই বিষয়ে জনাব নে ?

* **শ্ৰীজীৱকান্ত গগৈ (বিত্ত মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, প্লেনৰ টকা নন্ প্লেনলৈ প্ৰয়োজন সাপেক্ষে ডাইভাৰ্ট কৰিব পাৰি বুলি ৰঙ্গৰাজন কমিটিয়ে পৰামৰ্শ দিছে আৰু সেইটো মূল টকাৰ ৩০ শতাংশহে কৰিব পাৰিব বুলি কোৱা আছে । আমি যি ২২৬ কোটি টকা ডাইভাৰ্ট কৰিছো সেইটো ৩০ শতাংশতকৈ অধিক নহয় ।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ** অধ্যক্ষ মহোদয়, মই তেখেতৰ পৰা জানিব বিচাৰিছো যে এই

---

* Speech not corrected

বিষয়ে তেখেতে কিবা ষ্টেটমেণ্ট দিব নেকি ?

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (খাদ্য ও অঃ সাঃ যোগান মন্ত্ৰী) ঃ চাৰ, মোৰ এটা পইণ্ট অৱ অৰ্ডাৰ আছে।

(সদনত গন্দগোল)

**Mr. Speaker:** No. any Minister can raise a point of order . All the Minister are bound by the collective responsibility and as such, any Minister can intervene in the discussion on the function of the Government by raising a Point of Order.

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়, তেখেতে মন্ত্ৰী হিচাবে কেবিনেটতহে একেলগে কাম কৰিব লাগিব। কিন্তু এই ক্ষেত্ৰত মন্ত্ৰী হিচাবে তেখেতে একো কব নোৱাৰে।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, তেখেত সকল যেতিয়া চৰকাৰত আছিল তেতিয়া টকা ডাইভাৰ্ট কৰা বিষয়ে মই মহন্ত ডাঙৰীয়াক এটা বিষয়ত সোধোতে তেখেতে কৈছিল যে এইটো পৰম্পৰাগত ভাৱে চলি আহিছে আৰু চলি থাকিব। গতিকে মই তেখেতক সেইটোহে কব খুজিছো।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়, তেতিয়া আমাৰ অজ্ঞাতেহে প্লেনৰ টকা নন প্লেনলৈ ডাইভাৰ্ট কৰিছিল। কিন্তু এই চৰকাৰৰ মুখ্য মন্ত্ৰীয়ে কৈছিল যে প্লেনৰ টকা নন্ প্লেনলৈ এটকাও ডাইভাৰ্ট কৰা নহব। এনে ক্ষেত্ৰত তেখেতে হাউচক এচুৰেঞ্চ দিয়াৰ পিচতো কেনেকৈ নন্ প্লেনলৈ ডাইভাৰ্ট কৰিলে সেইটোহে মই জানিব বিচাৰিছো।

* শ্ৰীজীৱকান্ত গগৈ (বিত্ত মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই জনামতে ৰঙ্গৰাজন কমিটি ১৯৯২ চনত বহিছে। মুখ্যমন্ত্ৰী মহোদয়ে হয়তো তাৰ আগতে তেনে এটা এছুৰেঞ্চ দিছিল। এতিয়া আমি প্ৰয়োজন সাপেক্ষেহে টকা ডাইভাৰ্ট কৰিছো আৰু ৰঙ্গৰাজন কমিটিৰ পৰামৰ্শ অনুযায়ী আমি যি ২২৬ কোটি টকা ডাইভাৰ্ট কৰিছো সেইটো ৩০ শতাংশতকৈ বেছি নহয়।

* শ্ৰীহলিৰাম টেৰাং ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্তীয় মন্ত্ৰী মহোদয়ে যি ৰংগৰাজন কমিটিৰ কথা কৈছে সেইটো আমি এগ্ৰি। Govt. has every right to transfer 30% of the Plan amount to the non-plan. কিন্তু আচল কথা হল সেই পলিচিৰ পৰা তেখেত কিয় আতৰি গৈছে। Chief Minister has assured the House that not a single pie would be transferred from plan to non-plan Head

* Speech not corrected

of Accounts.

**Mr. Speaker** : The Minister has already replied that there has been a Commission recommending such transfer. But Govt. policy cannot be a static one, it is dynamic. So, I think so far he has been all right in his deliberation.

* **Shri Holiram Terang** - That is not the point, Sir.

* **Shri Giasuddin Ahmed** - Diversion under Rule is an exception. May I know from the Hon'ble Finance Minister under what exception/circumstances this diversion has been made ?

* **Shri Jiba Kanta Gogoi** ( Finance Minister) - Diversion is made only when there is short of money in the non-plan and to meet the immediate need of the non-plan.

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯২-৯৩ চনৰ প্লেনৰ টকা সেই টকা কোনো কাৰণ নোহোৱাকৈ ৩০% ৰ ওপৰত নন্ প্লেনলৈ ডাইভাৰ্ট কৰিব পাৰে নেকি? আৰু তাৰ পৰিমান কিমান ? বিত্তমন্ত্ৰীৰ পৰা জানিব বিচাৰো ।

* **শ্ৰীজীৱকান্ত গগৈ (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯২-৯৩ চনত মুঠতে ২২৬ কোটি টকা পৰিকল্পনা শিতানৰ পৰা অপৰিকল্পনা শিতানলৈ স্থানান্তৰ কৰা হয় ।

* **শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই যিটো ৩০ পাৰচেন্টৰ প্লেনৰ টকা নন্ প্লেনলৈ ডাইভাৰ্ট কৰাৰ কথা কৈছে তাৰ ফলত ৰাজ্যখনৰ ডেভেলপমেণ্টৰ কাম-কাজত ব্যাঘাট জন্মিছে । ভাৰত চৰকাৰৰ প্লেনিং বিভাগৰ পৰা আপোনালোকে প্লেনৰ টকা কিয় নন্ প্লেনলৈ ডাইভাৰ্ট কৰিছে সেইটো কথা সোধা সঁচানে ?

* **শ্ৰীজীৱকান্ত গগৈ (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেনে কোনো নথি বৰ্ত্তমানলৈকে আমাৰ হাতত পৰাহি নাই ।

* **শ্ৰীযতীন মালী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিত্ত মন্ত্ৰীয়ে জনাবনে যে প্লেনৰ টকা নন্ প্লেনলৈ অনাৰ কাৰণে আজি ৬ মাহ ধৰি গুৱাহাটী মহকুমাৰ বহুতো শিক্ষকে দৰমহা পোৱা নাই ।

* **শ্ৰীজীৱকান্ত গগৈ (বিত্ত মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, দৰমহা দিয়াৰ সংক্ৰান্তত মই কওঁ যে প্লেনৰ টকা দৰমহাত দিয়া নহয় । নন্ প্লেনৰ টকাৰ পৰা দৰমহা দিয়া হয় ।

* Speech not corrected

**Mr. Speaker :** Now, Starred Question No.108. Questioner Shri Shahidul Alam Choudhury. Hon'ble Minister of State, Rural Development is to reply.

**Re. Number of Suppliers.**

**Shri Shahidul Alom Choudhury** asked:

* 108. Will the Minister of Rural Development be pleased to state :

(a) How many approved suppliers are there with DRDA, Hailakandi and what are their full names and address ?

(b) Which of the suppliers have been alloted works involving how much amount till to-day ?

(c) What amount have been paid to each of the suppliers and for what works ?

**Shri Gautam Roy,** (Minister of State Rural Development) replied :

(a) 12 (Twelve) Nos. Names and addresses are as per list enclosed. (See the Annexure -II)

(b) & (c) The names of the supplier with the amount involved against the item of works alloted to them are as per list enclosed. (See the Annexure-III)

* শ্ৰীচহিদুল আলম চৌধুৰী ঃ মাননীয় মন্ত্ৰী মহোদয়ে লিষ্টখন পঢ়ি দিয়ক ।

* শ্ৰীগৌতম ৰয় (ৰাজ্যিক গ্ৰাম্য উন্নয়ন মন্ত্ৰী) ঃ সংশ্লিষ্ট পৰিশিষ্টৰ নাম আৰু এদ্ৰেছখিনি পঢ়ি দিয়ে ।

* শ্ৰীচহিদুল আলম চৌধুৰী ঃ মাননীয়, অধ্যক্ষ মহোদয়, গ্ৰাম্যঞ্চলৰ উন্নয়নৰ কাৰণে কি কি নীতি নিয়ম আছে চৰকাৰে জনাবনে ? মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই স্পেচিফিক উত্তৰ পোৱা নাই ।

* শ্ৰীগৌতম ৰয় (ৰাজ্যিক গ্ৰাম্য উন্নয়ন মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ডি, আৰ, ডি, এ, ৰ তেখেত এজন মেম্বাৰ । তেখেত কোনো এখন মিটিঙত উপস্থিত থকা নাই । তেখেতে যিটো নীতি নিয়মৰ কথা কৈছে এইয়া গাইড লাইন । (গাইড কেইখন দেখুৱাই দিয়ে) ইয়াতে সকলো নীতি নিয়ম আছে ।

* Speech not corrected

* **শ্ৰীজয়নাথ শৰ্ম্মা ঃ** অধ্যক্ষ মহোদয়, যিহেতুকে এই গোটেই কথাটো ডি, আৰ, ডি, এ, ৰ চাপ্লায়াৰ সম্পৰ্কে হৈছে । মই মাননীয় সদস্যৰ পৰা জানিব বিচাৰিছো যে কামৰূপ ৰিপেয়াৰিঙৰ নামত প্ৰাইভেট কোম্পানীৰ পৰা ডি. আৰ. ডি. এ. ৰ এপ্ৰভেলত প্ৰায় ২৯ লাখ টকাৰ মুঠতে ১০০ মেট্ৰিক টন টিনপাত কিবা হৈছে । এই সম্পৰ্কত প্ৰজেক্ট ডাইৰেক্টৰ চাচ্‌পেন্ড হৈছে । কিন্তু যি জন উপায়ুক্তই এপ্ৰোভ দিছিল - তেওঁৰ ওপৰত কি একচন লৈছে ?

* **শ্ৰীগৌতম ৰয় (মন্ত্ৰী, গ্ৰামোন্নয়ণ) ঃ** মই কৈছো - এনেকুৱা ৰিপৰ্ট আহিছিল - কিন্তু ডি. চি. য়ে ৰিকমেন্ড কৰা নাই বুলি জনাইছে । এতিয়া তেনেকুৱা কিবা স্পেচিফিক ৰিপৰ্ট থাকিলে নিশ্চয় তাৰ ব্যৱস্থা লোৱা হ'ব ।

* **শ্ৰীজয়নাথ শৰ্মা ঃ** তাত ডি. চি. য়ে এপ্ৰভেল দিছে আৰু ডি. চি. ৰ এপ্ৰভেল মতে বস্তু কিনা হৈছে - কিন্তু ডি. চি. ৰ ওপৰত কিয় একচন লোৱা নাই ?

* **শ্ৰীগৌতম ৰয় (মন্ত্ৰী, গ্ৰামোন্নয়ন) ঃ** যদি কথাটো সচাঁ - তেনেহলে আমাৰ ডি. আৰ. ডি. এ. ৰ আইনগত যিটো ব্যৱস্থা আছে সেইমতে ব্যৱস্থা লোৱা হ'ব ।

**Mr. Speaker:** Now Starred Question No.109, Hon'ble Member Shri Nagen Sarma. Hon'ble Minister P.W.D. is to reply :

**বিষয় ঃ নলবাৰী জিলাৰ কাঠৰ দলং ।**

**শ্ৰীনগেন শৰ্মাই** সুধিছে ঃ

* ১০৯। মাননীয় গড়কাপ্তানী(ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নলবাৰী জিলাৰ অন্তৰ্গত গড়কাপ্তানী পথ সমূহত ৬০ খন কাঠৰ দলং ভাঙি যাতায়তৰ বাবে সম্পুৰ্ণ ৰূপে বন্ধ হৈ থকাটো সচাঁনে ?

(খ) নলবাৰী চহৰৰ মাজেৰে যোৱা Old N.T. Road টো মাছ পোহা পুখুৰীত পৰিণত হোৱা বুলি ৰাইজে চৰকাৰী মাছ পোহা পুখুৰী বুলি পোষ্টাৰ মৰাটোৰ বিষয়ে চৰকাৰ অবগতনে ?

(গ) যদি সত্য, উক্ত গড়কাপ্তানী পথটোৰ পুখুৰী সমূহ বন্ধ কৰি যাতায়তৰ সূচল ব্যৱস্থা কৰিবনে ?

**শ্ৰীশৰৎ বৰকটকী,** (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) আংশিক ভাৱে সত্য ।

(মুঠ ৩৮ খন দলং বৰ্ত্তমানে যানবাহন চলাচলৰ অনুপযোগী হৈ আছে ।)

---

* Speech not corrected

(খ) এই সম্পৰ্কে এই বিভাগ অৱগত নহয় ।

(গ) উক্ত গড়কাপ্তানী পথটোৰ গাত সমূহ অস্থায়ী ভাৱে মেৰামতি কৰা হৈছে ।

**শ্ৰীনগেন শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে 'খ' প্ৰশ্নোত্তৰত অৱগত নহয় বুলি কৈছে । কিন্তু নলবাৰী চহৰৰ মাজেৰে যোৱা যিটো পুৰণি এন, টি, ৰোড আছে তাৰ অৱস্থা একেবাৰে বেয়া । এই ৰাস্তাটো বেয়া ধৰণে ক্ষতিগ্ৰস্ত হৈছে । এই ৰাস্তাটোৰ ওপৰত থকা শিলবোৰ উটি গৈছে আৰু শিলবোৰ পানীত ভাহি যোৱাৰ ফলত তাত একোটা প্ৰকাণ্ড গাঁত সৃষ্টি হৈছে । মন্ত্ৰী মহোদয় যদি নলবাৰীলৈ গৈছে তেন্তে নেচনেল হাইওৱেৰ পৰাই এইটো দেখিবলৈ পাইছে যে ৰাস্তাটোৰ যি ঠাইত প্ৰকাণ্ড পুখুৰীটো হৈছে - তাতেই এটা প্ৰকাণ্ড চাইনবোৰ্ড আছে যে এইটো ৰাজহুৱা পুখুৰী । এইটো এতিয়াও আছে । গতিকে মন্ত্ৰী মহোদয়ে ৰাষ্টাৰ মাজত থকা এই পুখুৰীটো নাইকীয়া কৰি যাতায়তৰ সুব্যৱস্থা কৰিব নে ?

**শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী, গড়কাপ্তানী) ঃ** নলবাৰী চহ্ৰৰ মাজেৰে যোৱা পুৰণা এন, টি, ৰোড টো পকী পথ আৰু ইয়াৰ দৈৰ্ঘ্য ৬.২৫ কিলোমিটাৰ । এই পথত ১০৬৬ কিলমিটাৰ আৰু ১০৬৭ কিলোমিটাৰত প্ৰবল বৰষুণৰ ফলত ডাঙৰ গাঁত হোৱাতো সত্য । এই খিনিতে উল্লেখ কৰিব পাৰি যে পথটোৰ ক্ষতিগ্ৰস্ত অঞ্চল চহ্ৰখনৰ জনবসতি পূৰ্ণ এলেকাৰ মাজত অৱস্থিত । ইয়াৰ নলবাৰী পৌৰসভাৰ অধীনত পথৰ দাঁতিত ত্ৰূটিপুৰ্ণ নৰ্দ্দমা এটা আছে যদিও বৰষুণ হলেই সেই নৰ্দ্দমাৰ পানী ওলাই যাব নোৱাৰে । তাৰ ফলত বৰষুণ হলেই ৰাষ্টাৰ ওপৰত প্ৰায় ৪৫ চেঃ মিঃ পৰ্য্যন্ত পানী জমা হৈছিল । সেয়েহে পথটো বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল । পকী পথটো বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা দৈৰ্ঘ্য ১৮৫ মিঃ আৰু তাত বানবিধস্থ মেৰামতি শিতানৰ পৰা শিল আৰু বালি মাটি আদিৰে অস্থায়ী ভাৱে মেৰামতি কৰি যাতায়তৰ চলাচল সূচল কৰি ৰখা হৈছে । ইয়াৰ বাবদ খৰচ ০.৬৩ লাখ টকা হ্ব । সেয়ে হলেও পথৰ উচ্চতা নবঢ়ালে আৰু স্থায়ীভাৱে পকী নলাৰ ব্যৱস্থা নকৰিলে স্থায়ী ভাৱে সমস্য সমাধান নহ্ব । পথৰ উচ্চতা বঢ়ালে প্ৰায় ৫০০ মিটাৰ দৈৰ্ঘ্যৰ কাম কৰিব লাগিব আৰু ইয়াৰ বাবে কমেও ৫.০০ মিটাৰ দৈৰ্ঘ্যৰ কাম কৰিব লাগিব আৰু ইয়াৰ বাবে কমেও ৫.০০ লাখ টকাৰ প্ৰয়োজন হ্ব । পকী নলাৰ নিৰ্ম্মাণৰ বাবেও কমেও ৩.০০ লাখ টকা প্ৰয়োজন হ্ব ।

**শ্ৰীনগেন শৰ্মা ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে মাত্ৰ ৫ লাখ টকাৰ প্ৰয়োজন । গতিকে এই পথটো পুনৰ নিৰ্ম্মাণ কৰি যাতায়তৰ সু-ব্যৱস্থা কৰি দিবৰ কাৰণে মেৰামতিৰ শিতানৰ পৰা মন্ত্ৰী মহোদয়ে ৫ লাখ টকা ধৰি দিব নে ?

**শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী, গড়কাপ্তানী)** ঃ এইটো চৰকাৰৰ বিবেচনাধীন হৈ আছে আৰু পুজি সাপেক্ষে উক্ত কাম গ্ৰহণ কৰা হব ।

**শ্ৰীনিজামুদ্দিন খাঁন** ঃ অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত প্ৰায় ৩০ খনমান দলং পুৰণা হৈ গৈছে । তাৰে কেইখনমান একেবাৰে দুৰ্বল । নেচনেল হাইওৱেৰ ওপৰত পানী হোৱাৰ সময়ত এজন মানুহ চাইকেল লৈ পাৰ হব বিচাৰোতে দলঙৰ পৰা পৰি পানীত ভাহি গৈছিল। ভাগ্যে তেওঁক কেইজনমানে উদ্ধাৰ কৰিলে । সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছে যে মোৰ সমষ্টিত থকা এই দুৰ্বল দলংখন পুনৰ নিৰ্মাণ কৰাৰ ব্যৱস্থা লব নে ?

**শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী, গড়কাপ্তানী)**ঃ নিশ্চয় এইটো ব্যৱস্থা কৰা হব ।

**শ্ৰী পানীৰাম ৰাভা** ঃ অধ্যক্ষ মহোদয়, আমি ৰাইজৰ প্ৰতিনিধি । দলং বেয়া হলেই ৰাইজে আমাক ধৰে । মোৰ সমষ্টিত থকা কাঠৰ দলং বিলাকৰ অৱস্থা অতি বেয়া । দলং সমূহৰ দুৰাৱস্থা উন্নত কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

**শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী, গড়কাপ্তানী)** ঃ সেইবোৰ অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰা হব ।

**আব্দুল জেলিল ৰাগিবী** ঃ অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ কেইটামান জনবসতিপূৰ্ণ এলেকাত দলং সমূহেৰ অৱস্থা একেবাৰে বেয়া হোৱাৰ কাৰণে চলাচল কৰাত বহুতো অসুবিধা হৈছে । যোগাযোগৰ পথ বন্ধ হৈ গৈছে । ৰাইজৰ পৰা এক্ৰেৰাহে অভিযোগ আহি আছে । এই কথা মন্ত্ৰী মহোদয়ৰ লগত আলোচনাও কৰা হৈছে । ৰাষ্টাবোৰৰ অৱস্থা ইমানেই বেয়া যে ঘৰৰ পৰা ওলালেই মন্ত্ৰী, এম. এল. এ. ক গালি পাৰি থকাকেই শুনিবলৈ পাওঁ । গতিকে অনুগ্ৰহ কৰি মন্ত্ৰী মহোদয়ে গোটেই অসমৰ সকলোবিলাক বেয়া ৰাষ্টা- দলং সমূহ সোনকালে মেৰামতি কৰি চলাচলৰ উপযুক্ত কৰাৰ ব্যৱস্থা কৰিব নে ?

**শ্ৰী শৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী, গড়কাপ্তানী)** ঃ এই সকলো বিলাক পৰ্য্যায় ক্ৰমে পুঁজি সাপেক্ষে গ্ৰহণ কৰা হব ।

**শ্ৰীজয়নাথ শৰ্ম্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা সুধিব বিচাৰিছো অসমৰ বিভিন্ন ৰাস্তা-পদুলী ইত্যাদি মেৰামতি আৰু নিৰ্ম্মাণ কৰাৰ কাৰণে সদনৰ সদস্য সকলৰ ফালৰ পৰা এটা কমিটি গঠন কৰি দিয়া হৈছিল আৰু সেই কমিটিৰ সদস্য হিচাবে আমি গড়কাপ্তানী ৰাস্তা সমূহ মেৰামতি আৰু নিৰ্ম্মাণৰ ক্ষেত্ৰত বহুতো পৰামৰ্শ আগবঢ়াইছিলো আৰু তাত বহু ধৰণৰ ৰিকোমেণ্ডেশ্যন দিয়া আছিল । এতিয়া প্ৰশ্ন হ'ল এই কমিটি খন ইতিমধ্যে কেইবাৰ ৰাইজে আৰু কি কি ৰিকোমেণ্ডেশ্যন কমিটিয়ে দিছে আৰু সেই

ৰিকোমেণ্ডেশ্যন মতে কাম হৈছে নেকি ?

শ্ৰীশৰৎ বৰকটকী (ৰাজ্যিক মন্ত্ৰী, গড়কাপ্তানী (ভৈয়াম)) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই আগতেই কৈছিলো, মই দায়িত্ব লোৱাৰ পাছত দেখিলো কমিটিখন গঠন হোৱা নাছিল, পূজাৰ পাচতহে এই কমিটিখন আহ্বান কৰিম ।

**Mr. Speaker :** Now, Starred Question No.110, Hon'ble Member Shri Samarendra Nath Sen. Hon'ble Minister T.&.C P is to reply :

**Re. : Functions of Silchar Development Authority.**

**Shri Samarendra Nath Sen** asked;

* 110. Will the Minister of Town & Country Planning be pleased to state:

(a) Whether it is fact that the functions of Silchar Development Authority is for all round development of areas under its jurisdiction ?

(b) If so, what are the development works done by it since its inception ?

(c) If not, what are the reasons ?

**Shri Anjan Dutta,** (MInister of State, Town & Country Planning Department (Independent Charge)) replied.

(a) The function of the Silchar Development Authority is to ensure development according to the Master Plan.

(b) Implementation of Master Plan, Issue of Land Sub-Division & Building Permission, Land Development Scheme, Scheme under Integrated Development of Small & Medium Towns etc.

(c) Does not arise.

* **Shri Samarendra Nath Sen** : Mr. Speaker Sir, Is there any Master Plan prepared for Silchar town.

**Shri Anjan Dutta** (Minister of State, Town and Country Planning (Independent Charge)): Besides the Functions as I have stated, the Silchar Development Authority has been doing following works.

(1) I.D.S.M.T. - Malini Beel.

(2) Tarapur, Ramnagar Lend Development Complex.

(3) Itakhola Land Development Complex.

(4) Terapur Market-cum-Residential Complex.

(5) Cash Loan Scheme.

(6) Office Building-cum-Business complex.

(7) Rongpur Market Complex.

(8) Drainage.

* **Shri Samarendra Nath Sen :** Mr. Speaker Sir, is it a fact that during rainy season there is serious water-logging in Silchar town and because of absence of any Master Plan this water-logging is not being controlled.

**Shri Anjan Dutta** (Minister of State, I/C, Town and Country Planning) Mr. Speaker sir, The Silchar Development Authority was constituted with a view to implement the provision of Master Plan and also to check the haphazard growth of Silchar Master Plan Area. Over and above, if there is anything I will examine the matter.

* **Shri Samarendra Nath Sen :** Mr. Speaker Sir, my question is this whether there is serious water-logging in Silchar town because of want of master plan.

**Shri Anjan Dutta** (Minister of State I/C, Town and Country Planning) Mr. Speaker Sir, it is not known to me.

**Shri Samarendra Nath Sen** : Mr. Speaker Sir, hon'ble Minister in his reply in the last Budget Session has stated that there is serious water-logging in Silchar town because of want of Master Plan.

**Shri Anjan Dutta** (Minister of State I/C, Town & Country Planning) : O.K. , I will look into it.

* **Shri Samarendra Nath Sen** : Is it a fact that the drainage system of Silchar town is very bad and because of that people of the locality have been suffering very badly.

---

* Speech not corrected

* **Shri Anjan Dutta** (Minister of State I/C, T&CP)

Mr. Speaker Sir, I will look into it.

**Shri Samarendra Nath Sen** : My last question is whether Government will provide any fund during this financial year for Silchar Master Plan.

**Shri Anjan Dutta** (Minister of State I/C, Town and Country Planning) :

The authority has envisaged drainage scheme for New Silchar area (i.e., Kanakpur Part II, Sarat Palli) keeping in mind the long felt Public Health and Sanitation problems of the localities. The construction work has already been taken up with the co-operation of Silchar Municipality and Deputy Commissioner, Cachar. The Sub-Divisional Planning Committee has sanctioned around Rs.2 (two) lakhs from its Untied fund. The scheme would benefit about 4,500 rural and urban people.

* **Shri Kali Ranjan Deb** : Mr. Speaker Sir, his question was very categorical. Whether Hon'ble Minister will provide any fund during this financial year for development of the Silchar Development Authority.

* **Shri Mission Ranjan Das** : Mr. Speaker Sir, I would like to know from the Hon'ble Minister whether Government has prepared Master Plans for all the towns in Assam and whether works in Municipal areas are going on as per Master Plan ?

শ্ৰীঅঞ্জন দত্ত (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই অসমত মাষ্টাৰ প্লেন প্ৰিপাৰেশ্বন হোৱা নাই ।

Mr. Speaker : Now starred Question No. 111.

বিষয় ঃ অসম ৰাজ্যিক লটাৰী ।

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

---

* Speech not corrected

* ১১১। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) লটাৰী (ৰাজ্যিক) পতাৰ সিদ্ধান্ত চৰকাৰে কেতিয়া লৈছিল ?

(খ) ৰাজ্যিক লটাৰী অনুস্থিত কৰাৰ প্ৰধান উদ্দেশ্য বোৰ কি কি ?

(গ) লটাৰী অনুস্থিত কৰি চৰকাৰে বৰ্ত্তমানলৈ মুঠ কিমান টকা পালে ? (বিতং তথ্য দিব)

(ঘ) এই শিতানৰ পৰা পোৱা টকাবোৰ কি কি কামত খৰছ কৰিলে বিতং ভাৱে জনাবনে ?

(ঙ) চৰকাৰে সাধাৰনতে কোন কোন ব্যক্তি অথবা প্ৰতিস্থানৰ জৰিয়তে লটাৰী সমূহ চলাই আছে আৰু কি চুক্তিত জনাবনে? (চ) এম্ এচ্ এচোচিয়েশ্যনে দৈনিক মুঠ ১৪ খন খেল অনুস্থিত কৰি অহাটো সচাঁনে ?

(ছ) ১৪ খন খেল চলাবলৈ এচোচিয়েশ্যনটোৱে চৰকাৰৰ পৰা অনুমতি লোৱা আছেনে ?

(জ) এম্ এছ এচোচিয়েশ্যনৰ Proprietor কোন আৰু ইয়াৰ সদস্য কোন কোন লগতে ইয়াৰ মূখ্য কাৰ্য্যালয়ৰ স্থায়ী ঠিকনা জনাবনে ?

(ঝ) এম্ ভি এচোচিয়েছ্ন কি আৰু লটাৰী সম্পৰ্কত চৰকাৰৰ সৈতে উক্ত এচোচিয়েচনৰ সম্পৰ্ক কি ?

(ঞ) এম্ ভি, এচোচিয়েচনৰ দৈনিক ৫ খনকৈ খেল অনূস্থিত কৰি থকাটো সচাঁনে, লগতে ৫ খনকৈ খেল দৈনিক অনুস্থিত কৰিবলৈ চৰকাৰে অনুমতি দিছেনে ? (অনুমতি দিয়া সম্পৰ্কৰ তথ্য দিবঁ)

শ্ৰীজীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) ১৯৬৯ চনত

(খ) অসমৰ ৰাইজক আন আন ৰাজ্যিক লটাৰী টিকেট কিনি ধন ব্যয় কৰাৰ পৰা বিৰত ৰখাৰ বাবে অসম চৰকাৰে ৰাজ্যিক লটাৰী পতাৰ সিদ্ধান্ত লয় । আৰু লটাৰীৰ পৰা পোৱা ধন ৰাজ্যৰ শিক্ষা, স্বাস্থ্য আৰু সাংস্কৃতিক অনুস্থানবোৰৰ উন্নতিৰ বাবে সাহায্য পুঁজি হিচাবে দান দিয়া হয় ।

(গ) } বিবৰণী সদনৰ মজিয়াত উপস্থাপিত কৰা হল ।
(ঘ) } See the Annexure II

* Speech not corrected

(ঙ) বৰ্ত্তমানে মেচাৰ্চ এম্ এচ এচোচিয়েট নতুন দিল্লী আৰু মেচাৰ্চ এন্ ভি, ইণ্টাৰনেশ্যনেল, নতুন দিল্লীৰ জৰিয়তে লটাৰী খেল চলি আছে। প্ৰতি বছৰে নবীকৰণৰ সাপেক্ষে চুক্তি কৰা হৈছে।

(চ) মেচাৰ্চ এম্ এচ এচোচিয়েচনে বৰ্ত্তমান দৈনিক ১৫ খন খেল চলাই আছে।

(ছ) আছে।

(জ) শ্ৰীমতি তিলমায়া চঙ, এইখন এখন স্বত্বাধিকাৰী অনুষ্ঠান।

ঠিকনা ঃ ডি- ৭৪, ৰিগেল বিল্ডিং, কন্নাট প্লেছ, নিউ দিল্লী - ১১০০০১।

(ঝ) প্ৰতিষ্ঠানটোৰ নাম এন্ ভি ইণ্টাৰনেশ্যনেল। তেওঁলোক ৫ খন অসম লটাৰীৰ অৰ্গেনাইজাৰ।

(ঞ) চৰকাৰে অনুমতি দিছে।

**Shri Jibakanta Gogoi (Minister Finance) :** Mr. Speaker Sir, this matter is subjudice. A case is lying in the High court on this and as such, I think, this matter cannot be raised.

* **Shri Zoii Nath Sarma :** Point of order sir, it is not subjudice, it is to conduct the lottery. This cannot be treated as subjudice.

**Mr. Speaker :** The entire lottery issue is under subjudice.

* **Shri Holi Ram Terang :** One point of order Sir, Since the matter of lottery is in court we cannot discuss anything about Finance Department. In this way, there are many cases filed against Government of Assam in the court and we cannot discuss anything against the Government on the plea that the entire Assam Government is subjudice. So sir, I do not think it is subjudice and hence, I want a reply from the Minister.

* **Shri Hintendra Nath Goswami :** Mr. Speaker sir, only one point is subjudice. Government decided to take steps and the parties went to the court, how it can be subjudice ? Let the Minister reply.

* **Shri Jiba Kanta Gogoi (Minister Finance):** Mr. Speaker sir, the whole matter is subjudice. Against our decision the organisers have gone

---

* Speech not corrected

to the court and challanged our decision. Against this, we have filed an appeal in the court of law. So, this is a question of policy. This is lying in the High Court and subjudice. So, we cannot give any information when the matter is subjudice.

(Starred Question Nos. 112 to 120 could not be taken up for disposal as the Question Hour was over. However, the said Questions deemed to have been laid on the table of the House with replies there to )

**Re. Fund Allocation .**

**Shri Dipendra Rongpi**
**Shri Monsing Rongpi** } asked :

*112. Will the Minister of Rural Development be pleased to state :

(a) What is the total allocation of fund to District Rural Development in Karbi Anglong and N.C. Hills Districts during the year of 1992-93 and 93-94 (Please furnish separately District wise).

(b) Whether there has any financial cut been made ?

(c) If so, why ?

(d) What is the total fund being released during the current financial year ?

**Shri Gautam Roy (Minister of State Rural Development)** replied :

(a) The Allocation of fund under IRDP & JRY are furnished below :-

IRDP:- (Rs. in lakh)

| | '92-93 | '93-94 |
|---|---|---|
| Karbi Anglong | Rs.71.12 lakhs (Normal)<br>Rs. 29.16 lakhs (Addl.) | Rs.148.00 lakhs |
| N.C. Hills | Rs.32.33 lakhs (Normal)<br>Rs.13.24 lakhs (Addl.) | Rs.68.00 lakhs |

* Speech not corrected

| JRY:- | (Rs. in lakhs) |
| --- | --- |
| '92-93 | '93-94 |
| Karbi Anglong Rs.305.04 lakhs (Normal) | Rs.502.72 lakhs |
| Rs.69.78 lakhs (Addl.) | |
| N.C. Hills Rs.63.12 lakhs (normal) | Rs.104.46 lakhs |
| Rs.14.45 lakhs (Addl.) | |

(b) Yes

(c) An amount of Rs.3.22 lakhs has been deducted by the Govt. of India and State Govt. under IRDP due to excess administrative expenditure in respect of DRDA, N.C. Hills in '92-93. Further, an amount of Rs.4.80 lakhs has been deducted by the Govt. of India & State Govt. under JRY due to excess carryover during '92-93 in respect of N.C. Hills DRDA. Apart from this, an amount of Rs.35.00 lakhs has been deducted in respect of DRDA, Karbi Anglong & Rs.2.11 lakhs in respect of N.C. Hills DRDA under MWS of 1992-93 as this amount had been deposited in the State Revenue Account in June'92.

(d) (1) Under IRDP.

Rs.14.58 lakhs additional amount relating to '92-93 and Rs.26.00 lakhs being 1st instalment of '93-94 has been released to DRDA - Karbi Anglong & Rs.6.62 lakhs addl. amount of '92-93 & 12.00 lakhs being 1st installment of '93-94 has been released to DRDA, N.C. Hills during the current financial year.

(2) Under JRY.

Rs.69.78 lakhs relating to the additional amount of 1992-93 and Rs.14.00 lakhs as 1st installment of '93-94 for Karbi Anglong DRDA and Rs.14.45 lakhs as additional amount of -92-93 and Rs.6.00 lakhs as 1st installment of '93-94 for DRDA N.C. Hills have been released

during the current financial year.

**বিষয় ঃ গোলোকগঞ্জ সমষ্টিৰ বাটপথ, দলং নিৰ্ম্মাণ সম্পৰ্কে ।**

**শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে ঃ**

* ১১৩। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বানপানী বিধস্থ গোলোকগঞ্জ সমষ্টিৰ বাটপথ আৰু লগতে সীমান্ত সংযোগকাৰী বাটপথ দলং সমূহৰ নিৰ্ম্মাণ, পুনৰ নিৰ্ম্মাণ আৰু মেৰামতিৰ বাবে ধুবুৰী সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাই তত্কালীন ভাবে বিচৰা ধন মঞ্জুৰী দিয়াৰ কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে ?

(খ) সীমান্ত পথ নিৰ্ম্মাণ বিভাগ, আগমনি সংমণ্ডল, সীমান্ত সংযোগ ৰক্ষাকাৰী পথ (Link Road) সমূহৰ নিৰ্ম্মাণ বা পুনৰ নিৰ্ম্মাণ মেৰামতিৰ ক্ষেত্ৰত আৰ্থিক অনুদান আগবঢ়াবলৈ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিবনে ?

**শ্ৰীশৰৎ বৰকটকী** (গড়কাপ্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ধুবুৰী সংমণ্ডলৰ বাবে ১৯৯৩-৯৪ চনৰ বান বিধস্ত মেৰামতিৰ শিতানত প্ৰথম পৰ্য্যায়ত মুঠ ২০ লাখ টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰে আগষ্ট মাহৰ ৩ লাখ টকাৰ আৱণ্টন দিয়া হৈছে ।

(খ) পুঁজি সাপেক্ষে আৰ্থিক অনুদান আগবঢ়াবলৈ পদক্ষেপ গ্ৰহণ কৰা হ'ব ।

**বিষয় ঃ পাঠশালাৰ পৰা দাওঁধাৰালৈ যোৱা কঠোৰ আলি পথ ।**

**ডাঃ কৃষ্ণ কান্ত লহকৰে সুধিছে ঃ**

* ১১৪। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) পাঠশালাৰ পৰা বাঘমৰা, অঞ্চলী হৈ দাঁওধাৰালৈ যোৱা কঠোৰ আলি নামৰ পথটোৰ দুৰৱস্থা সম্পৰ্কে চৰকাৰ জ্ঞাতনে ।

(খ) উক্ত কঠোৰ আলি নামৰ পথটো জৱাহৰ ৰোজগাৰ যোজনাৰ অন্তৰ্ভূক্ত কৰি উন্নতিৰ কিবা ব্যৱস্থা লোৱা হৈছিল বুলি চৰকাৰে জানেনে ?

(গ) উক্ত পথটোৱে ককিলাবাৰী কেন্দ্ৰীয় ফাৰ্মখনকো সংলগ্ন কৰা কথাটো চৰকাৰে জানেনে ?

(ঘ) উক্ত পথটো উন্নতি কৰাৰ বাবে কি ব্যৱস্থা লোৱা হৈছে জনাবনে ?

**শ্ৰীশৰৎ বৰকটকী** (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত ।

(খ) উক্ত ৰাস্তাটো জৱাহৰ ৰোজগাৰ যোজনাৰ অন্তৰ্ভূক্ত কৰা হোৱা নাই বা তেনে সিদ্ধান্তৰ কথা জনোৱা নাই ।

(গ) হয়, জানে ।

(ঘ) অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ ১৯৯২-১৯৯৩ ইং বিত্তীয় বছৰত ১১ আৰু ১২ কিঃ মিটাৰত (১০৯১৫ মিঃ ৰ পৰা ১১৩৬৫ মিঃ লৈ) নূন্যতম চাহিদা আচঁনিৰ অন্তৰ্গত ৩.২৮ লাখ টকা আৰু ১৫ কিঃ মিঃ ত (১৪৩৯৬ মিঃ পৰা ১৪৭৫০ মিঃ লৈ ) অন্যান্য নূন্যতম চাহিদা আচঁনিৰ অন্তৰ্গত ৪.০২ লাখ টকাৰ পকী কৰণৰ কাম হাতত লোৱা হৈছে ।

১৯৯২-১৯৯৩ বিত্তীয় বছৰত উক্ত ৰাস্তাৰ ৩ আৰু ৪ কিঃ মিঃ (২৮৯৬ মিঃ ৰ পৰা ৩২৩৫ মিঃ লৈ) ২.৭২ লাখ টকাৰ আচঁনি হাতত লোৱা হৈছে ।

**বিষয় ঃ চৰ উন্নয়ণৰ বাজেটৰ টকা ।**

শ্ৰীনজমূল হকে সুধিছে ঃ

* ১১৫। মাননীয় চৰ অঞ্চল উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ চৰ অঞ্চল উন্নয়ণৰ বাবে ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনৰ বাজেটত মুঠ কিমান টকা ধাৰ্য্য কৰা হৈছে ?

(খ) চৰ অঞ্চলৰ জনসংখ্যাৰ তুলনাত এই টকাৰ পৰিমান অতি নগন্য বুলি চৰকাৰ অৱগতনে ?

(গ) উক্ত ২ বছৰ সময় ছোৱাত চৰ অঞ্চলৰ যিবোৰ আচঁনি লোৱা হৈছিল সেই বোৰ আচঁনিৰ অস্তিত্ব আছেনে নাই তাৰ বুজ লবলৈ সদন কমিটি পঠোৱাৰ ব্যৱস্থা কৰা হবনে ?

(ঘ) আন আন বিভাগৰ তুলনাত চৰ উন্নয়ণ বিভাগত টকাৰ অনুদান একেবাৰেই নগন্য বুলি চৰকাৰ অৱগত নে ?

শ্ৰীদিলদাৰ ৰেজ্জা (চৰ উন্নয়নৰ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯২-৯৩ চনৰ বাজেটত ১১০ লাখ টকা আৰু ৯৩-৯৪ চনৰ বাজেটত ১১০ লাখ টকা ধাৰ্য্য কৰা হৈছে ।

(খ) হয় ।

(গ) আঁচনিবোৰৰ অস্তিত্ব আছে । সদন কমিটি পঠোৱাৰ বিবেচনা কৰা নাই ।

(ঘ) নহয় ।

## বিষয় ঃ ধুবুৰী বিল্যাছৰা P.W.D. Road.

**শ্ৰীধ্ৰুব কুমাৰ সেনে সুধিছে ঃ**

* ১১৬। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ধুবুৰী P.W.D. Road, অধীনত থকা ধুবুৰী বিল্যাছৰা নামত যি ৰাস্তা আছে সেই ৰাস্তাত ৬।১ নামত যি দলংখন আছে সেই দলং খনেদি মালবাহী (Load truck) আৰু যাত্ৰীবাহী বাছ চলাচল কৰিব পাৰে নে ?

(খ) যদি চলাচল কৰিব নোৱাৰে তাৰ কাৰণ কি জনাবনে ?

(গ) ইং ১৯৮৯ চনৰ মাৰ্চ মাহৰ পৰা ইং ১৯৯২ চনৰ মাৰ্চ মাহলৈকে কিমান টকা সেই দলং খনত খৰছ কৰা হৈছে অনুগ্ৰহ কৰি জনাবনে ?

**শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) নোৱাৰে ।

(খ) দলং খনৰ বিপদ সংকুল অৱস্থাৰ কাৰণে ।

(গ) মুঠ ৪,৩২,০০০.০০ (চাৰি লাখ বত্ৰিশ হাজাৰ টকা) ।

## বিষয় ঃ দলং নিৰ্ম্মাণ ।

**শ্ৰীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ**

* ১১৭। মাননীয় গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কলিয়াপাণী ব্লকৰ অন্তৰ্গত "শুকানজনীয়া" দলং নিৰ্ম্মাণৰ প্ৰস্তাব সম্পৰ্কে চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত প্ৰস্তাৱ কাৰ্য্যকৰী কৰাৰ বিহিত ব্যৱস্থা চলিত বছৰতে গ্ৰহণ কৰিবনে ?

(গ) যদি কাৰ্য্যকৰী নকৰে ইয়াৰ কাৰণ কি কি জনাবনে ?

**শ্ৰীগৌতম ৰয় ( ৰাজ্যিক গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত ।

(খ) ১৯৯৩-৯৪ চনৰ প্ৰস্তাৱিত বিস্তৃত আঁচনিৰ তালিকাত (Self of Schemes) অন্তৰ্ভুক্ত কৰা হৈছে ।

(গ) এই সম্পৰ্কে সিদ্ধান্ত যোৰহাট গ্ৰামোন্নয়ণ অভিকৰণৰ আগন্তুক পৰিচালনা সভাত গ্ৰহণ কৰা হব ।

বিষয় ঃ ৰহা, কামপুৰ, বৈঠালাংচু পথ ।

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ঃ

* ১১৮। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাওঁ জিলাৰ পূব সংমণ্ডলত অৱস্থিত ৰহা, কামপুৰ, বৈঠালাংচু পথটোৰ পথটোৰ বৰ্ত্তমানৰ অৱস্থা কি আৰু তাত থকা কাঠৰ দলংবোৰ বৰ্ত্তমান কেনে অৱস্থাত আছে চৰকাৰে জানেনে ?

(খ) যদি জানে, কেনে অৱস্থাত আছে সদনক জনাবনে ?

(গ) এই পথটো যে সাংঘাটিক ব্যস্ত আৰু একমাত্ৰ যাতায়তৰ পথ চৰকাৰে অৱগতনে ?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে ।

(খ) এই পথচোৰাৰ শিলগুটি দিয়া (Gravelled) অংশৰ অৱস্থা ভাল নহয় । গোটেই পথটোত অৱস্থিত মুঠ ১৮ খন কাঠৰ দলংৰ ভিতৰত ৯ খনৰ অৱস্থা বেয়া ।

(গ) হয়, অৱগত ।

**Re. : Tangla, Dimakuchi, Kalikhola Road.**

**Shri Karendra Basumatary** asked;

*119. Will the Minister of P.W.D. (Plains) be pleased to state :

(a) Whether Tangla-Dimakuchi-Kalikhola P.W.D. road under Mongaldai Roads Divison, Darrang, in Panery constituency proposed to be improved under Emergent Fund for public services by metalling & Black topping the road without delay ?

(b) If so, when it can be expected ?

**Shri Sarat Borkatoky** (Minister of State P.W.D. (Plains) ) replied :

(a) No.

(b) Does not arise.

**Re. Release of District Rural Dev. Agency fund.**

**Shri Anowar Hussain** asked :

* 120. Will the Minister of Rural Development be pleased to state :-

(a) Whether the Government is aware that only 30% to 60% of the

* Speech not corrected

amount of earth work for Rs.one Lakh of each G..P. was released in Dhubri District ?

(b) Whether the Government is aware that 100% of the said amount was released in almost all Districts ?

(c) When the Government would release the balance amount for Dhubri District ?

**Shri Gautom Roy** (Minister of State Panchayat & Rural Development) replied:

(a) State Government have already released @ Rs.1.00 lakh per Gaon Panchayat for earth work for Dhubri District.

(b) Yes.

(c) Does not arise.

## SHORT NOTICE QUESTIONS:

**Mr. Speaker**: Short Notice Question No.1 to be raised by Shri Nagen Sarma.

Question not put Hon'ble Member Shri Nagen Sarma being absent. Question No.2 by Shri Munin Mahanta. Hon'ble Minister Higher Education Shri Golok Rajbongshi to reply.

## Re. Short Notice Question.

**Shri Munin Mahanta** asked :

2. Will the Minister Higher Education be pleased to state :

(ক) যোৱা বছৰৰ ১৯৯১-৯২ চনত ৰাজ্যখনৰ কিমান খন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই ঘাটি মঞ্জুৰী পালে জনাবনে ?

(ঘাটি মঞ্জুৰী পোৱা মহাবিদ্যালয় সমূহৰ নাম স্থাপনৰ তাৰিখ আদি সহ বিস্তাৰিত বিৱৰণ দাখিল কৰিব ।)

(খ) বিজ্ঞান শাখাৰ ঘাটি মঞ্জুৰীৰ বাবে বিশ্ববিদ্যালয় আৰু চৰকাৰৰ সকলো অৰ্হতা অৰ্জন কৰি থকা বৰ্ত্তমানলৈকে মহাবিদ্যালয়ৰ সংখ্যা কিমান আৰু নাম সমূহ জনাবনে ?

* Speech not corrected

Shri Golok Rajbongshi (Minister Of Higher Education) replied :

(ক) নাই ।

(খ) ৫ খন

(১) বাউসী ৰাণীকান্ত মহাবিদ্যালয় ।

(২) ট্টিহ মহাবিদ্যালয় ।

(৩) পূৰ কামৰূপ মহাবিদ্যালয় ।

(৪) ময়ৰাণ মহাবিদ্যালয় ।

(৫) মৰিগাওঁ মহাবিদ্যালয় ।

* শ্রীমুনিন মহন্ত ঃ (ক) যোৱা বছৰৰ ১৯৯১-৯২ চনত ৰাজ্য খনৰ কিমানখন মহাবিদ্যালয়ৰ বিজ্ঞান শাখাই ঘাটি মঞ্জুৰী পালে জনাৰনে ?

(খ) বিজ্ঞান শাখাৰ ঘাটি মঞ্জুৰীৰ বাবে বিশ্ববিদ্যালয় আৰু চৰকাৰৰ সকলো অৰ্হতা বৰ্জন কৰি থকা বৰ্ত্তমানলৈকে মহাবিদ্যালয়ৰ সংখ্যাৰ কিমান আৰু নাম সমূহ জনাবনে ? মৰিগাওঁ মহাবিদ্যালয়ে ঘাটি মঞ্জুৰী পাইছে নেকি ?

* শ্রীগোলোক ৰাজবংশী (উচ্চ শিক্ষা মন্ত্রী)ঃ

1. Navajyoti Mahavidyalaya
2. Guwahati Mahavidyalaya
3. Rongiya Mahavidyalaya
4. Sonari Mahavidyalaya
5. Namrup Mahavidyalaya.

১৯৯১-৯২ চনত পাইছে । এই বছৰ এখনেও পোৱা নাই । যি কেইখনে পাইছে সেইকেইখন হৈছে, ৰঙিয়া আৰু সোণাৰি মাহাবিদ্যালয় ।

* শ্রীমুনিন মহন্ত ঃ প্ৰস্তাবিত মহাবিদ্যালয় কেইখনে কিয় পোৱা নাই জনাবনে ? যি কেইখনে পাইছে ,কেতিয়া পাইছে জনাবনে ?

* শ্রীগোলোক ৰাজবংশী (উচ্চ শিক্ষামন্ত্রী) ঃ ৰঙিয়া মহাবিদ্যালয়ে ১৯৮৫-৮৬ চনত, সোণাৰী মহাবিদ্যালয়ে ১৯৮৫-৮৬ চনত পাইছে । মৰিগাওঁ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা সেই সময়ত হোৱা নাছিল । সোণাৰী মহাবিদ্যালয় বহুত আগতে প্ৰতিষ্ঠা কৰা হৈছিল ।

* শ্রীমুনিন মহন্ত ঃ মৰিগাওঁ মহাবিদ্যালয়ে অৰ্হতা অৰ্জন কৰি আছে । গতিকে এই মহাবিদ্যালয় খনে ঘাটি মঞ্জুৰী পাব লাগিছিল ।

---

* Speech not corrected

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ মহাবিদ্যালয়খন কেতিয়া স্থাপন কৰা হৈছিল সেইটো জনোৱা নাই । তাৰোপৰি ঘাটি মঞ্জুৰী পাবৰ কাৰণে নথী পত্ৰও দৰ্কাৰ ।

* শ্ৰীমুনিন মহন্ত ঃ এতিয়াও কেইখনমান মহাবিদ্যালয়ৰ নাম তালিকা থিক কৰা হৈ আছে ।

**Shri Golok Rajbanshi (Education Minister) :** I will have to examine it.

**Mr. Speaker :** Short Notice Question No.3 to be raised by Shri Sasha Kamal Handique and Hon'bel Minister is to reply please.

**বিষয় ঃ তাকৰীয়া সময়ৰ প্ৰশ্ন জাননী প্ৰশ্ন নং -৩**

**শ্ৰীশশ কমল সন্দিকৈয়ে সুধিছে ঃ**

৩। মাননীয় উচ্চতৰ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) চৰকাৰী কৰ্ম্মচাৰীয়ে বা কোনো চৰকাৰী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীয়ে পোন পতীয়াকৈ কোনো ৰাজনৈতিক দলৰ কৰ্ম্মকৰ্ত্তা হিচাবে কাৰ্য্য নিৰ্ব্বাহ কৰিব পাৰেনে ?

**শ্ৰীগোলোক ৰাজবংশী (উচ্চতৰ শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) নোৱাৰে ।

* শ্ৰীশশ কমল সন্দিকৈ ঃ মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ? যে চৰকাৰী কৰ্ম্মচাৰীয়ে বা কোনো চৰকাৰী বিদ্যালয়ৰ শিক্ষক -শিক্ষয়ত্ৰীয়ে পোন পতীয়াকৈ কোনো ৰাজনৈতিক দলৰ কৰ্ম্মকৰ্ত্তা হিচাবে কাৰ্য্য নিৰ্বাহ কৰিব পাৰেনে ?

* শ্ৰীগোলোক ৰাজবংশী (উচ্চতৰ শিক্ষা বিভাগৰ মন্ত্ৰী) ঃ চৰকাৰী চাৰ্ভিচ ৰুল মতে কোনো চৰকাৰী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়ত্ৰীয়ে পোন পতীয়াকৈ কোনো ৰাজনৈতিক দলৰ কৰ্ম্মকৰ্ত্তা হিচাপে কাৰ্য্য নিৰ্ব্বাহ কৰিব নোৱাৰে ।

* শ্ৰীশশ কম ল সন্দিকৈ ঃ প্ৰাদেশিক কৰণ মহাবিদ্যালয়ৰ কৰ্ম্মচাৰী বা শিক্ষক-শিক্ষয়ত্ৰী বা অধ্যাপক - অধ্যাপিকা হৈ ৰাজনৈতিক দলত কাৰ্য্যনিৰ্ব্বাহ কৰিব পাৰে নে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ মই কৈছো যে চৰকাৰী চাৰ্ভিচ ৰুল মতে কোনেও কৰিব নোৱাৰে ।

* শ্ৰীশশ কমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, এধক কলেজৰ শিক্ষক-শিক্ষয়ত্ৰীয়ে পাৰে কিন্তু প্ৰাদেশিক কৰণ স্কুল কলেজৰ শিক্ষক- শিক্ষয়ত্ৰীয়ে ৰাজনৈতিক দলৰ কৰ্ম্মকৰ্ত্তা হিচাবে কাৰ্য্য নিৰ্ব্বাহ কৰিব পাৰে নে নোৱাৰে ?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ স্কুল-কলেজ যেতিয়া প্ৰাদেশিকৰণ হয় তেতিয়া নোৱাৰে ।

---

* Speech not corrected

* **শ্ৰীশশ কমল সন্দিকৈ ঃ** মোৰ হাতত ৰাজনৈতিক দলত পোনপটীয়াকৈ ৰাজনৈতিক দলৰ কৰ্ম্মকৰ্ত্তা হিচাবে কাৰ্য্যনিৰ্ব্বাহ কৰা তথ্য আছে । মন্ত্ৰী মহোদয়ক যদি সেই তথ্য দিব পাৰে তেতিয়া কি কৰিব জনাবনে ?

* **শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ** আইনমতে ব্যৱস্থা লব লগা হলে নিশ্চয় লম ।

**শ্ৰীশশ কমল সন্দিকৈ ঃ** আইনখন আপোনালোকৰ হাততে আছে ।

* **শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ** কোনে সেই কাম কৰি আছে সেই বিষয়ে আমি কোনো ইনফৰমেচন পোৱা নাই ।

* **শ্ৰীজয়নাথ শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, টি, চি, উচ্চতৰ মাধ্যমিক বিদ্যালয়খন চৰকাৰী প্ৰাদেশীকৰণ স্কুল । সেই স্কুলখনত মন্ত্ৰীৰ পৰিবাৰ গৰাকীয়ে কাম কৰি থকা স্বত্বেও ৰাজনৈতিক দলত পোন পতীয়াকৈ সোমাই পৰিছে । চৰকাৰী চাৰ্ভিচ ৰুল মতে তেখেতে কেতিয়াও ৰাজনৈতিক দলৰ সদস্য হব নোৱাৰে । এতিয়া এই সম্পৰ্কত মন্ত্ৰীৰ পৰিবাৰ হোৱাৰ কাৰণে আইন মতে প্ৰযোজ্য নহব নেকি ?

* **শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজনৈতিক দলৰ বিষয় ববীয়া নহও । কোনে কি বিষয় বাব লৈছে সেইটোৰ বিষয়েও অৱগত নহওঁ । তথাপি কোন গৰাকী শিক্ষয়ত্ৰীয়ে ৰাজনৈতিক দলত পোনপটীয়াকৈ সোমাইছে সেইটো খবৰ মই লম ।

## UNSTARRED
## QUESTIONS AND ANSWERS

### বিষয় ঃ ডিব্ৰুগড় গড়কাপ্তানী পথৰ দলং নিৰ্ম্মাণ ।

**শ্ৰীশশ কমল সন্দিকৈয়ে সুধিছে ঃ**

২১৪ । মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড় গড়কাপ্তানী (পথ) সংমণ্ডলৰ পথ দলং সমূহ নিৰ্ম্মাণ আৰু মেৰামতি কৰাৰ বাবে চৰকাৰে কোনো আচঁনি ধাৰ্য্য কৰি কাৰ্যকৰী কৰাৰ ব্যৱস্থা হাতত লৈছে নে ?

(খ) দিল্লী নদীৰ দলং উত্তোলন বা মেৰামতিৰ কোনো আচঁনি চৰকাৰৰ আছেনে ?

**শ্ৰীশৰৎ বৰকটকী, (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, লৈছে ।

পথ আৰু দলং বোৰৰ নিৰ্ম্মাণ আৰু মেৰামতিৰ কামৰ আঁচনি পৰ্য্যায় ক্ৰমে আৰু পূঁজি সাপেক্ষে লৈ থকা হৈছে ।

* Speech not corrected

(খ) হয় আছে। আঁচনি প্ৰস্তুত কৰা হৈছে। কাম হাতত লবৰ বাবে নিবিদা আদিও পোৰা হৈছে আৰু কামৰ আৱণ্টনৰ বাবে ব্যৱস্থা কৰি থকা হৈছে।

বিষয় ঃ লালা ব্লকে ইন্দিরা আবাস নির্ম্মানের প্রস্তাব।

**শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদার জিজ্ঞাসা করছেন ঃ**

২১৫। মাননীয় গ্রাম্য উন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) ১৯৯১-৯২ ইং B.L.C.C. তে পাশ করা লালা ব্লকে যে যে ইন্দিরা আবাস নির্মানের প্রস্তাৱ নেওয়া হয়েছিল সেই গুল আবাস আজ পর্য্যন্ত নির্মান করা হয় নাই কেন ?

(খ) ঐ সব ইন্দিরা আবাস এই অর্থ বৎসরে নির্মান করা হবে কি ?

(গ) ইন্দিরা আবাস অন্যান্য অনুন্নত সম্প্রদায়ের গরীব পরিবারে দেওয়ার ব্যৱস্থা সরকার করবেন কি ?

**শ্ৰীগৌতম রয় (রাজ্যিক গ্রাম্য উন্নয়ন বিভাগের মন্ত্রী) য়ে উত্তর দিছে।**

(ক) লালা উন্নয়ন খন্ডৰ খন্ড উন্নয়ন সমন্বয় ৰক্ষী সমিতি (বি এল চি চি) ৰ দ্বাৰা অনুমোদন জনোৱা ৪ টা ইন্দিৰা আবাস গৃহ নির্মাণৰ কাম সম্পূর্ণ কৰা হৈছে।

(খ) প্ৰশ্ন নুঠে।

(গ) যিহেতু ই এটা কেন্দ্ৰীয় চৰকাৰৰ নীতি নিৰ্দ্ধাৰিক বিষয় সেয়ে এই বিষয়ে বৰ্ত্তমানলৈকে মতামত দিব পৰা নাযায়। সদ্যহতে এই আঁচনি কেৱল অনুসুচিত জনজাতি/ অনুসুচিত জাতি আৰু মুক্ত বান্ধা শ্ৰমিকৰ কাৰণেহে প্ৰযোজ্য।

**Re. Bridge over Baralia river leading to Tamulpur Gandhibari Road.**

**Shri Derhagra Mochahary** asked ;

216. Will the Minister of P.W.D. (Plains) be pleased to state :

(a) Whether Govt. has proposed to construct Bridge over Baralia river leading to Tamulpur Gandhibari Road ?

(b) If yes, when it will be started ?

(c) If no, why ?

**Shri Sarat Barkatoky** (P.W.D. State Minister (Plains) replied :

(a) No.

(b) Does not arise.

(c) Due to inadequacy of fund.

বিষয় ঃ- সীমান্তবৰ্ত্তী পথ নিৰ্ম্মান আচঁনি।

মোঃ মহিবুল হকে সুধিছে ঃ

২১৭। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গৌৰীপুৰ সমষ্টিৰ ভাৰত বাংলাদেশ সীমান্তবৰ্ত্তী অঞ্চলৰ কানুৰী-ডিমাপুৰী পথটো নিৰ্মান কৰাৰ আঁচনি চৰকাৰৰ আছেনে ?

(খ) উক্ত অঞ্চলৰ উন্নয়ণৰ বাবে চৰকাৰে কি কি আচঁনি হাতত লৈছে ?

শ্ৰীজগৎ পাটগিৰী (সীমান্ত অঞ্চল উন্নয়ণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সীমান্ত অঞ্চল বিভাগৰ আচঁনিত নাই ।

(খ) সীমান্ত অঞ্চল বিভাগৰ অধীনত বৰ্ত্তমানলৈ কোনো আচঁনি হাতত লোৱা হোৱা নাই ।

বিষয় ঃ গোবিন্দপুৰ ৰিজাৰ্ভত থকা Social Forestry .

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

২১৮। মাননীয় সামাজিক বনানীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ গোবিন্দপুৰ ৰিজাৰ্ভত থকা Social Forestry এলেকাত খেৰ (ছন)ৰ খেতি থকাটো সচাঁনে ?

(খ) যদি সচাঁ, উক্ত খেতিৰ খেৰ বিক্ৰী কৰা হয় নে ?

(গ) যদি বিক্ৰী কৰা হয়, বিক্ৰীৰ পদ্ধতি কি ?

(ঘ) Social Forestry ৰ খেৰ আদিৰ ৰয়েল্টি লৈ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা মানুহক কাটিব দিয়াৰ নিয়ম আছেনে ?

(ঙ) যদি নিয়ম আছে, এই নিয়মৰ মাধ্যমত উক্ত ৰিজাৰ্ভৰ খেৰ কাটিব দিয়া হৈছেনে ?

(চ) যদি হোৱা নাই কিমান টকাত আৰু কাৰ ওচৰত এই খেৰ বিক্ৰী কৰা হৈছে ?

(ছ) এই সম্পৰ্কত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব নে ?

শ্ৰীচামছুল হুদা (সামাজিক বনানীকৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সামাজিক বনানীকৰণৰ গোবিন্দপুৰ P.G.R. পুলি বাগান এলেকাৰ ভিতৰত ঠাই বিশেষে খেৰ থকাটো সঁচা, কিন্তু খেৰৰ খেতি কৰা নহয় ।

(খ) হয় ।

(গ) চৰকাৰী খাজনা হিচাবে ৩০ ছেঃ মিঃ ৰেৰৰ প্ৰতি ১০০ মুঠাত ৫.০০ (পাঁচ) টকা হিচাবে ৰয়েল্টি লৈ দুখীয়া আৰু প্ৰয়োজন থকা ওচৰে পাজৰে বসবাস কৰা গাওঁৰ

মানুহক দিয়া হয়।

(ঘ) আছে।

(ঙ) এই বছৰত অর্থাৎ ১৯৯৩-৯৪ চনত এতিয়ালৈ খেৰ কাটিব দিয়া হোৱা নাই।

(চ) এই বছৰত বিক্ৰী হোৱা নাই। আগৰ বছৰ সমূহত বিক্ৰী কৰা হৈছিল।

(ছ) প্ৰশ্ন নুঠে।

**বিষয় ঃ জল প্ৰকল্প খনন ও পাইপ লাইন ।**

**শ্ৰীমধু সূদন তেওয়াৰীয়ে সুধিছে ঃ**

২১৯। মাননীয় জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

(ক) জুরবাড়ী ও ডেফল আলা জল সরবরাহ প্রকল্পের খনন ও পাইপ লাইন বসানোর পর প্রকল্প ২ টি বন্ধ করে দেওয়া হয়েছে, তাহার কারণ কি ?

(খ) অত্র এলাকার অনেক গুলি গ্রাম প্রকল্প ২ টি বন্ধ হওয়ার বিশুদ্ধ পানীয় জল থেকে বঞ্চিত হচ্ছেন আর প্রকল্প ২ টি বন্ধ করে দেওয়ার যদি কোন কারণ থাকে তবে তাহার বিকল্প ব্যৱস্থা কি নেওয়া হয়েছে বা হবে ?

(গ) পাথারকান্দি সমষ্টির জল সরবরাহ প্রকল্প গুলি থেকে নিয়মিত ভাবে জল সরবরাহ করা হইতেছেনা যেমন ২ বেলা জল সরবরাহের স্থলে ১ বেলা দেওয়া, কোন কোন দিনে মোটেই জল না দেওয়া, নিয়মানুসারে ঔষধ প্রয়োগ না করা পাইপ লাইন সম্প্রসারনের কাজ না করা বোট ও পাম্প গুলি মেরামত না করা ইত্যাদি বিষয় গুলি সন্মন্ধে চরকার অবগত আছেন কি ?

(ঘ) যদি অবগত থাকেন তবে তাহার প্রতিকারের কি ব্যৱস্থা নিয়েছেন ?

**শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কারিকরী বিভাগের মন্ত্রী)য়ে উত্তৰ দিছেনঃ**

(ক) Deep Tube Well 2 টির জল শুকিয়ে যাওয়ার জন্য প্রকল্প ২ টি আপাততঃ সাময়িক ভাবে বন্ধ হয়ে আছে।

(খ) Deep Tube Well ২ টির জল শুকিয়ে যাওয়ার সম্ভাব্য কাৰণ এবং কি কি বিকল্প ব্যৱস্থা নেওয়া হলে সেই অঞ্চল দুইটিতে বিশুদ্ধ পানীয় জল সরবরাহের ব্যৱস্থা কৰা যায় তাহার পরীক্ষা চলছে। পরীক্ষার ফলাফলের ওপর নির্ভর করে চরকারের পক্ষ থেকে খুব শীঘ্র এই ব্যাপারে উপযুক্ত ব্যৱস্থা নেওয়া হবে।

(গ) অর্থাভাবের জন্যই এইসব প্রকল্পে পানীয় জল সরবরাহে কিছু কিছু অসুবিধায় সন্মুখীন হতে হচ্ছে।

(ঘ) আৰ্থিক স্থিতি কিছুটা উন্নত হওয়ার সঙ্গে সঙ্গে এইসব অসুবিধা দূর করার জন্য

যত শীঘ্র সম্ভৱ ব্যৱস্থা নেওয়া হবে ।

**বিষয় ঃ দক্ষিণ করিমগঞ্জ সমষ্টিতে উন্নয়ন খণ্ড স্থাপন ।**

শ্রী প্রনব কুমাৰ নাথ জিজ্ঞাসা করছেন ঃ

২২০। মাননীয় গ্রাম্য উন্নয়ন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) রাজ্য সরকারের ৬/৪/৯০ ইং তারিখের নং পি, ডি, বি, ৭০/৮৫/২৩৫ অধিসূচনা মারফত দক্ষিণ করিমগঞ্জ বিধান সভা সমষ্টির রাতাবাড়ী থানার অন্তর্গত বাজারঘাটে একটি উন্নয়ণ খণ্ড স্থাপনের সিদ্ধান্ত অনুযায়ী উক্ত আদেশ কার্য্যকরী করার জন্য চলিত অর্থ বছ্রে কি কি পদক্ষেপ নেওয়া হয়েছে ?

(খ) চলিত অর্থ বছ্রে (৯৩-৯৪ ইং) বাজেটে অন্তর্ভুক্ত করতঃ অর্থ বরাবদ করারজন্য কি কি কার্য্যকরী পদক্ষেপ নিয়েছেন ?

(গ) আসামের পঞ্চায়েত ও গ্রামোন্নয়ণ রাজ্যমন্ত্রী কর্ত্তৃক করিমগঞ্জ D.C. কে পত্র No.-MS/MPRD/7/93/96 dtd.3/9/93 তারিখে প্রদত্ত পত্র অনুযায়ী করিমগঞ্জ জিলাধিপতি কি কি কার্য্যকরী পদক্ষেপ নিয়েছেন, বিশদ তথ্য সদনের মেঝে দাখিল করবেন ?

শ্রীগৌতম ৰয় (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈ কোনো সিদ্ধান্ত লোৱা হোৱা নাই ।

(খ) পুঁজি সাপেক্ষে কাৰ্য্যকৰী ব্যৱস্থা লোৱা হব ।

(গ) জিলা উপায়ুক্তৰ পৰা প্ৰতিবেদন পালে বিহিত ব্যৱস্থা লোৱা হব ।

**Re : Collection of Sales Tax.**

**Shri Hitendra Nath Goswami** asked :

221. Will the Minister of Finance be pleased to state ;

(a) Whether it is a fact that the amount of Sales tax collected in the State is not even 20% of what should actually have been collected ?

(b) If so, what steps Government is contemplating to arrest such leakage ?

(c) Is it a fact that Bongaigaon Refinery and Petro-Chemicals Ltd. alone evaded tax on a turn over of Rs.200 crores as reported in the daily news paper the North-East observer on 14-6-93, if so, what

steps Government has taken to realise the tax from the company.

**Shri Jiba Kanta Gogoi (Minister of Finance)** replied ;

(a) Yes.

(b) Govt. is taking steps to strengthening the check gates and also taking vigorous steps to prevent tax evasion.

(c) No.

**Re. Production and International Market Price of Crude oil, Gas etc.**

**Shri Promode Gogoi** asked :

222. Will the Minister of Finance be pleased to state;

(a) What was the Production of the following items during 1992-93 and its value of International Market Price ?

1. Crude Oil.
2. Gas.
3. Products of Digboi, Noonmati, & Bongaigaon Refineries.
4. Coal.
5. Tea.

**Shri Jiba Kanta Gogoi** (Minister of Finance) replied;

Production during 1992-93 in the State of Assam :-

1. Crude Oil - 4.6 million M.T.
2. Gas -998.5 million cubic meter.
3. Products of Digboi, Noonmati and Bongaigaon are as below :

I. (a) Noonmati.

| | |
|---|---|
| 1. Lequid Petroleum Gas | 8596 M.T. |
| 2. Reformer Naptha | 21924 M.T. |
| 3. Motor Spirit | 87607 M.T. |
| 4. Supperior Kerosene Oil | 120520 M.T. |
| 5. Light diesel Oil | 109525 M.T. |
| 6. High Speed diesel Oil | 310201 M.T. |
| 7. L.S.H.S. | 40689 M.T. |

| | |
|---|---|
| 8. Raw Petroleum Coke | 50528 M.t. |
| (b) Bongaigaon | |
| 1. Straight run naptha | 94484 M.T. |
| 2. Mixed run naptha | 11647 M.T. |
| 3. Reformer naptha | |
| (Captive consumption) | 65513 M.T. |
| 4. Motor Spirit | 42851 M.T. |
| 5. Aviation turbine fuel | 46859 M.T. |
| 6. Supperior Kerosene Oil | 115210 M.T. |
| 7. High Speed Diesel Oil | 375595 M.T. |
| 8. Furnace Oil | 16689 M.T. |
| 9. Raw Petroleum Coke | 27037 M.T. |
| 10. Calcined Petroleum coke | 27474 M.T. |
| (c) Digboi | |
| 1. Motor Spirit 87 Petrol | 57716 M.T. |
| 2. Supperior Kerosene Oil | 53265 M.T. |
| 3. High Speed Diesel Oil | 127094 M.T. |
| 4. Furnace Oil | 129924 M.T. |
| 5. Light Diesel Oil | 72922 M.T. |
| 6. Bitumen Bulk | 12826 M.T. |
| 7. Bitumen Packed | 15163 M.T. |
| 8. Neptha | 15163 M.T. |
| 9. Miariol labicidal Oil | 13 M.T. |
| 10. Paraffin wax 140/145 PL. | 2073 M.T. |
| 11. Paraffin wax 140/145 | 25872 M.T. |
| 12. Match wax | 2451 M.T. |

II. Non formula Products & free traded products :-

| | |
|---|---|
| 1. Raw Petroleum Coke | 10076 M.T. |
| 2. Aeromek | 11067 M.T. |
| 3. Jute batchine oil | 391 M.T. |
| 4. Mineral turpentine oil | 34 M.T. |
| 5. Bankite Solvent | 306 M.T. |
| 6. Solar Oil | 116 M.T. |
| 7. Rasidum sample | 01 M.T. |
| 8. Lube based oil | 1220 M.T. |

4. Coal 0'97 Million M.T.

5. Tea- 38,78,13,000 Kgs.

International prices of Crude Oil, Coal Gas and Tea are not available.

**বিষয় ঃ জেল হাজোতৰ খৰছ ।**

**শ্ৰীচন্দন কুমাৰ চৰকাৰে সুধিছে ঃ**

২২৩। মাননীয় কাৰাগাৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

বৰ্ত্তমান অসমত কিমানজন ব্যক্তি জেল হাজোতত আছে আৰু তাৰ বাবে কিমান টকা খোৱা বাবদ দৈনিক খৰছ হয় জনাবনে ?

**শ্ৰীচামছুল হুদা (কাৰাগাৰ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)** য়ে উত্তৰ দিছে ঃ

বৰ্ত্তমান কাৰাগাৰৰ ইং ১৫/৯/৯৩ ৰ পৰিসংখ্যা মতে অসমত ৪৪৬৪ জন ব্যক্তি জেল হাজোতত আছে। তাৰ ভিতৰত ৪৩৭৫ জন পুৰুষ আৰু ৮৯ গৰাকী মহিলা।

এই হাজোতী বিলাকৰ খোৱা বাবদ দৈনিক ৪৯,১০৪ (উনপঞ্চাস হাজাৰ, এশ, চাৰি) টকা খৰছ হয়।

**বিষয় ঃ পাৰ্ব্বত্য অঞ্চলৰ নগৰ সমূহত HUDCO ৰ আচঁনি ।**

**শ্ৰীমনসিং ৰংপীয়ে সুধিছে ঃ**

২২৪। মাননীয় নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ বিভিন্ন HUDCO যোগেদি বিভিন্ন আচঁনিৰ কাৰ্য্যকৰী কৰাৰ পৰিপ্ৰেক্ষিতত তাৰে পাৰ্ব্বত্য অঞ্চলৰ নগৰ সমূহত কিমান টা আচঁনি লোৱা হৈছে।

(খ) পাৰ্ব্বত্য অঞ্চলৰ নগৰ সমিতি সমূহে এই ক্ষেত্ৰত বিভাগীয় কৰ্ত্তৃপক্ষৰ সৈতে

যোগাযোগ কৰিছেনে ?

(গ) যদি কৰিছে চৰকাৰ বা কৰ্ত্তৃপক্ষৰ তৰফৰ পৰা কি বিহীত ব্যৱস্থা লৈছে ?

(ঘ) যদি লোৱা নাই চৰকাৰে এই পাৰ্ব্বত্য অঞ্চলৰ নগৰ সমূহত এই আঁচনি প্ৰযোজ্য কৰাৰ ব্যৱস্থা কেনে ধৰণেৰে লব ?

**শ্ৰীঅঞ্জন দত্ত** (নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) অসম ৰাজ্যিক গৃহ নিৰ্ম্মান পৰিষদে অসমৰ পাৰ্ব্বত্য অঞ্চলৰ বিভিন্ন আয়ৰ মানুহৰ বাবে HUDCO ৰ যোগেদি গৃহ নিৰ্ম্মানৰ কাৰনে চাৰিটা আচঁনিৰ যোগেদি ঋণদান আচঁনি চলাই আছে ।

(খ) নাই ।

(গ) প্ৰশ্ন নুঠে ।

(ঘ) অসম ৰাজ্যিক গৃহ নিৰ্ম্মান পৰিষদৰ জৰিয়তে চাৰিটা আচঁনি চলি আছে ।

**বিষয় ঃ ৰাস্তা পুণৰ নিৰ্ম্মাণ ।**

**শ্ৰীচিত্ত ৰঞ্জন পাটোৱাৰীয়ে সুধিছেঃ**

২২৫। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গুৱাহাটী পৌৰ প্ৰশাসন এলেকাৰ ভিতৰত ৰিহাবাৰী পিয়লী ফুকন ৰাস্তাটো অতি শোচনীয় হৈ পৰিছে আৰু এই ৰাস্তাৰে যানবাহন চলাচল অসম্ভৱ হৈ পৰিছে । এই বিষয়ে চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত চলিত বিত্তীয় বছৰতে চৰকাৰে এই ৰাস্তাটো পুণৰ নিৰ্ম্মাণ কৰি যাতায়তৰ বাবে সুচল কৰি ৰাইজৰ উপকাৰ কৰাৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীশৰৎ বৰকটকী** (গড়কাপ্তানী বিভাগৰ (ৰাজ্যিক) মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) হয়, অৱগত ।

(খ) হয়, চলিত বিত্তীয় বছৰতে নিৰ্ম্মাণৰ ব্যৱস্থা কৰা হ'ব ।

**বিষয় ঃ Forest Village ত থকা সা-সুবিধা ।**

**শ্ৰীজীউৰাম বড়োয়ে সুধিছেঃ**

২২৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) Forest আৰু Forest Village ৰ পাৰ্থক্য সমূহ চৰকাৰৰ অৱগতনে ?

(খ) অসমত Forest Village ৰ সংখ্যা কিমান ?

(গ) এই Forest Village সমূহত মানুহ বসবাস কৰে নেকি আৰু যদি বসবাস কৰে ইয়াৰ লোক সংখ্যা কিমান ?

(ঘ) এই মানুহ বোৰলৈ যান বাহনৰ বাবে বাট-পথ, খোৱা পানী, পঢ়া- শুনাৰ বাবে বিদ্যালয়, চিকিৎসাৰ বাবে চিকিৎসালয় প্ৰভৃতি সা-সুবিধা দিয়া হৈছে নে ?

(ঙ) যদি দিয়া হৈছে এই গাওঁ সমূহত থকা বিদ্যালয় সমূহৰ সংখ্যা কিমান, ইয়াৰে কিমান খনক চৰকাৰী কৰণ কৰা হ'ল , আৰু চিকিৎসালয়ৰ সংখ্যা কিমান ?

(চ) যদি সা-সুবিধা দিয়া হোৱা নাই ইয়াৰ কাৰণ সমূহ অনুগ্ৰহ কৰি জনাবনে ?

**শ্ৰী হিতেশ্বৰ শইকীয়া** (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, চৰকাৰ অৱগত ।

(খ) মুঠ ৫২৪ খন ।

(গ) হয়, Forest Village ত মানুহ বসবাস কৰে আৰু তেওঁলোকৰ সংখ্যা মুঠ ১,৫০,২০৩ জন ।

(ঘ) এই সংখ্যক বন গাওঁলৈ যানবাহনৰ বাবে বাট-পথ, পঢ়া-শুনাৰ বাবে বিদ্যালয়, চিকিৎসাৰ বাবে চিকিৎসালয় আৰু খোৱা পানী যোগানৰ সাধ্যনুসাৰে সা-সুবিধা দিয়া হৈছে ।

(ঙ) উক্ত গাওঁ সমূহত মুঠ ৯ খন প্ৰাথমিক বিদ্যালয় চলি আছে । ইয়াৰোপৰি যোৱা ৭/৮ বছৰৰ ভিতৰত ৪২ খন প্ৰাথমিক স্তৰৰ বিদ্যালয়ৰ বাবে বিদ্যালয় গৃহ, শিক্ষক ও চকীদাৰৰ আবাস গৃহ নিৰ্ম্মাণ কৰা হৈছে । কিন্তু এই ৪২ খন বিদ্যালয়ত এতিয়াও শিক্ষাদান কাৰ্য্য আৰম্ভ কৰিব পৰা নাই, কিয়নো শিক্ষা বিভাগে এই গৃহ সমূহ নিজৰ অধীনলৈ নি বিদ্যালয় সমূহ চালু কৰাৰ বাবে এটা প্ৰস্তাৱ চলি আছে । বৰ্ত্তমান চলি থকা ৯ খন প্ৰাথমিক বিদ্যালয় আৰু ৪২ খন বিদ্যালয়ৰ গৃহ সমূহ শিক্ষা বিভাগলৈ হস্তান্তৰ কৰিবলৈ যোগাযোগ কৰি থকা হৈছে । গাওঁবাসী সকলক চিকিৎসা প্ৰদানৰ সুবিধাৰ্থে ৭ খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণ কৰা হৈছে আৰু স্বাস্থ্য কেন্দ্ৰ সমূহ অসম ৰাজ্যিক স্বাস্থ্য বিভাগলৈ হস্তান্তৰ কৰাৰ কাৰণে যোগাযোগ কৰি থকা হৈছে ।

(চ) পুঁজিৰ অভাৱত সকলোবোৰ গাওঁলৈ উক্ত সা-সুবিধা সমূহ আগবঢ়াব পৰা নাই ।

**বিষয় ঃ কৃত্ৰিম বানপানীৰ সৃষ্টি ।**

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই** সুধিছে ঃ

২২৭ । মাননীয় নগৰ উন্নয়ন আৰু গ্ৰাম্য পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গুৱাহাটী মহানগৰীৰ দুৰ্গাসৰোবৰ ,শান্তিপুৰ আৰু কুমাৰপাৰ অঞ্চলত এদিন বৰষুণ দিলেই পানী জমা হৈ কৃত্ৰিম বানপানীৰ সৃষ্টি কৰা কথাটো চৰকাৰ অৱগত নে ?

(খ) এই সম্পৰ্কত চৰকাৰে কি কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কেতিয়াৰ পৰা এই কাম আৰম্ভ কৰিব, জনাবনে ?

(গ) শান্তিপুৰৰ ভৰলুনদীৰ ওপৰত থকা শ্লুইচ গেটখন ভৰলু থানাৰ ওচৰৰ দলঙলৈ উঠাই নিয়াৰ ব্যৱস্থা লব নে ?

(ঘ) এই কামটো ১৯৯৩-৯৪ চনত আৰম্ভ কৰাৰ ব্যৱস্থা লব নে ?

শ্ৰীঅঞ্জন দত্ত, (নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ ৰাজ্যিক মন্ত্ৰী(স্বতন্ত দায়িত্বৰ প্ৰাপ্ত) য়ে উত্তৰ দিছেঃ

(ক) হয় ।

(খ) বৃহত্তৰ গুৱাহাটীত শান্তিপুৰ দুৰ্গা সৰোবৰ এলেকাকে ধৰি বিভিন্ন অঞ্চলৰ পানী নিস্কাকৰন সমস্যাটো সমাধানৰ কাৰনে গড়কাপ্তানী বিভাগৰ আয়ুক্ত সভাপতি হিচাপে লৈ এখন কমিটি গঠন কৰি দিয়ে ।এই কমিটিয়ে দাখিল কৰা প্ৰতিবেদন মতে গুৱাহাটী পৌৰ নিগমে ৩০,০০,০০০.০০ টকাৰ শান্তিপুৰ, দুৰ্গা সৰোবৰ এলেকাৰ্ত জমা হোৱা পানী ভৰলুলৈ উলিয়াই দিয়াৰ বাবে এখন আচঁনি প্ৰস্তুতিৰ বাবে কাম হাতত লৈছে । এই সম্পৰ্কে বিশদ প্ৰতিবেদনৰ বাবে গুৱাহাটী পৌৰ নিগমৰ মূখ্য অভিযন্তা (চিফ ইঞ্জিনিয়াৰ) ক ন্যস্ত কৰা হৈছে ।

(গ) এই বিভাগৰ দায়িত্ব নহয় ।

(ঘ) প্ৰশ্ন নুঠে ।

**Re. : Repairing of Khagrabari First Aid Centre**

**Shri Karendra Basumatary** asked ;

228. Will the Minister of Veterinary be pleased to state :

(a) What measures have been taken by the Veterinary Department regarding the following works for early implementation ?

(i) Repairing of Khagrabari First Aid Centre as per Government letter vide letter No.DDV/G/SC/Const./1991-92/9381 dtd. Mangaldoi 8th Feb/92 (9-6-92).

(b) Repairing of Pachim Patla State Vety. Dispensary Building etc. as per Government Memo No.DDV/G/SC/Const/92-93/549-52 dtd. Mld. 9th June/92.

(c) New Scheme of Malmura (Gopchachuba G.P.) to establish a

new Vety. Dispensary, a Feasibility report was required as per Government letter No.DDV/TSP/Disp/92-93 dtd. Mangaldoi 9th June/92.

(d) New scheme of purandia.

**Shri Jagannath Sinha,** (Minister, Veterinary) replied :

(a) (i) The letters indicated in the Question are not Govt. letters. This letter was issued by District A.H. & Veterinary Officer, Mangaldoi. The Department has not been able so far to take-up repair works of Khagrabari First Aid Centre due to shortage of funds in Non-Plan budget.

(b) This letter was issued by District A.H. & Veterinary officer, Mangaldoi. Due to Shortage of fund, no repair works is being taken so far.

(c) This letter was issued by District A.H. & Veterinary Officer, Mangaldoi. No such schemes has so far been taken up. However, District Veterinary Officer, Darrang has been requested to include the scheme in De-Centralised Plan in consultation with the Deputy Commissioner.

(d) No such scheme has been taken up.

বিষয় ঃ পশু ডাক্তৰখানাৰ অৱস্থা

**মোঃ মহিবুল হকে সুধিছে ঃ**

২২৯। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত গেৰামাৰী (S/C) পশু ডাক্তৰখানাটো মৃত প্ৰায় অৱস্থাত থকাটো চৰকাৰৰ অৱগতনে ?

(খ) ইয়াৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে ?

(গ) যদি লোৱা নাই, কেতিয়া লব ?

**শ্ৰীজগন্নাথ সিনহা (পশুপালন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) গেৰামাৰীত পশু চিকিৎসালয় নাই, এটি উপকেন্দ্ৰহে আছে। উপকেন্দ্ৰটোৰ ঘৰ দুৱাৰৰ মেৰামতিৰ প্ৰয়োজন হোৱাৰ কথা চৰকাৰৰ জ্ঞাত।

(খ) হয় লৈছে। ধনৰ অভাৱৰ কাৰণে মেৰামতিৰ কাম হাতত লব পৰা হোৱা নাই।

(গ) পুঁজিৰ ব্যৱস্থা হলে মেৰামতিৰ ব্যৱস্থা সোনকালে কৰা হব।

**বিষয় ঃ "লুইতপৰীয়া আৰু ব্ৰহ্মপুত্ৰ দুগ্ধ উন্নয়ণ পাম"**

শ্ৰীনিজামুদ্দিন খানে সুধিছে ঃ

২৩০। মাননীয় চৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) লুইত পৰীয়া দুগ্ধ উন্নয়ণ পাম আৰু ব্ৰহ্মপুত্ৰ দুগ্ধ উন্নয়ণ পাম (বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত) খোলাটো সচাঁনে ?

(খ) যদি সচা, উক্ত পাম দুটিত কিমানজনী গাইগৰু ৰখা হৈছে ?

(গ) উক্ত পাম দুটিৰ কাৰণে গাইগৰু কিনা বাবদ চৰ উন্নয়ণ কৰ্ত্তৃপক্ষৰ পৰা কিমান টকা, কাক কেতিয়া দিয়া হৈছে ?

(ঘ) বৰ্ত্তমানে উক্ত পাম দুটাত গাইগৰু বিলাক আছে নে ?

(ঙ) যদি আছে, ক'ত ৰখা হৈছে ?

(চ) পাম দুটাৰ কাৰণে Maintenance ৰ বাবে কিমান টকা খৰছ কৰা হৈছে ?

(ছ) এই সম্পৰ্কত তদন্ত কৰি বিহিত ব্যৱস্থা লবনে ?

শ্ৰীদিলদাৰ ৰেজ্জা ( চৰ উন্নয়ণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সচাঁ।

(খ) লুইতপৰীয়া দুগ্ধ সমবায় সমিতিক ৫ জনী আৰু ব্ৰহ্মপুত্ৰ দুগ্ধ সমবায় সমিতিক ১০ জনী গাই গৰু চৰ উন্নয়ণ কৰ্ত্তৃপক্ষৰ পৰা দিয়া হৈছে।

(গ) গাই গৰু দিয়া বাদে নগদ টকা দিয়া হোৱা নাই।

(ঘ) আছে।

(ঙ) সমিতিৰ নিজা তত্বাবধানত ৰখা হৈছে।

(চ) চৰ উন্নয়ণ কৰ্ত্তৃপক্ষৰ পৰা "Maintenance" ৰ কাৰণে কোনো টকা খৰছ কৰা নাই।

(ছ) প্ৰয়োজন হলে লোৱা হব।

**বিষয় ঃ কাঁচা ৰাস্তাত ব্ৰীজ।**

শ্ৰীমদুসূদন তেওয়ারী জিজ্ঞাসা করছেন ঃ

২৩১। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ?

(ক) পাথারকান্দি সমষ্টিতে গড়কাপ্তানি বিভাগের অধীনে কতটি কাঁচা রাস্তা আছে এবং তাহাদের নাম কি ও কত কিলোমিটার ?

(b) Repair works will be taken up on availability of fund.

**বিষয় ঃ গড়কাপ্তানী বিভাগৰ C.R.F.**

**শ্ৰীযতীন মালীয়ে সুধিছে ঃ**

২৩৪। মাননীয় গড়কাপ্তানী (ভেয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানী বিভাগত C.R.F. কি আৰু ইয়াৰ প্ৰধান উদ্দেশ্য কি কি ?

(খ) অসমত C.R.F. কেতিয়াৰ পৰা প্ৰযোজ্য হৈছে জনাবনে ?

(গ) C.R.F. ৰ টকা অনুমোদন দিওঁতে আচঁনি বাচনিৰ প্ৰকিয়াৰ মূল ভেটি কি ?

(ঘ) C.R.F. শিতানত আচঁনি লোৱা সম্পৰ্কত পক্ষপাতিত্ব মূলক হোৱা বুলি উঠা অভিযোগ কিমান দূৰ সত্য ?

(ঙ) ১৯৮৫ চনৰ ২৪ ডিচেম্বৰৰ পৰা ১৯৯৩ চনৰ ৩০ জুন পৰ্য্যন্ত উক্ত শিতানত (C.R.F.) কি কি আচঁনি লৈছিল আৰু আচঁনিৰ বিপৰীতে কিমান টকা দিছিল জনাবনে ?

**শ্ৰীশৰৎ বৰকটকী (গড়কা প্তানী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) C.R.F. মানে Central Road Fund. কেন্দ্ৰীয় চৰকাৰৰ পৰা এই শিতানত পোৱা পুঁজিৰে সীমিত সংখ্যক বিভিন্ন উন্নয়ণ মূলক কাম সম্পন্ন কৰাই ইয়াৰ প্ৰধান উদ্দেশ্য ।

(খ) ১৯৫০ চনৰ পৰা ।

(গ) কেন্দ্ৰীয় চৰকাৰৰ নীতি অনুসৰি আৰু অনুমোদন সাপেক্ষে তলত দিয়া বিষয় সমূহক আচঁনিৰ বাচনি প্ৰক্ৰিয়াৰ মূল ভেটি হিচাবে লোৱা হয় ঃ

(a) Road Research and intelligence scheme.

(b) Traffic Study and economic Survey.

(c) Training Arrangement for young engineers.

(d) Schemes of all India importance such as those leading to the removal of regional imbalance e.g. Development of Tribal and Backward regions, Promoting inter-state communication facilities etc. etc.

(ঘ) এনে অভিযোগৰ বিষয়ে গড়কাপ্তানি বিভাগ জ্ঞাত নহয় ।

(ঙ) আচঁনি সমূহৰ এখন তালিকা পৰিশিষ্ট 'ক' ত দিয়া হ'ল ।

(See the Annexure IV)

## Re.: Schemes entrusted to the District Council

**Shri Dipendra Rongpi** asked :

235. Will the Minister of Veterinary be pleased to state :

(a) What was the Govt. Memorandum of 1979 regarding the transferred of Veterinary Department to the District Councils ? (Please furnish the copy of Memorandum).

(b) Will the Govt. be pleased to state upto what level of schemes that were entrusted to District Councils ?

(c) Whether it has been working and administered by the District Councils according to the said Memorandum ?

(d) If not why ?

**Shri Jagannath Sinha,** (Minister of Veterirnary) replied :

(a) The Govt. Memorandum No. HAD.218/77/155 dtd.14-11-79 and O.M. No.HAD.47/89/Pt-III/67 dtd. 6th November, 1992 envisaged that certain functions of some Development Departments including Animal Husbandry & Veterinary will be entrusted to the Karbi Anglong and North Cachar Hills District. Councils under certain terms and conditions. The copies of the two Memorandum are furnished with this reply. (See the Annexure V)

(b) All Schemes, other than those which are experimental in nature and/or concern both the Hill Districts, are transferred.

(c) In pursuance of the said Memorandum, so far as the Veterinary Department is concerned, the arrangment has been working well and there have been no complaints.

(d) Does not arise in view of (c) above.

## বিষয় ঃ টিহুৰ পৰা বনগাঁওলৈ যোৱা গড়কাপ্তানী পথ ।

ডাঃ কৃষ্ণ কান্ত লহকৰে সুধিছে ঃ

২৩৬। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) টিহুৰ পৰা বনগাওঁলৈ যোৱা গড়কাপ্তানী বিভাগৰ পথটোৰ শোচনীয় অৱস্থাৰ

কথা চৰকাৰে জানে নে ?

(খ) উক্ত পথটোৰে বৰ্ত্তমান যানবাহন চলাচল কৰিব নোৱাৰা হোৱা কথা চৰকাৰে জানে নে ?

(গ) যদি জানে, তেন্তে উক্ত পথটোৰ অতি সোনকালে উন্নতিৰ ব্যৱস্থা গ্ৰহণ কৰা হব বুলি বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা প্ৰতিশ্ৰুতি পাব পাৰোনে ?

**শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) ৰাজ্যিক মন্ত্ৰী)** য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে ।

(খ) হয়, জানে ।

(গ) প্ৰয়োজনীয় ধনৰ ব্যৱস্থা কৰিব পাৰিলেই উন্নতিৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব ।

**বিষয় ঃ ডাংতলা উন্নয়ণ খণ্ডৰ জৱাহৰ ৰোজগাৰ যোজনা আচঁনি ।**

**শ্ৰীফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ**

২৩৭। মাননীয় গ্ৰাম্য উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯২-৯৩ চনৰ বিত্তীয় বছৰটোত ডাংতলা উন্নয়ণ খণ্ডত জৱাহৰ ৰোজগাৰ যোজনা আৰু MWS ৰ অধীনত কিমান টা আচঁনি গ্ৰহণ কৰা হৈছিল ?

(খ) উক্ত আচঁনি বোৰৰ এটা আচঁনিৰো কাম সম্পুৰ্ণ নোহোৱা কথাটো সচাঁনে ?

(গ) যদি হোৱা নাই এই সংক্ৰান্তত চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

**শ্ৰীগৌতম ৰয় (ৰাজ্যিক গ্ৰামোন্নয়ণ বিভাগৰ মন্ত্ৰী)** য়ে উত্তৰ দিছে ঃ

(ক) জৱাহৰ ৰোজগাৰ যোজনাত ৪৪ টা আৰু নিযুত কুঁৱা (M.W.S.) আচঁনিৰ অধীনত ২১ টা ।

(খ) সচাঁ নহয় ।

(গ) প্ৰশ্ন নুঠে ।

**বিষয় ঃ লুটুমাৰী Forest reserve.**

**শ্ৰীগহীন চন্দ্ৰ দাসে, সুধিছে ঃ**

২৩৮। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) নগাঁও জিলাৰ অন্তৰ্গত লুটুমাৰী Forest reserve টোৰ গছবোৰ কাটি মুকলি কৰাৰ আঁচনি চৰকাৰে গ্ৰহণ কৰিছে নেকি ?

(খ) যদি কৰিছে তেন্তে কিমান দিনৰ আগৰ পৰা এই আচঁনি হাতত লৈছে সদনক জনাবনে ?

**শ্ৰী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)** য়ে উত্তৰ দিছে ঃ

(ক) কৰা নাই ।
(খ) প্ৰশ্ন নুঠে ।

**Re. : Untied Fund**

**Shri Anowar Hussain** asked;

239. Will the Minister of Plannning & Development be pleased to state :

(a) Whether the Govt. have notice that in 1991-92, about Rs.14.13 lakhs were alloted for Bilashipara Sub-division under Untied Fund ?

(b) What is the amount sanction in the year 1992-93 ?

(c) Whether the Untied Fund has been released ?

(d) If so, how much and when would the Government release full amount ?

**Shri Hitesewar Saikia,** (Chief Minister) replied :

(a) Yes, During 1991-92 an amount of Rs.14.13 lakhs was allocated under untied fund for Bilashipara Sub-division.

(b) The sanction amount under untied fund 1992-93 for Bilashipara Sub-division was Rs.8.26 lakhs. But fund released as per LOC was Rs.6.76 lakhs only.

(c) & (d) Rs. 14.13 lakhs and Rs.6.76 lakhs respectively were released to the sub-division, during the year 1991-92 and 1992-93. The amounts released were as per LOC for the respective year.

**Re. : Repair of Balti River Bridge .**

**Shri Derhagra Mochahary asked :**

240. Will the Minister of P.W.D. (Plains) be pleased to state.

(a) Whether Government has proposed to repair Balti River Bridge near Nagrijuli and Tengajhar Bridge near Muharipara (Gareswar) for use of Moton Bus Communication ?

(b) If so, when the repairing will be started ?

**Shri Sarat Borkotoky (Minister of the State P.W.D. (Plains))** replied :

(a) Yes.

(b) The repair works of the Balti River Bridge has already been started and repairing works of Tengajhar Bridge is being started soon.

বিষয় ঃ কৰিমগঞ্জ জিলায় নতুন Scheme য়েৰ ব্যৱস্থা ।

শ্রীপ্রণব কুমাৰ নাথ জিজ্ঞাসা করছেন ঃ

২৪১। মাননীয় মুখ্যমন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলার নিম্নোক্ত Scheme গুলো ৯৩-৯৪ অর্থ বছরের বাজেটে অন্তর্ভূক্ত করত ঃ অর্থ মঞ্জুরীর ব্যৱস্থা করবেন কি ?

(১) বাজারঘাটে একটি নতুন খণ্ড উন্নয়ন কার্য্যালয় স্থাপন ।

(২) নিলামবাজারে ত্রিশ শয্যা বিশিষ্ট হাস্পাতাল স্থাপন ।

(৩) ফাকুয়াগ্রাম নগেন্দ্র নগরে ব্রজেন্দ্র নগর, বরূয়ালা, নালায়পার এলাকায় প্রাথমিক স্বাস্থ্য কেন্দ্র স্থাপন ।

(৪) বারৈগ্রাম পেচরপার সড়কে এবং কায়স্থ গ্রাম সিঙ্গাঁরিয়া সড়কে রেলওয়ে গেইট স্থাপন ।

(৫) করিমগঞ্জে অসম রাজ্যিক পিছপড়া শ্রেণী উন্নয়ন নিগমের শাখা কার্য্যালয় স্থাপন।

(৬) করিমগঞ্জ জিলায় একটি নতুন Police Battalion প্রধান কার্য্যালয় দক্ষিণ করিমগঞ্জ সমষ্টির ইরালীগুলে স্থাপন ।

শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) (১) এখন পর্য্যন্ত অর্থ মঞ্জুরীর সিদ্ধান্ত গ্রহন করা হয়নি ।

(২) নিলামবাজারে ত্রিশ শয্যা বিশিষ্ট গ্রাম্য হাস্পাতাল নির্ম্মাণের জন্য মডেল প্ল্যান ও এষ্টিমেট মতে সরকারী পত্র নং HLA.142/93/4 dated. 30-3-93. যোগে ২০ লাখ টাকা প্রশাসনীয় অনুমোদন জানান হয়েছিল ।

(৩) নগেন্দ্র নগর এবং বারুয়ালাতে প্রাথমিক স্বাস্থ্য কেন্দ্র নির্ম্মাণের জন্য মডেল প্ল্যান ও এষ্টিমেট মতে প্রত্যেকটির জন্য ১২ লাখ টাকার (সরকারী পত্র নং HLA.142/93/4 Dtd. 30.3-93 যোগে) প্রশাসনীয় অনুমোদন দেওয়া হয়েছিল ।

ফাকুয়াগ্রাম, নালায়পার ও ব্রজেন্দ্র নগরেও প্রাথমিক স্বাস্থ্য কেন্দ্র স্থাপনের প্রস্তাৱ আছে। পুঁজি কম হওয়ার জন্য উক্ত প্রকল্প কয়টির প্রশাসনীয় অনুমোদন চলিত বছরেদেওয়া সম্ভৱ হবেনা ।

(৪) বারৈ গ্রাম পেচারপার রাস্তায় রেলওয়ে লেভেল ক্রসিং নির্ম্মানের জন্য প্রয়োজনীয়

অর্থ-পুঁজি গড়কাপ্তানী বিভাগ দ্বারা রেলওয়েকে জমা দেওয়া হয়েছে । কায়স্থ গ্রাম সিঙ্গারিয়া রাস্তায় রেলওয়ে লেভেল ক্রসিং নির্ম্মানের ব্যাপারে ৪৪ নং নেচনেল হাইওয়েতে বর্ত্তমান থাকা রেলওয়ে ক্রসিং থেকে ৪০০ মিটারের মধ্যে দ্বিতীয় ক্রসিং বসানো রেলওয়েরপক্ষে অসামর্থতা জানিয়েছে, গতিকে প্রস্তাবটি বাতিল করা হয় ।

(৫) না ।

(৬) করিমগঞ্জ জিলায় পুলিচ বেটেলিয়ানের প্রধান কার্য্যালয় স্থাপনের কোনো সিদ্ধান্ত গৃহ বিভাগ দ্বারা গ্রহণ করা হয়নি ।

**বিষয় ঃ পশু চিকিৎসালয় নির্ম্মাণ ।**

**শ্রীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ**

২৪১। মাননীয় পশু পালন বি ভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) যোৰহাট জিলাৰ অন্তর্গত টিয়ক সমষ্টিত বত্তমানলৈকে প্রস্তাবিত কিমান কেইখন পশু চিকিৎসালয় নির্ম্মানৰ কাম বন্ধ ৰখা হৈছে ?

(খ) বনাই পথালিয়ালত ১৯৮৮ চনৰ পৰা অসম্পূর্ণ হৈ থকা পশু চিকিৎসালয়খন সম্পূর্ণ কৰি ব্যৱহাৰ উপযোগী কৰিব জনাবনে ?

(গ) ভগামূখ পশুচিকিৎসালয়ত ডাক্তৰ আৰু ঔষধত ব্যৱস্থা কৰিবনে ?

**শ্রী জগন্নাথ সিনহা (পশুপালন মন্ত্রী) য়ে উত্তৰ দিছে ঃ**

(ক) কোনো পশু চিকিৎসালয়ৰ নির্ম্মানৰ কাম বন্ধ ৰখা নাই ।

(খ) পশু চিকিৎসালয়ৰ গৃহ নির্ম্মানৰ কাম এই বছৰতে সম্পূর্ণ হৈ উঠিব । পদ সৃষ্টিৰ কাৰণে উপযুক্ত ব্যৱস্থা হাতত লোৱা হৈছে ।

(গ) পদ সৃষ্টিৰ বাবে প্রয়োজনীয় ব্যৱস্থা হাতত লোৱা হৈছে । পশু চিকিৎসকৰ নিযুক্তি হোৱাৰ লগে লগেই ঔষধৰ ব্যৱস্থাও কৰিব পৰা হব ।

**বিষয় ঃ গ্রাম্য উন্নয়ন বিভাগৰ আধৰুৱা কাম ।**

**শ্রীচন্দন কুমাৰ চৰকাৰে সুধিছে ঃ**

২৪৩। মাননীয় গ্রাম্য উন্নয়ণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) বঙ্গাইগাওঁ জিলাত নতুন কৈ পিঃ ডিঃ নিযুক্তি হৈছে কিন্তু গোৱালপাৰাৰ পিঃ ডিঃ য়ে আজিলৈকে বঙ্গাইগাওঁ জিলাত ১৯৯১-৯২ ৰ আধৰুৱা কামবোৰ কিয় আজিলৈকে নকৰিলে জনাবনে ?

(খ) বঙ্গাইগাওঁ জিলাত পাব লগা ডি আৰ ডি এ টকা গোৱালপাৰা পিঃ ডিঃ অফিচত জমা আছে উক্ত টকা ঘূৰাই দিব নেকি ?

**শ্ৰীগৌতম ৰয় (ৰাজ্যিক গ্ৰাম্য উন্নয়ন বিভাগৰ মন্ত্ৰী)** য়ে উত্তৰ দিছেঃ

(ক) বঙ্গাইগাওঁ জিলাৰ অধীনত আধৰুৱা হৈ পৰি থকা কাম বোৰ এই কাৰণে কৰা হোৱা নাছিল যে, পাবলগীয়া ধনৰ আৰু নিৰ্ম্মান সামগ্ৰীৰ শিতানৰ হিচাব-নিকাছ চুড়ান্ত হোৱা নাছিল । এই হিচাব নিকাচ বোৰৰ এতিয়া প্ৰায় চুড়ান্ত ৰূপ পোৱা গৈছে আৰু কামবোৰ অনতি পলমে আৰম্ভ কৰাৰ ব্যৱস্থা লোৱা হৈছে ।

(খ) বঙ্গাইগাওঁ ডি আৰ ডি এ ৰ অন্তৰ্গত তদানীন্তন উন্নয়ন খণ্ড সমূহলৈ গোৱালপাৰা জিলাত অন্তৰ্ভুক্ত থকা অবস্থাত সময়মতে টকা মোকলাই দিয়া হৈছিল । টকাৰ নাটনিত কিছুটকা দিব লগা আছিল আৰু বৰ্ত্তমান হিচাব-নিকাচ কৰি আগৰ কেইবছৰৰ আধৰুৱা কামৰ বাবদ গোৱালপাৰাৰ পৰা ৩ লাখ টকা বঙ্গাইগাওঁ ডি আৰ ডি এ ক দিবলৈ গোৱালপাৰা জিলাৰ ডি আৰ ডি এ ৰ পৰিচালনা সমিতিয়ে ইং ৩০-৯-৯৩ তাৰিখৰ বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰে, আৰু কিবা দিব লগা থাকিলে গাননিকৰ হিছাব সম্পূৰ্ণ হোৱা পিছত বিবেচনা কৰিব পৰা হব ।

**বিষয় ঃ পৰিকল্পনাৰ ধন ।**

**শ্ৰীনগেন শৰ্ম্মাই** সুধিছেঃ

২৪৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯২-৯৩ চনৰ পৰিকল্পনাৰ ধনৰ কিমান পৰিমানৰ ধন খৰছ কৰা হৈছে জনাবনে ?

(খ) মহকুমা পৰিকল্পনাৰ বাবে বিভিন্ন বিভাগত কিমান টকা ধৰা হৈছে আৰু উক্ত বছৰত বিভিন্ন বিভাগত কিমান টকা খৰছ কৰা হৈছে জনাবনে ঃ

**শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)** য়ে উত্তৰ দিছেঃ

(ক) ১৯৯২-৯৩ চনত পৰিকল্পনাৰ ধন মুঠ ৬৪৯.১৫ কোটি টকা খৰছ হৈছে ।

(খ) ১৯৯২-৯৩ চনৰ মহকুমা পৰিকল্পনাৰ বাবে সংশোধিত আবণ্টিত ধনৰ পৰিমান আছিল মুঠ ৩৫,৩৯৪.৫৪ লাখ টকা আৰু খৰছৰ পৰিমান আছিল মুঠ ২৯,৭৩৬.৬২ লাখ টকা ।

**Re. : Appointment of Forester.**

**Shri Chittaranjan Patowary** asked :

245. Will the Chief Minister be pleased to state :

(a) Will the Government let the house know about the appointment of Forester Grade - I & II districtwise and what were the norms

applied for appointment of candidates ?

(b) Whether there was a letter written to the Conservator of Forest, Central Assam Circle by the Conservator of Forest (HQ) Meghalaya, Shillong on 06-11-1992 to stop illegal Transportation of Logs from Assam to Meghalaya ? If so, action taken thereof ?

**Shri Hiteswar Saikia** (Chief Minister) replied :

(a) The appointment of Forester-I was made on the basis of the vacancies in the different forest Divisions in different districts. No appointment was made in respect of Forester-II since this is a promotional post. The districtwise figures could not be furnished as no specific period during which appointment was made has been mentioned in the question .

The norms for appointment for Forester-I are as follows :-

(i) Calling for submission of application from eligible candidates through News papers.

(ii) Constitution of a Selection Committee.

(iii) Holding of written test, physical test and Viva-Voce (Interview).

(b) Yes, the Conservator of Forests, Central Assam Circle instructed Divisional Forest Officers, Kamrup East and Kamrup West Division not to allow movement of Sal timbers from Meghalaya till proper joint enquiry with Meghalaya Forest Department is done.

বিষয় ঃ দীপৰ বিল ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

২৪৬। মাননীয় বন্যপ্ৰাণী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দীপৰ বিলটো মীন বিভাগৰ পৰা Wild life বিভাগলৈ স্থানান্তৰ কৰা কথাটো সচাঁনে ?

(খ) যদি সচাঁ, মীন বিভাগৰ পৰা wild life বিভাগলৈ অনাৰ কাৰণ কি ?

(গ) দীপৰ বিলৰ কাষেৰে ৰেলেৰে ব্ৰডগজ লাইন , নিচেই ওচৰত এয়াৰপৰ্ট আৰু ইটাৰ উদ্যোগ বিলাক থকাৰ পিছত বিলটো কি ভিত্তিত "বনপক্ষী সংৰক্ষন" হিচাবে আচঁনি লৈছে জনাবনে ?

(ঘ) ৰাইজৰ দাবী ও মাছমৰীয়া সকলৰ দুৰ্য্যোগ ও কাৰিকৰী অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি উক্ত বিলটো wild life বিভাগৰ পৰা পুনৰ মীন বিভাগলৈ স্থানান্তৰ কৰাৰ সিদ্ধান্ত চৰকাৰে লবনে ?

**শ্ৰী চামছুল হুদা (বন্যপ্ৰাণী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) মীন বিভাগৰ পৰা হস্তান্তৰ হোৱা কথা সচাঁ নহয় । প্ৰকৃততে ৰাজহ বিভাগৰ অধীনত থকা এই বিল ১৯৮৯ চনত বন্যপ্ৰাণী (সংৰক্ষন) আইন, ১৯৭২ অনুসৰি অভয়াৰণ্য হিচাবে গঠন কৰাৰ সিদ্ধান্ত ঘোষনা কৰা হয় ।

(খ) দীপৰ বিল এলেকা বন্যপ্ৰাণী সংৰক্ষনৰ দিশৰ পৰা এক গুৰুত্বপূৰ্ণ অৱস্থান । উক্ত এলেকালৈ অতীজৰে পৰা বন্যপ্ৰাণী ও পৰিভ্ৰমী চৰাই প্ৰতিবছৰে অহাটো সৰ্ব্বজনবিদিত। দেশীয় চৰাইৰ বাবেও দীপৰ বিল এক আশ্ৰয়স্থল । এই এলেকাৰ ভৌগলিক অৱস্থিতি, উদ্ভিদ আৰু প্ৰাণীজগতৰ গুৰুত্বপুৰ্ণ প্ৰাচুয্যই দীপৰ বিল অভয়াৰণ্য হিচাবে ঘোষণা কৰাৰ প্ৰধান কাৰন ।

(গ) ওপৰৰ (খ) প্ৰশ্নৰ উত্তৰত কোৱামতে দীপৰ বিলক অভয়াৰণ্য হিচাবেহে গঠন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয় । দীপৰ বিলৰ দক্ষিন পাৰেৰে নিৰ্ম্মিয়মান ব্ৰডগজ লাইন ও উক্ত এলেকাৰ প্ৰায় ১০ কিলোমিটাৰ আঁতৰত অৱস্থিত বিমানঘাটি আৰু কাষৰ ইটাৰ উদ্যোগত বন্যজীৱ-জন্তু ও পক্ষী সমাবেশৰ বাবে বিশেষ অন্তৰায় নহয় ।

(ঘ) বন্যপ্ৰাণী বিভাগৰ পৰা অন্য কোনো বিভাগলৈ হস্তান্তৰ কৰাৰ প্ৰশ্ন নুঠে ।

**বিষয় ঃ R.C.C. দলং ।**

**মোঃ মহিবুল হকে সুধিছে ঃ**

২৪৭। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গৌৰীপুৰ সমষ্টিৰ ৰুপচীৰ কাঠৰ দলং খনক R.C.C. দলং কৰাৰ বাবে চৰকাৰে কিবা আচঁনি লবনে ?

(খ) যদি লয়, কেতিয়া লোৱা হ'ব ?

(গ) যদি নহয়, কি কাৰণত নহয় ?

**শ্ৰীশৰৎ বৰকটকী গড়কাপ্তানী( ভৈয়াম) বিভাগৰ ৰাজ্যিক মন্ত্ৰী য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমান চৰকাৰৰ হাতত তেনে কোনো আচঁনি নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) পুঁজিৰ অভাৱ ।

**বিষয় ঃ গড়কাপ্তানী পথৰ দলং ।**

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

২৪৮। মাননীয় গড়কাপ্তানী (ভেঁয়াম ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) সাতপখলী গড়কাপ্তানী পথ আৰু সাতপখলী M.V. স্কুল গড়কাপ্তানী পথৰ আটাইকেইখন দলং ভাঙি থকাটো সচাঁনে ?

(খ) বিশেষকৈ সাতপখলী গড়কাপ্তানী পথৰ দুয়োখন দলং ভাঙি থকা হেতুকে Road Closed কৰি দিয়াটো সচাঁনে ?

(গ) প্ৰায় সাতহাজাৰ জনসংখ্যাৰে পৰিপূৰ্ণ গাওঁ (সাতপখলী) খনৰ একমাত্ৰ গড় কা প্তানী পথাটোৰে দলং কেইখন বিগত এবছৰে পুনৰ নিৰ্ম্মান অথবা মেৰামতি নকৰাৰ কাৰণ জনাবনে ?

(ঘ) উল্লেখিত দলং কেইখন সোনকালে পুনৰ নিৰ্মাণ অথবা মোৰামতি কৰা দিহা কৰিবনে ?

শ্ৰীশৰৎ বৰকটকী, (গড়কাপ্তানী বিভাগৰ (ভেঁয়াম) ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) সাতপখলী গড়কাপ্তানী পথৰ প্ৰথম খন দলংৰ (দলং নং ১।১) বাহিৰে বাকী বোৰ দলং ভাঙি থকা কথাটো সচাঁ ।

(খ) হয়, সচাঁ ।

(গ) বিত্তীয় অনাটনৰ কাৰণে মেৰামতি কৰিব পৰা হোৱা নাই ।

(ঘ) উল্লেখিত দলং কেইখনৰ পুনৰ নিৰ্ম্মাণৰ কাম চলিত বিত্তীয় বছৰত হাতত লোৱাৰ সম্ভাৱনা আছে । ইতিমধ্যে ৩ (তিনি) খন দলং আৰু সংলগ্ন পথৰ মেৰামতিৰ বাবদ বান বিধস্ত মেৰামতি (F.D.R.) শিতানত ১.২৫ লাখ টকাৰ অনুমোদন পোৱা হৈছে ।

**বিষয় ঃ পাঠশালাৰ পৰা সৰ্থেবাৰী গড়কাপ্তানী পথ ।**

ডাঃ কৃষ্ণকান্ত লহকৰে, সুধিছে ঃ

২৪৯। মাননীয় গড়কাপ্তানী (ভেঁয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বজালী মহকুমাৰ পাঠশালাৰ পৰা সৰ্থেবাৰীলৈ যোৱা ডঃ জিনাৰাম ৰাস্তাটোৰ শোচনীয় অৱস্থাৰ প্ৰতি চৰকাৰ জ্ঞাতনে ? যদি জ্ঞাত ইয়াৰ উন্নতিৰ কি ব্যৱস্থা লোৱা হৈছে জনাবনে ।

(খ) উক্ত পথটোৰ খাৰসখা নদীৰ ওপৰত নির্ম্মাণ কৰি থকা দলংখন আজিলৈকে সম্পূর্ণ নোহোৱা কথাটো চৰকাৰৰ জ্ঞাতনে ?

(গ) যদি জ্ঞাত, তেন্তে এই দলংখন কেতিয়া সম্পূর্ণ কৰা হব জনাবনে ?

**শ্রীশৰৎ বৰকটকী, (গড়কাপ্তানী (ভেয়াম) বিভাগৰ ৰাজ্যিক মন্ত্রী)**য়ে উত্তৰ দিছে ঃ

(ক) হয়, জ্ঞাত । আৱশ্যকীয় পুঁজিৰ অভাবত মেৰামতিৰ কাম হাতত লব পৰা হোৱা নাই ।

(খ) হয়, জ্ঞাত ।

(গ) ১৯৯৪ চনৰ মার্চ মাহৰ ভিতৰত সম্পূর্ণ হোৱাৰ আশা আছে ।

**বিষয় ঃ বনাঞ্চলৰ মাটি বিক্রী ।**

**শ্রীগহীন চন্দ্র দাসে,** সুধিছে ঃ

২৫০। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) কামৰূপ পূৰ সংমণ্ডল আৰু পশ্চিম সংমণ্ডলৰ ৰানী বনাঞ্চল, লোহাৰ ঘাট বনাঞ্চল আৰু কুলচী বনাঞ্চলত শাল, চেগুণ গছবোৰ কাটি মেঘালয়ৰ Passing Hammer মাৰি অবৈধ বিক্রী হৈ থকাটো চৰকাৰে জানেনে আৰু যদি জানে কিমান দিনৰ পৰা এই ব্যৱসায়টো চলি আছে ?

(খ) কুলচী Range অত প্রাক স্বাধীনতাৰ দিনৰ পৰা সংৰক্ষিত চেগুণ গছ কটাটোৰ বিষয়ে চৰকাৰ অবগতনে ?

(গ) সোনাপুৰ Range অৰ আফ্রিকোল reserve অত ৮০ ডাল শাল গছ অবৈধ তাৱে কটাই বিভাগে জব্দ কৰি ডিপু বনালে , সেই কাঠবোৰ আজি এবছৰেই নিলাম বিক্রী কৰা নাই কিয় ?

**শ্রী হিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্রী)** য়ে উত্তৰ দিছে ঃ

(ক) এই সংক্রান্ত্ত চৰকাৰ অৱগত । প্রায় যোৱা ৮/১০ বছৰৰ পৰা এই কাম চলি আছে ।

(খ) অবগত ।

(গ) সুচল ৰাস্তা ঘাটৰ অভাৱত জব্দকৃত কুন্দাবোৰ ডিপোলৈ উলিয়াই আনিব নোৱাৰা বাবে বিক্রী কৰাত কিছু পলম হৈছে ।

**Re. : Decentralised Planning budget of 1992-93.**

**Shri Anowar Hussain** asked ;

251. Will the Chief Minister be pleased to state ?

(a) The total allocation of funds for different sectors for Bilashipara Sub-division which was approved by SPDC Bilashipara in 1992-93.

(b) The total amount of fund released sectorwise and the progress of implementation of the development scheme in 1992-93.

(c) How Government have planned to implement the scheme of the said year.

**Shri Hiteswar Saikia** ( Chief Minister) replied ;

(a) The total allocation of funds for different sectors for Bilashipara Sub-division, as approved by the SPDC, Bilashipara for 1992-93 was Rs.367.87 lakhs.

(b) The total amount of fund released sectorwise against the approved schemes by SPDC is shown 252 in the Annexure- I. During the year progress of implementation of development schemes was 56% in terms of expenditure. (See the Annexure VI)

(c) The schemes which were approved by SPDCs but which could not be taken up during 1992-93 are to be taken up during the current year,. for which instructions were already issued to the concerned departments.

**Re. : Bridge over Barnadi.**

**Shri Derhagra Mochahary** asked;

252. Will the Minister of P.W.D. (Plains) be pleased to state ;

(a) Whether Government has proposed to construct the following bridges under Tamulpur Assembly constituency.

(i) Bridge over Barnadi-Puthimari near Nagrijuli Tea Garden.

(ii) Bridge over Sukla river near Naokata adjacent to Irrigation bridge.

**Shri Sarat Borkatoky** (State P.W.D. Minister (Plains)) replied :

(a) (i) Yes, there was a proposal.

(ii) No, not as yet.

বিষয় ঃ রেলওয়ে গেট স্থাপন ।

শ্রীপ্রনব কুমার নাথ জিজ্ঞাসা করছেন ঃ

২৫৩। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) করিমগঞ্জ জিলার দক্ষিন করিমগঞ্জ সমষ্টির অন্তর্গত বারৈগ্রাম পেচারপার সড়কে রেলওয়ে গেইট স্থাপনের জন্য ১৯৮৬ ইং আগষ্ট মাসে করিমগঞ্জ PWD, Roads ডিভিশনের Executive Engineer রেলওয়ে বিভাগকে (1.01 lakhs) একলক্ষ এক হাজার টকা জমা দিয়েছিলেন এ বিষয়ে সরকার অবহিত আছেন কি ?

(খ) আৰু কত টকা রেলওয়ে বিভাগকে জমা দেওয়ার প্রয়োজন ? অবশিষ্ট টকা বর্ত্তমান অর্থ বছরে রেলওয়ে বিভাগকে দিয়ে দেওয়ার জন্য সরকার কি কি কার্য্যকরী পদক্ষেপ নিয়েছেন ?

(গ) কায়স্থ গ্রাম - সিঙ্গাঁরিয়া সড়কে রেলওয়ে গেইট স্থাপনের জন্য ১৯৮১ ইং ডিসেম্বর মাসে (State PWD বিভাগ ) সরকার কত টাকা রেলওয়ে বিভাগকে দিয়েছিলেন এবং আর কতটাকা দেওয়ার প্রয়োজন রয়েছে ?

(ঘ) অবশিষ্ট টকা বর্ত্তমান অর্থ বছরে রেলওয়ে বিভাগকে জমা দেওয়ার জন্য সরকার কিকি কায্যক রী পদক্ষেপ নিয়েছেন ?

**Shri Sarat Barkotoky** (Minister of State P.W.D. (Plains)) replied:

(a) Yes, but the amount was Rs.103214.00

(b) No further demand has been received from the Railways.

(c) Rs.1,31,880.00 was paid to the Railway authorities in 1981. No further payment is to be made as the Railway authority has finally turned down the proposal.

(d) Does not arise as stated at (c) above.

বিষয় ঃ গড়কাপ্তানী পথ নিৰ্ম্মাণ ।

শ্ৰীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ

২৫৪। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত বিত্তীয় বছৰত অসমৰ প্ৰতিখন জিলাতে কিমান নতুন গড়কাপ্তানী পথ নিৰ্ম্মাণৰ কাম হাতত লৈছে জনাবনে ?

(খ) যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ লাহদৈগড় গড়কাপ্তানী পথ, কমাৰখাটোৱাল

গড়কাপ্তানী পথ, আৰন্ধৰা গাওঁ গড়কাপ্তানী পথ, ভগামুখ মৰিজাঁজী গড়কাপ্তানী পথ, পকীকৰণৰ ব্যৱস্থা হাতত লৈছেনে ?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) চলিত বছৰত নতুন পথ নিৰ্ম্মাণৰ আঁচনি এতিয়াও চুৰান্ত কৰা হোৱা নাই ।

(খ) প্ৰশ্নত উল্লেখিত পথ সমূহ সম্পূৰ্ণ পকীকৰাৰ আঁচনি বৰ্ত্তমানে চৰকাৰৰ হাতত নাই, কাৰণ চলিত বছৰত পকী কৰিব লগীয়া পথৰ আঁচনি এতিয়াও চুড়ান্ত কৰা হোৱা নাই । আঁচনি চুৰান্ত কৰাৰ সময়ত উক্ত পথ সমূহৰ কোন কোন অংশ পকীকৰণ কৰিব পৰা যাব সেইটো পুজি সাপেক্ষে পৰীক্ষা কৰি চোৱা হব ।

**Re. Lottery's income.**

**Shri Chittaranjan Patowary** asked ;

255. Will the Minister of Finance be pleased to state ;

(a) Will the Government let it know the total income of the Assam Express Lottery and how the profit had been distributed and when ? (Please submit the list of fund distributed districtwise)

(b) How many Lotteries are being conducted by the Assam Government and Money earned till date ?

(c) Is it a fact that the drawal of lotteries are being conducted at 'New Delhi' ?

(d) On what ground the drawal of lotteries had been shifted from Guwahati to New Delhi ?

**Shri Jiba Kanta Gogoi, (Minister of Finance)** replied :

(a) Total income to Govt. form Assam Express Daily lottery during 17-8-92 to 12-10-93 is Rs.44,31,000.00 of the total net profit from all lotteries 25% goes to state Revenue, 25% goes to Dr. B. Barua Cancer Institute, Guwahati and balance 50% is distributed as grant-in-aid to deserving institutions engaged in the field of Education Cultural and Social Welfare etc. Distribution of lottery profits is not made lottery-wise .

(b) At present 20 draws daily, Total income with effect from 6-2-92

to 12-10-93 is Rs.5,84,28,877.00

(c) Yes.

(d) Delhi being a centrally located place in the country draws are being held as per provision of the agreement.

### বিষয় ঃ সাব ট্ৰেজাৰী স্থাপন

**শ্ৰীমদুসুদন তেওয়াৰীয়ে সুধিছে ঃ**

২৫৬। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) করিমগঞ্জ জিলায় সরকারের সর্বাধিক রেভিনিউ আদায় হয় এবং পাথারকান্দিতে অনেক গুলি চাবাগান, সরকারী অন্যান্য ডিভিসনেল, সাবডিভিসনেল অফিস, ব্লক, থানা, তহশীল আফিস, ফৰেষ্ট অফিচ, ব্লক এলিমিন্টারী অফিচ ও ঠিকাদাররা থাকা সত্বেও আজ পর্য্যন্ত পাথারকান্দিতে সাবট্রেজারী স্থাপন করা হয় নাই উক্ত বিষয় সরকার অবগত আছেন কি ?

(খ) রামকৃষ্ণ নগরের সাব ট্রেজারীর সঙ্গে পাথার কান্দিতেও সাবট্রেজারী স্থাপন করার কথা ঘোষণা করা হয়েছিল অথচ কিন্তু পরিতাপের বিষয় আজ পর্য্যন্ত পাথারকান্দিতে সাবট্রেজারী হয় নাই, যাহা অতি প্রয়োজনীয় তাহা সরকারে উক্ত বিষয়ের গুরুত্বর উপলব্ধি করে পাথারকান্দিতে সাবট্রেজারী স্থাপনের সিদ্ধান্ত গ্রহন করিবেন কি ?

**শ্ৰীজীৱকান্ত গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী)** য়ে উত্তৰ দিছে ঃ

(ক) হয় ।

(খ) প্ৰত্যেক মহকুমাৰ সদৰত উপ-কোষাগাৰ স্থাপন কৰাৰ পাচত্ এই বিষয়ে বিবেচনা কৰা হব ।

### বিষয় ঃ Master Plan.

**মোঃ মহিবুল হকে সুধিছে ঃ**

২৫৭। মাননীয় নগৰ আৰু গ্ৰাম্য পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী চহৰ খনৰ Master Plan আচঁনি অন্তৰ্ভূক্ত কৰা হৈছে নে ?

(খ) যদি হোৱা নাই, কেতিয়া হব ?

**শ্ৰীঅঞ্জন দত্ত, (নগৰ আৰু গাওঁ পৰিকল্পনা বিভাগৰ ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ দায়িত প্ৰাপ্ত ))** য়ে উত্তৰ দিছে ঃ

(ক) হয়, হৈছে ।

(খ) প্ৰযোজ্য নহয় ।

### বিষয় ঃ পলাশবাৰী সমষ্টিৰ দলং ।

**শ্ৰীযতীন মালীয়ে সুধিছে ঃ**

২৫৮। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পলাশবাৰী সমষ্টিত বৰ্ত্তমানে এনে দলং কিমান খন আছে আৰু কত কত আছে যাৰ ৰেলিংবোৰ খহি জহি গৈছে আৰু Approach বোৰ (দুইফালৰ) নাইকীয়া হৈছে ?

(খ) দলং বোৰত ৰেলিং নোহোৱা হোৱা কিমান দিন হল আৰু এপ্ৰোছ বোৰ খহি যোৱা কিমান দিন হ'ল ?

(গ) ওপৰত কোৱা ৰেলিং নোহোৱা দলং বোৰ ভাল কৰাৰ বাবে লগতে এপ্ৰোছ বোৰ সম্পূৰ্ণ কৰাৰ অৰ্থে বিভাগে তত্কালীন কিবা ব্যৱস্থা লৈছে নে ?

**শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী বিভাগৰ (ভৈয়াম) ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ৰেলিং নোহোৱা ২৬ খন আৰু Approach খহি যোৱা ২৬ খন দলং আছে । এই দলং বোৰৰ তালিকা তলত দিয়া হ'ল ।

| ক্ৰ. নং | পথৰ নাম | দলং নং | ৰেলিং | এপ্ৰোছ |
|---|---|---|---|---|
| ১। | বাটৰহাট বাৰোৱাৰী পথ | ৫।১ | দুয়োফালে নাই | ভালে আছে । |
| ২। | নাহিৰা কুলদং পথ | ১।১ | ঐ | দুয়োফালে নাই । |
| ৩। | ৰামপুৰ মোডেল পথ | ৩।১ | ঐ | ঐ |
| ৪। | সাতপখলী পথ | ১।৩ | ঐ | ঐ |
| | | ২।১ | ঐ | ঐ |
| ৫। | ৰাজা পৰা বাৰেগাওঁ পথ | ১।১ | আংশিক ভাৱে নাই | এফালে নাই |
| | | ৬।১ | ঐ | ঐ |
| | | ৪।১ | ভালে আছে | দুয়োফালে নাই |
| ৬। | সাতপখলী এম, ভি স্কুল পথ | ১।২ | দুয়োফালে নাই | ঐ |
| ৭। | পলাশবাৰী লোহাৰঘাট ৰাজাপৰা পথ | ২৭।১ | ঐ | ভালে আছে |
| | | ৩৩।১ | আংশিক ভাৱে নাই | ঐ |
| ৮। | ৰাজাপাৰা চানডুবি পথ | ২।১ | দুয়োফালে নাই | এফালে নাই |
| ৯। | পলাশবাৰী লোহাৰ মাটি ৰাজা পাৰা পথৰ পৰা খোকাপাৰলৈ যোৱা পথ | ১।১ | আংশিকভাবে নাই | এফালে নাই |
| [illegible] | [illegible]ালিহা গাৰলীয়া পথ | ১।১ | ঐ | ঐ |

| | | | |
|---|---|---|---|
| ১১। লোহাৰঘাট কুলচী ঔগুৰী পথৰ পৰা গুহাৰ পাৰলৈ যোৱা পথ | ২।১ | ঐ | ঐ |
| ১২। আপচীয়া গোমেবৰী পথ | ২।৫ | এফালে নাই | দুয়োফালে নাই |
| ১৩। পালী গোদাবৰী পথ | ৪।২ | দুয়োফালে নাই | ঐ |
| | ৫।১ | ভালে আছে | ঐ |
| | ৫।২ | আংশিকভাৱে নাই | ঐ |
| ১৪। নতুন পাৰ্ল পথ | ১।১ | ঐ | ঐ |
| ১৫। ককৰাৰ বঙগৰা পথ | ৩।৩ | দুয়োফালে নাই | ঐ |
| | ৪।১ | ভালে আছে | ঐ |
| ১৬। ৰাণী গোহাঁইহাট তিনিআলি | ৫।১ | আংশিক ভাৱে নাই | ঐ |
| পথ | ৫।২ | ঐ | ঐ |
| ১৭। কাহীকুচী গোহাঁইহাট পথ | ১।২ | ঐ | ঐ |
| ১৮। কান্দুপুৰ পথ | ৩।১ | ঐ | ঐ |
| ১৯। লোহাৰঘাট কুলচী ঔগুৰী পথ | ৩।৪ | ঐ | ঐ |
| ২০। ৩৭ নং ৰাষ্ট্ৰীয় পথৰ পৰা ককজাৰ বংঙ্গৰা পথ | ১।১ | ঐ | ঐ |
| ২১। উপৰুক্ত দলৈপৰা পথ | ২।২ | ঐ | ঐ |
| মুঠ | ২৯ খন | ২৬ টা | ২৬ টা |

(খ) যোৱা তিনিমাহৰ পৰা ৯ মাহৰ ভিতৰত দলং বোৰৰ ৰেলিং নোহোৱা হয়। এপ্ৰোছ বোৰ যোৱা জুন মাহৰ বানপানীৰ ফলত ক্ষতিগ্ৰস্ত হৈছে।

(গ) বান বিধস্ত মেৰামতিৰ (F.D.R.) শিতানত তিনি খন দলংৰ মেৰামতিৰ ব্যৱস্থা লোৱা হৈছে। সাধাৰণ মেৰামতিৰ শিতানত আৱশ্যকীয় পুঁজি পালে বাকী দলং বোৰৰ মেৰামতি কৰিব পৰা হব।

**বিষয় ঃ গৌৰাং দলং মেৰামতি ।**

**শ্ৰীআনোৱাৰ হুছেইনে সুধিছে ঃ**

২৫৯। মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গৌৰাং দলং মেৰামতিৰ বাবে কিমান টকাৰ প্ৰয়োজন আৰু উক্ত ধন ধাৰ্য্য কৰা হৈছেনে ?

(খ) দলং খনৰ মেৰামতিৰ কাম কেতিয়াকৈ সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰিব পাৰি ।

(গ) দলং নিৰ্ম্মাণৰ সময়ত যিখন কাঠৰ দলং উপ পথ হিচাবে নিৰ্ম্মাণৰ প্ৰয়োজন হ'ব, সেই দলং খন দলংৰ কাষেদি কৰাৰ পৰিবৰ্ত্তে পুৰণি ৰাস্তা টোকৰাবান্ধা বানীয়পাৰাত নিৰ্ম্মাণ কৰাৰ বিষয়ে ৰাজহুৱা দাবীৰ কথা চৰকাৰে জানেনে ?

(ঘ) ৰাজহুৱা দাবীৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীয়ে দিয়া আদেশ কাৰ্য্যকৰী কৰি বিলাসীপাৰা চহৰত প্ৰৱেশ কৰাৰ দ্বিতীয় বিকল্প পথটো চৰকাৰে মুকলি কৰিব নে ?

শ্ৰীশৰৎ বৰকটকী (গড়কা প্তানী বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) গৌৰাং দলং মেৰামতিৰ বাবে মুঠ ১,২৪,৬৪,৪৬০.০০ টকাৰ প্ৰয়োজন হ'ব আৰু উক্ত ধন প্ৰাপ্তিৰ বাবে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে ।

(খ) ১৯৯৪ চনৰ এপ্ৰিল মাহৰ প্ৰথম সপ্তাহত সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে ।

(গ) হয়, জানে ।

(ঘ) বৰ্ত্তমান তেনে ধৰণৰ কোনো আচঁনি নাই ।

**Re. Primary School Buildings.**

**Shri Derhagra Mochahary** asked :

260. Will the minister of Rural Development be pleased to state :

(a) Whether Government is aware of the fact that how many Primary School Buildings have been kept half construction in the Tamulpur Constituency which were constructed from the sanction amount of 1991-92 budget provision ?

(b) What are the name of Schools under construction ?

(c) When these under construction Schools will be completed ?

**Shri Gautam Roy** (Minister of State Panchayat & Rural Development) replied :

(a) Yes, 4 Nos. of School Buildings remain in construction stage in Tamulpur Dev. Block area.

(b) The names of the Schools under construction are :-

1. Teteliguri L.P. School.

2. Borigaon Bodo Medium L.P. School.

3. No.2 Paharpur L.P. School.

4. Pub Patkijuli L.P. School.

(c) These spill over works have been included in the Annual Action Plan of Nalbari District Rural Dev. Agency for 1993-94 for taking-up works in phase manner from 20% District Rural Dev. Agency share.

বিষয় ঃ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আচঁনি ।

**শ্ৰীমতী ৰেণুপমা ৰাজখোৱাই সুধিছে ঃ**

২৬১। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কিমান জনস্বাস্থ্য কাৰিকৰী বিভাগৰ আঁচনি এতিয়াও অসম্পূৰ্ণ হৈছে, জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিব ?

(খ) যোৰহাট জিলাৰ অন্তৰ্গত টীয়ক সমষ্টিৰ চেনিজান তামুলীছিগা, ববিগাঁও পানী যোগান আচঁনি সমূহ কেতিয়া সম্পূৰ্ণ কৰিব জনাবনে ?

(গ) চলিত বিত্তীয় বছৰত জিলা ভিত্তিত কিমান নতুন আচঁনি গ্ৰহণ কৰিছে আৰু কি কি ভিত্তিত গ্ৰহণ কৰিছে জনাবনে ?

**শ্ৰীদীনেশ প্ৰসাদ গোৱালা** (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) অসমত ২০৪৮ খন পাইপ পানী যোগান আচঁনি অসম্পূৰ্ণ হৈ থাকিলেও আচঁনিৰ আৱশ্যকীয় অংশবোৰ সম্পূৰ্ণ কৰি ১৪৯৮ খন আচঁনিৰে খোৱা পানী যোগান ধৰি থকা হৈছে । ইয়াৰ বাহিৰেও অনুমোদিত ৮১১৫ টা দমকল, ১৯৭৯ টা পকীকুৱা, ১৯৮৩ টা মাৰ্ক-২ হেণ্ড পাম্প আৰু ৪৫৯ তাৰাপাম্প বহুৱাবলৈ বাকী আছে । জিলা ভিত্তিত তালিকা পৰিশিষ্ট-১ মতে গাঠি দিয়া হল । (See the Annexure -VII)

(খ) যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ অন্তৰ্গত চেনিজান পানী যোগান আচঁনিৰে পানী যোগান ধৰা হৈছিল যদিও ট্ৰেঞ্চ ফৰ্মাৰৰ বিজুতিৰ বাবে বৰ্ত্তমানে পানী যোগান বন্ধ হৈ আছে । বিদ্যুত পৰিষদৰ দ্বাৰা বিজুলীৰ পুনৰ যোগান হলে বৰ্ত্তমান বিত্তীয় বছৰতেই পানী যোগান ধৰিব পৰা হব ।

তামুলীছিগা নামেৰে যদিও টীয়ক সমষ্টিত কোনো পানী যোগান আঁচনি নাই, তথাপি জুলীয়া ভৰালী পানী যোগান আচঁনিৰে তামুলীছিগা অঞ্চল সামৰি লোৱা হৈছে। বৰ্ত্তমানে বিত্তীয় বছৰতেই বিদ্যুৎ পৰিষদৰ পৰা বিজুলীৰ সংযোগ পালে পানী যোগান ধৰিব পৰা হব । ৰবিগাঁও - ৰবিৰ-নাই পানী যোগান আঁচনিৰ অন্তৰ্ভুক্ত । ১৯৯৪-৯৫ চনৰ ভিতৰত পানী যোগান ধৰাৰ লক্ষ্য স্থিৰ হৈছে ।

(গ) চলিত বিত্তীয় বছৰত জিলাভিত্তিত বৰ্ত্তমানলৈ অনুমোদন হোৱা আচঁনি সমূহ

এনেধৰণৰ ঃ (See the Annexure VII, A)

বিষয় ঃ চৰ অঞ্চলৰ বাবে আচঁনি

মোঃ মহিবুল হকে সুধিছে ঃ

২৬২। মাননীয় চৰ উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাত কিমানখন চৰত কিমানখন গাঁও আছে ?

(খ) চৰ অঞ্চলৰ বাসিন্দা সকলৰ বাবে কি কি আচঁনি চৰকাৰে গ্ৰহণ কৰিছে ?

(গ) আঁচনিসমূহ এই জিলাখনত ৰূপায়ণ হৈছে নে ?

(ঘ) পথ নিৰ্মাণ আৰু মেৰামতি এই আচঁনিত সামৰি লোৱা হৈছে নে ?

শ্ৰীদিলদাৰ ৰেজ্জা (চৰ উন্নয়ণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৩১৩ খন চৰ গাঁও আছে ।

(খ) আঁচনি সমূহ হ'ল ঃ

১। খোৱা পানী ।

২। কৃষি ।

৩। ক্ষুদ্ৰ জলসিঞ্চন ।

৪। কূটিৰ শিল্প ।

৫। পশুপালন ও দুগ্ধ উৎপাদন ।

৬। শিক্ষা ।

(গ) হৈছে ।

(ঘ) হোৱা নাই ।

বিষয় ঃ পলাশ বাৰী সমষ্টিৰ পকী পথ ।

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

২৬৩। মাননীয় গড়কাপ্তানী (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পলাশবাৰী সমষ্টিত মুঠ কিমানটা পকী পথ আছে ?

(খ) পকী পথ কেইটাৰ সৰ্ব্বমুঠ দৈৰ্ঘ্য কিমান ? (প্ৰতিটো পকী পথৰ দৈৰ্ঘ্য দিব)

(গ) পকী পথবোৰ বিভাগীয় নিয়মমতে কেতিয়া মেৰামতি কৰিব লাগে আৰু পদ্ধতি কি কি ?

(ঘ) পকী পথ একোটা খহি জহি যোৱাৰ পিছত প্ৰকাণ্ড প্ৰকাণ্ড গাত হোৱাৰ পিছতো মেৰামতি নকৰা বুলি ওলোৱা গুজৱ সত্যনে ?

(ঙ) পকী পথৰ ভঙা কাঠৰ দলং বৰ্ত্তমানো আছে নেকি আৰু যদি আছে ক'ত ক'ত

আছে আৰু মেৰামতি নকৰাৰ কাৰণ জনাবনে ?

শ্ৰীশৰৎ বৰকটকী (গড়কাপ্তানী (বৈভয়াম) বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) ১৪ (চৈধ্য) টা পকী পথ আছে।

(খ) ৪০.৯৯৫ কিঃমিঃ ।প্ৰতিটো পকী পথৰ দৈঘ্য পৰিশিষ্ট 'ক' ত দেখুওৱা হৈছে। (See the Annexure -VIII)

(গ) বিভাগীয় নিয়মমতে প্ৰতি চাৰি বছৰৰ মুৰে মূৰে বিটুমেন আৰু শিল গুটিৰে পথৰ ওপৰৰ অংশ মেৰামতি (বিচাৰফেচিং) কৰিব লাগে । তাৰোপৰি পকী পথত গাত হলে, সেই গাত যি কোনো সময়তে মেৰামতি কৰিব লাগে ।

(ঘ) মেৰামতি শিতানত পৰ্য্যপ্ত পুজিঁৰ অভাৱত সময়োচিত আৰু বিভাগীয় নিয়ম অনুসৰি সম্পূৰ্ণ মেৰামতি কৰিব নোৱাৰা কথাটো সঁচা ।

(ঙ) বিশেষ মেৰামতি অত্যাৱশ্যকীয় হোৱা কাঠৰ দলঙৰ তালিকা এখন পৰিশিষ্ট '' ত দিয়া হৈছে। আৱশ্যকীয় পুজিঁৰ অভাৱত বিশেষ মেৰামতিৰ কাম হাতত লব পৰা হোৱা নাই । (See the Annexure - VIII A)

## REPORT OF THE BUSINESS ADVISORY COMMITTEE.

Mr. Speaker :Under Rule 230 of the Rules of Porcedure and Conduct of Business in Assam Legislative Assembly I called a meeting of the Business Advisory Committee at 5 P.M. on 12 th October 1993 in my Office Chamber at Dispur.

The Committee decided that the current session of Assembly will be extended by one more day i.e., 15th October , 1993 and No Confidence Motion be taken up on that day. The time that would be made available would be 3 Hours and out of this 3 Hours time, 2 Hours would be allocated for different political parties/ Gourps and Independent Member Proportionately and one hour would be allocated for reply by the Chief Minister. It was also decided that no other business of any kind would be taken up on that day.

There will be no changes in the Business set for 13th October 1993

as decided by the Committee.

The Committee also decided that there would be one sitting of the House i.e., from 9 A.M. to 1.30. P.M. on 14th October 1993 and all Government Bills would be taken up for consideration and passing on that day. Any other unfinished Government Business including the presentation of the Reports of various Legislature Committees will also be taken up. It was also decided to drop the discussion on the Censure Motion proposed to be taken up on 14th October, 1993 in view of the 'No Confidence Motion'.

The rational allocation of time proportionately among different Legislature Parties/Groups/Independent Members as calculated approximately is shown below :

| | |
|---|---|
| 1. Congress (I) | : 76 Minutes including 60 Minutes for reply by the Hon'ble Chief Minister. |
| 2. A.G.P. | : 45 Miniutes. |
| 3. C.P.I. | : 7 " |
| 4. A.S.D.C. | : 7 " |
| 5. C.P.M. | : 4 " |
| 6. B.J.P. | : 18 " |
| 7. Janata Dal | : 2 " |
| 8. Independent | : 21 " |

The revised Calender has been circulated amongst all the Hon'ble Members of the House. I hope this has the approval of the House.

ইয়াৰ দ্বাৰাই মই সদনক জনাও যে মাননীয় সদস্য শ্ৰীহিৰণ্য বৰাই তেখেতৰ বৃদ্ধ দেউতাক কৰ্কট ৰোগত আক্ৰান্ত হোৱাত নতুন দিল্লীৰ সৰ্ব্বভাৰতীয় চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠানত চিকিৎসা দিবৰ বাবে নতুন দিল্লীত থাকিব লগা হৈছে । সেয়েহে মাননীয় সদস্য গৰাকীয়ে ১৯৯৩ চনৰ ৬ অক্টোবৰৰ পৰা আৰম্ভ হোৱা বিধান সভাৰ চলিত অধিবেশনত অনুপস্থিতিৰ অনুমতি বিচাৰিছে ।

মই আশা কৰো ইয়াত সদনৰ অনুমতি আছে ।

(ভইচ, হব )

দেৱান জয়নাল আবেদন ঃ গুড উইল মিছনৰ ৰিপোৰ্ট হাউচত দাখিল কৰিব লাগে ।

মাননীয় অধ্যক্ষ ঃ ৰিপোৰ্ট তৈয়াৰ হোৱা নাই ।

This is a good-will Mission, One thing .. (Interruption). Please listen to me Take your seat. I am submit it .... so, there will be a motion.

**Second point** : Not a single good-will mission .... So, I discussed this thing and report will be submitted. I will take my decission.

**Shri Golok Rajbangshi** (Hon'ble Minister Education) : It is not necessary that it should be laid in the House. Then it becomes the property of the House. It is not mandatory that it should be laid in the House.

**Mr. Speaker** : I will inform the House and take a decision.

Please listen to me. I had a goodwill mission and I will submit the 1report.

***Shri Dewan Joynal Abedin** : Sir, when the issue was raised you had accepted that the report will be placed.

***Shri Golok Rajbangshi,** Minister : The Hon'ble Speaker led the Goodwill Mission and submission of report is not necessary. When the Report is laid in the House, it becomes the property of the House. So, any member may lead a mission under the circumstances, in a goodwill mission, it is not mandatory that the report should be submitted.

***Shri Dewan Joynal Abedin** : Sir, the goodwill mission vas const.tuted on an Adjournment Motion .

**Mr. Speaker :** Please take your seat. I will take my decision. Now, Hon'ble Chief Minister to move. In this connection, I have received Cut Motions,almost on every grant. So, whether these will be done on a selective way.

শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ এডুকেশ্বন, পুলিচ আৰু ডব্লিউ পি টি দি এন্দ বি, চি . ওপৰত কম বুলি ভাবিছো ।

**Shri Zoii Nath Sarma** : I will oppose, Sir I will move.

**Mr. Speaker** : I have told that it is item No.3.

শ্ৰীহলিৰাম টেৰাং ঃ শিক্ষা বিভাগৰ দাবী মঞ্জুৰীৰ ওপৰত কৰ বিচাৰিছো ।

**Mr. Speaker** :We are discussing item No.3 . There is no Education matter in item No.3. Can I go to Item No.4. If you want to discuss, then discuss. Education is not included on it. It is on consolidated fund.

So, Grant No.2. Hon'ble Chief Minister to move.

* **Shri Hiteswar Saikia,** ( Chief Minister ) : Sir, on the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs.16.26 lakhs be granted to the Minister-in-charge to defray certain charge which will come in the course of payment during the year ending 31st March, 1994, in connection with the administration of "Council of Ministers".

**Mr. Speaker** : As many as three Cut Motions have been moved in this Grant in the name of Hon'ble Members Shri Shahidul Alam Choudhury, Shri Padmeswar Doley, Shri Dilip Kumar Saikia, Shri Bharat Chandra Narah and Shri Gahin Chandra Das, Dr. Kamala Kalita and Shri Zoii Nath Sarma. I request the movers of the Cut Motion to move their cut motion one by one.

* **Shri Golok Rajbangshi,** Minister : They are not moving.

**Mr. Speaker** : I put the Motion. The Motion is that an additional amount of Rs.16.26 lakhs be granted to the Minister-in-charge to defray certain charge which will come in the course of payment during the year ending 31st March, 1994, in connection with the administration of "Council of Ministers" .

Those who are in favour say 'Ayes.

Those who are against say 'Noes'.

Ayes have it, Ayes have it, Ayes have it.

---

* Speech not corrected

The Motion is passed. Grant No.2 is passed.

Grant No.3. Hon'ble Minister Devanand Konwar to move.

*** Shri Devanand Konwar (Minister) :** Sir, on the recommendation of the Governor of Assam, I beg Sir, to move that an additional amount of Rs.20.00 lakhs be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1994, in connection with the administration of "Administration of Justice".

**Mr.Speaker :** Now Cut motion has been moved.

I now put the motion for approval. The Motion is that an additional amount of Rs.20.00 lakhs be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1994 in connection with the administration of "Administration of Justice".

Those who are in favour say 'Ayes'

Those who are against say 'Noes'

Ayes have it, Ayes have it, Ayes have it.

The Motion is passed. Grant No.3 is passed.

***Shri Zoii Nath Sarma :** Sir, We have decided to move Cut Motions in three particular grants. So, if you do not mind instead of putting the grants one by one, you may proceed to Education, Police or WPT & BC. Otherwise, it will be nothing by killing of time.

**Mr. Speaker :** Yes, Yes, That is why , I wanted suggestion from you.

**Shri Hiteswar Saikia, (Chief Minister) :** Sir, on the recommendation of the Governor of Assam, I beg to move that an additional amount of Rs.14.7 lakhs be granted to the Minister-in-charge to defray certain charges which will come in the course of payment during the year ending 31st March, 1994 in connection with the administration of

* Speech not corrected

"Police".

**Mr. Speaker** : There are as many as 10 Cut-Motion notices from Shri Sasha Kamal Handique, Shri Alluddin Sarkar, Shri Nizamuddin Khan, Shri Munin Mahanta, Shri Chandra Mohan Patoway, Shri Shahidul Alam Choudhury, Shri Padmeswar Doley, Shri Dilip Kumar Saikia, Shri Bharat Chandra Narah, Shri Gohin Chandra Das, Dr. Kamala Kalita, Shri Zoii Nath Sarma, Shri Badan Barua, Shri Hitendra Nath Goswami, Shri Pani Ram Rabha, Smti . Renupoma Rajkhowa, Shri Ramendra Narayan Kalita, Shri Phani Bhusan Choudhury, Shri Binod Gowala, Shri Bhupen Rai, Shri Mission Ranjan Das, Shri Chittendra Nath Mazumdar, Shri Madhusudan Tewary, Shri Dhruba Kumar Sen, Shri Pranab Kumar Nath, Shri Badri Narayan Singh, Shri Parimal Suklabaidya, and Shri Samarendra Nath Sen.

Now, I request the movers to move one by one.

**Shri Nizamuddin Khan** : Sir, I beg to move that the total provision of Rs.14.70 lakhs under Supplementary Demand for Grant No.14 in respect of "POLICE" at pages 7-10 of the list of Supplementary Demands be reduced by Rs.100 i.e. the amount of the whole Supplementary Demand of Rs.1470.00 lakhs do stand reduced by Rs.100.00

**Shri Zoii Nath Sarma** : Sir to save time, you can treat the all the Cut-Motions are moved (In Assamese) and we can continue to speak on the Cut-Motions.

**Mr. Speaker:** This is taken as moved. Now you can speak one by one

**শ্ৰীনিজামুদ্দিন খান** ঃ মাননীয় অধ্যক্ষ মহোদয় পুলিচৰ দাবী মঞ্জুৰীৰ শিতানত ১৪।৭০ লাখ টকা বিচাৰিছে। পুলিচ বিভাগত টকা দিয়াৰ ক্ষেত্ৰত আমি দেখা পাইছো যে ৰাজ্যখনৰ আইন শৃংখলা যি সকলে ৰক্ষা কৰিব লাগে সেই ক্ষেত্ৰত পুলিচ বিভাগ ব্যৰ্থ হৈছে।

সাধাৰণ মানুহৰ ওপৰত কেছ নাথাকিলেও হাৰাশাস্তি কৰা আৰু দুৰ্নীতি কৰাৰ উদাহৰণ আছে। পৰিবহনৰ চলাচলাৰ ক্ষেত্ৰত ব্যাপক দুৰ্নীতিৰ পয়োভৱ হৈছে। ৰাজ্যৰ বিভিন্ন অঞ্চলত কিছুমান ছেকপোষ্ট বহুৱা হৈছে। আমি লক্ষ্য কৰিছো যে ছেকপোষ্টত গাড়ী ছেক কৰে নাইবা বয় বস্তু ছেক কৰে। কিন্তু আচৰিত কথা ৰচিদ বিহীন ভাৱে পুলিছে কিছুমান গাড়ী চালকৰ পৰা পইচা সংগ্ৰহ কৰি আছে। আমি লক্ষ্য কৰিছো পুলিচ বিভাগে শান্তি ৰক্ষাৰ ক্ষেত্ৰত যি ভুমিকা গ্ৰহণ কৰিব লাগিছিল সেইটো কৰা নাই। শান্তি ৰক্ষাৰ নামত ৰাজ্যখনত অশান্তিৰ সৃষ্টি কৰাত অৰিহনা যোগাইছে। আজি আমি পেপাৰত দেখা পাইছো যে মুখ্যমন্ত্ৰীয়ে নিজেই স্বীকাৰ কৰিছে যে কোকৰাঝাৰ আৰু বঙ্গাইগাঁও ত যি সংঘৰ্ষ হৈছে, সেইখবৰ আগতেই প্ৰশাসনে গম পায়। আমি আচৰিত হৈছো, যদি গম পায় তেতিয়া হলে এই সংঘৰ্ষ প্ৰতিৰোধৰ ব্যৱস্থা নকৰাৰ কাৰণ কি ? মানুহক নিৰাপত্তা দিয়াৰ কাৰণে, আইন শৃঙ্খলা কৰাৰ কাৰণে যি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিছিল সেইটো কৰা নাই। আজি পেপাৰত লক্ষ্য কৰিছোঁ যে এছ, পি, ক বদলি কৰা হৈছে, কিয় ? আমি আচৰিত হৈছো, গণতন্ত্ৰ ৰক্ষা কৰাৰ কাৰণে গণতান্ত্ৰিক দেশ এখনত জনসাধাৰণৰ গণতান্ত্ৰিক আন্দোলন কৰাৰ সুবিধা আছে। পৰিতাপৰ বিষয় ৯ চেপ্তেম্বৰ তাৰিখে সমগ্ৰ ভাৰত বৰ্ষ জুৰি ৫৬ টা সংগঠন আৰু ১৩ টা ৰাজনৈতিক দলে ভাৰত বন্ধৰ কাৰ্য্যসুচী লৈছিল। সেইদিনা পুলিচে তলা ভাঙি কাৰ্য্যসুচী বিফল কৰাৰ চেষ্টা কৰিছে। দোকানবিলাকক অত্যাচাৰ কৰা হৈছে Picketers সকলৰ ওপৰত লাঠী চাৰ্জ কৰাইছে, ইয়াতকৈ লাজৰ কথা গণতান্ত্ৰিক দেশত থাকিব নোৱাৰে। বৰপেটা, গুৱাহাটী, হাইলাকান্দি আদি ঠাইত এনেধৰণে অত্যাচাৰ কৰা হৈছে। হাইলাকান্দিৰ সমীৰণ আচাৰ্য্য নামৰ এজন পিকেটাৰক পুলিচে ধৰি আনি থানত শাৰীৰিক ভাবে অত্যাচাৰ কৰিছে। পুলিছে এই অধিকাৰ ক'ত পালে এই ধৰণে পুলিছে জনসাধাৰণক অত্যাচাৰ কৰিছে। পুলিচ বিভাগে শান্তি ৰক্ষাৰ বাবে যি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে সেইদৰে কৰা নাই। যি বিলাক দোকান পোহাৰত অত্যাচাৰ চলিল সেইবিলাকৰ ক্ষতিপূৰণ ব্যৱস্থা কৰা হ'ল নে ? এই সম্পৰ্কত তদন্ত কৰি দোষী বিষয়াক শাস্তি বিহা হ'ল নে ? অমঞ্জুৰী শিক্ষক সকলে আমৰণ অনশন কৰি আছে। তেওঁ লোকক এৰেষ্ট কৰা হৈছে, অত্যাচাৰ কৰা হৈছে। দেশত শান্তি ৰক্ষাৰ নামত অশান্তি কৰিবলৈ চৰকাৰে নিৰ্দ্দেশ দিছে নেকি ?

উপাধ্যক্ষ মহোদয়, চৰকাৰে যি বিলাক গ্ৰাণ্ট দিছে সেই টকা ভাল ধৰণে খৰচ কৰিব লাগে। কিন্তু আজি দেখা গৈছে যে, যিবিলাক ওপৰৰ অফিচাৰ সেইবিলাকে

টি, এ আৰু দি, এ পায় কিন্তু তলৰ যি সকল কৰ্ম্মচাৰী আছে সেইসকলে, তেওঁলোকে টি, এ নাপায় । তাৰোপৰি আমি এইটো জানো যে, যি সকলে পি, এচ, অ' হিচাপে মন্ত্ৰীৰ লগত কাম কৰে তেঁওলোকক মন্ত্ৰীয়ে লিখি দিলে টি, এ পায় । বাকী বিলাকে নাপায় । প্ৰমোচনৰ ক্ষেত্ৰতো একেই কথা । কিছুমানে ১৯৮২ চনতে চিলেকচন পাইছে কিন্তু আজিলৈকে প্ৰমোচন হোৱা নাই । কিন্তু পিছত চিলেকচন পোৱা সকলৰো প্ৰমোচন হৈছে । আজি পুলিচ বিভাগত বহুতো খেলিমেলি চলি আছে । এইটোৰ কাৰণ কি ? এই বিলাকৰ কাৰণ হৈছে পুলিচ বাহিনীৰ যি শাখা প্ৰশাখা আছে তাৰ কৰ্ম্মচাৰী সকলৰ আৰু পুলিচ বাহিনীৰ কৰ্ম্মচাৰী সকলৰ সকলোৰে মাজত অসন্তুষ্টি আছে । আৰু অসন্তুষ্টি থকাৰ কাৰণেই আজি শান্তি ৰক্ষা হোৱা নাই । শান্তি ৰক্ষাৰ ব্যৱস্থা গ্ৰহন কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰ ব্যৰ্থ হৈছে । পুলিচ বিভাগ ব্যৰ্থ হৈছে । এই ব্যৰ্থতাৰ কাৰণে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহন কৰিব লাগে । দুৰ্নীতিৰ কথাটো কবই নালাগে, পুলিচ বাহিনীত কেনে ধৰণৰ দুৰ্নীতি হয় । আজি যদি কৰবাত কেচ হয় আৰু কাৰোবাক এৰেষ্ট কৰা হয় তেতিয়া সেই এৰেষ্ট কৰা ব্যক্তিজনক জামিনত অনাৰ বাবে টকা দিব লাগে নহলে জামিনত নিদিয়ে । গতিকে মই চৰকাৰক অনুৰোধ কৰো যে, পুলিচ বাহিনীৰ মাজত আৰু তেওঁলোকৰ কৰ্ম্মচাৰীৰ মাজত যিবিলাক অসন্তুষ্টি আছে সেই বিলাক দূৰ কৰাৰ ব্যৱস্থা কৰিব লাগে । প্ৰমোচনৰ ক্ষেত্ৰত হওক , টি, এ ৰ ক্ষেত্ৰত হওঁক বা দুৰ্নীতিৰ ক্ষেত্ৰত হওঁক এই সকলো বিলাক চালি জাৰি চাই শান্তি প্ৰতিষ্ঠা কৰিব লাগে । শান্তি অটুট ৰখাৰ কাৰণে পুলিচ বাহিনী অধিক ভাৱে নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে । মই দাবী কৰো যে, যোৱা ৯ চেপ্তেম্বৰ তাৰিখে ভাৰত বন্ধৰ সময়ত যিবিলাক পুলিচ অফিচাৰে দোকানী পোহাৰী আৰু আন্দোলন কাৰীৰ ওপৰত অত্যাচাৰ উৎপীড়ন কৰিছিল সেই বিলাক বিষয়াৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰা হব এই সম্পৰ্কত তদন্ত কৰি অতি সোনকালে বিহিত ব্যৱস্থা গ্ৰহন কৰিব লাগে । মানুহৰ মাজত শান্তি শৃংখলা অটুট ৰখাৰ কাৰণে ব্যৱস্থা গ্ৰহন কৰিব লাগে । উপাধ্যক্ষ মহোদয়, আজি বিভিন্ন অঞ্চলত পুলিচৰ অত্যাচাৰ চলিছে পুলিছে ৰাইজৰ লগত সহযোগিতা কৰা নাই বৰঞ্চ কিছুমান পুলিচ অফিচাৰে ৰাইজে যাতে বিক্ষোভ প্ৰদৰ্শন কৰিব নোৱাৰে তাৰহে ব্যৱস্থা কৰিছে । গতিকে আইন শৃংখলাৰ পৰিস্থিতি উন্নত কৰাৰ বাবে ৰাইজৰ মাজত শান্তি ঘুৰাই অনাৰ বাবে ব্যৱস্থা গ্ৰহন ক ৰাৰ কাৰণে অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

---

* Speech not corrected

*শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই অসমত বৰ্ত্তমান পুলিচ বিভাগৰ কাৰণে যি ১৪ শ ৭০ লাখ টকা বিচাৰিছে সেই ১৪ শ ৭০ লাখ টকাৰ প্ৰস্তাবৰ সম্পৰ্কত মই দুআষাৰ কব বিচাৰিছো । কথা হল যে টকা বিলাকৰ যাতে মিচ ইউজ নহয় ভাল অৰ্থত খৰছ কৰা হয় । বৰ্ত্তমান অসমত যিটো আইন শৃংখলাৰ পৰিস্থিতি চলি আছে সেই পৰিস্থিতি অতি ভয়ানক । ৰাতিপুৱাই যদি আমি বাতৰি কাকতখন মেলি চাও তেনেহলে কৰবাত দেখিবলৈ পাওঁ যে, কৰবাত হত্যা হৈছে, কৰবাত ধৰ্ষণ হৈছে, কৰবাত চুৰিকাঘাট হৈছে, কাৰোবাক ধৰিলৈ গৈছে, কাৰোবাক অপহৰণ কৰিছে । আনকি টি, ভি, আৰু ৰেডিঅ'ৰ চুইচ অন কৰিলেও এই বিলাক কথাকে শুনিবলৈ পোৱা হয় । আজি আমাৰ আইন শৃংখলাৰ পৰিস্থিতি উন্নত কৰিব লাগিব, পুলিচ বাহিনী সক্ষম কৰিব লাগিব এইটো সচাঁ কথা । অসমৰ পুলিচ বাহিনী অসমৰ ভিতৰতে নহয় ভাৰতবৰ্ষৰ ভিতৰতে এটা শক্তিশালী বাহিনী হিচাবে গঠন কৰা অতি দৰকাৰ । এইটো কৰিবলৈ হলে প্ৰথমে নৈতিক চৰিত্ৰ যিটো মৰেল কেৰেক্টাৰ আৰু আধ্যাত্মিক চৰিত্ৰ যিটো স্পিৰিচুৱেল কেৰেক্টাৰ সেইটো ভাল কৰিব লাগিব । নৈতিক চৰিত্ৰ আৰু আধ্যাত্মিক চৰিত্ৰ উন্নত কৰি মানসিক ভাবে সবল কৰি তুলিব লাগিব । তেতিয়াহে পুলিচ বাহিনী সবল হব । তাৰোপৰি বৰ্ত্তমান যি এটা পৰিস্থিতি চলি আছে উগ্ৰপন্থীৰ লগত, এক্সট্ৰিমিষ্টৰ লগত তাৰ প্ৰতিৰোধ কৰাৰ বাবে অসম চৰকাৰৰ পুলিচ বাহিনীৰ লগত কোনো ধৰণৰ অত্যাধুনিক অস্ত্ৰ শস্ত্ৰ নাই । এই অত্যাধুনিক অস্ত্ৰ শস্ত্ৰ বিলাকৰ ব্যৱস্থা কৰিব লাগিব । এ, কে ৪৭ আৰু এ, কে ৫৬ উগ্ৰপন্থী সকলে ব্যৱহাৰ কৰে আমাৰ পুলিচ বাহিনীৰো এনে ধৰণৰ কিছুমান বস্তু আনিব লাগিব । পুলিচৰ মানুহ যে সকলো বিলাক বেয়া সেইটো নহয় । তেওঁ লোকৰ ভিতৰতো বহুতো বিষয়া কৰ্ম্মচাৰী আছে যি সকল ভাল । অৱশ্য কতো চেণ্ট পাৰচেণ্ট ভাল হব নোৱাৰে । সিদিনা অলপতে দেখা গল যে, শিৱসাগৰত গাড়ী ৰখাই পুলিচে পইচা লৈছে । এই কথা যেতিয়া এচ, পি ৰ নটিচত আহিল তেখেতে একচন লৈছে । আজি যিবিলাক নাইট চুপাৰ আহি ইয়াত ৰখেহি তেওঁলোকৰ পৰাও ১ হাজাৰ কৰি পুলিচে পইচা লৈছে । তাৰ পৰিবৰ্ত্তে কোনো ৰিচিপ্ত নিদিয়ে । মন্ত্ৰী বিধায়কক লগ ধৰাৰ বাবে মানুহ বিলাক আহে তেওঁলোকৰ পৰাই এই আপত্তি পোৱা হৈছে । এই পেচেঞ্জাৰ বিলাকে আমাৰ ওচৰত অভিযোগ দিছে । গতিকে এই বিলাক বিষয়ৰ প্ৰতি মুখ্যমন্ত্ৰী মহোদয়ে নজৰ দিব লাগে । কোনোবাই বেয়াকাম কৰিলে লগে লগে একচন লব লাগে । যাতে মানুহ বিলাকৰ কষ্ট নহয় । পল্টন বজাৰ থানাৰ ট্ৰেফিক দি, এচ, পিক

বাচৰ মালিক সকলে প্ৰতিদিনে ১ হাজাৰ কৰি টকা দিব লাগে নহলে লাইচেন্স আদি নি থানাত ভৰাই ৰাখেগৈ । অসম তথা উত্তৰ পূৰ্ব্বাঞ্চলত আমাৰ পুলিচ বাহিনীতো শক্তিশালী কৰি তুলিব লাগে । আজি দেখা গৈছে যে , পুলিচ থানা বিলাকত গাড়ী নাই । এখন ভঙা জীপগাড়ী লৈ চোৰকে ধৰিবনে উগ্ৰপন্থী ধৰিবলৈ যাব ? হাতত পুলিচৰ অস্ত্ৰ শস্ত্ৰ নাই লাঠি লৈ যাব লগীয়া হয় । যোৱাবাৰ বানপানীৰ সময়ত মই ধেমাজীৰ এচ, পি ক এখন গাড়ী আৰু পুলিচ বাহিনী বিচাৰিছিলো । কাৰণ ৰাতি ১০ বজাত মথাউৰি ভাঙো ভাঙো হৈছিল । দি, এচ, পি য়ে ৰাতি ১০ বজাত পুলিচ প্ৰটেকচন দিছে । যোৱা জুন মাহত মথাউৰি ভাঙো ভাঙো হোৱাত ৰাতি ১০ বজাত ৪ জন কনিষ্ট বলেৰে হাতত বেতৰ লাঠি লৈ আন কোনো অস্ত্ৰ শস্ত্ৰ নাই, এখন ভঙা গাড়ীৰে দিয়া হল । গাড়ী ৰাষ্টাত বেয়া হোৱাত ঠেলিবলগা হল । আমাক কি চিকিউৰিৰিটি দিব আমিহে চিকিউৰিটি দিব লগা হল । মই নিজে গাড়ী ঠেলিব লগা হল । গতিকে অনুৰোধ কৰো যাতে প্ৰতিখন থানাতে একোখনকৈ ভাল গাড়ী দিয়াৰ ব্যৱস্থা কৰিব লাগে । অত্যাধুনিক অস্ত্ৰ শস্ত্ৰ দিব লাগে । ধেমাজীৰ এচ, পি বেয়া নহয় তেওঁ ভাল কাম কৰিছে, প্ৰশংসনীয় কাম কৰিছে । যদি কোনোবা পুলিচ কনিষ্টবলে বা পুলিচ ইন্সপেক্টৰে মদ খাইছে তেঁওক ১ মাহ বা ১০ দিনৰ কাৰণে লক আপত ৰাখিছে। যোৱাবাৰ ৯ আগষ্ট তাৰিখত এটা বন্ধ আছিল । গাখীৰ বেপাৰী এজনে ৰাস্তাইদি গাখীৰ নিওতে গাখীৰখিনি এজনে খাই পেলালে । সেই গাখীৰখিনি অনা হৈছিল এচ, পি ৰ কাৰণে তেঁওৰ ওপৰতো একচন লোৱা হল । পুলিচে বেয়া কাম কৰিলে একচন লব লাগে । একচন নোলোৱাতো বেয়া কাম হব ।

উপাধ্যক্ষ মহোদয়, অলপতে দৈনিক অসমত এজন মানুহৰ হাত কাটি দিয়াৰ কথা ওলাইছে । কালি এগৰাকী মহিলা বি, ডি, অ' ক কাৰ্য্যালয়তে কোনোবাই গুলিয়াই হত্যা কৰিছে । শ্ৰীবলিন বৰদলৈক অপহৰণ কৰা আজি ৬ মাহ হ'ল কিন্তু তেখেতক আজিলৈকে পুলিচে উদ্ধাৰ কৰিব পৰা নাই । এইবোৰৰ লগত মোকাবিলা কৰিবলৈ আমাৰ পুলিচ বাহিনীক প্ৰশিক্ষণ দিব লাগিব, আৰমচ দিব লাগিব - তেহে তেওঁলোকে কাম কৰিব পাৰিব । উপাধ্যক্ষ মহোদয়, গুৱাহাটী মহানগৰীতো বিভিন্ন ধৰণৰ ক্ৰাইম সঘনে হবলৈ ধৰিছে - কিছুদিনৰ আগতে খানাপাৰত থকা ভিনিহিয়েকৰ ঘৰলৈ ফুৰিবলৈ অহা এগৰাকী ১৬ বছৰীয়া ছোৱালীক কেইজনমান ডেকাই বায়েক ভিনিহীয়েকক মাৰ-কিল কৰি তাইক ধৰ্ষণ কৰিছে । এইবোৰ কাণ্ড প্ৰতিহত কৰিবলৈ হলে সমাজৰ

বুদ্ধিজীৱি আৰু অন্যান্য গণ্যমান্য ব্যক্তি সকলে ইয়াৰ বিৰুদ্ধে মাত মাতিব লাগিব । সমাজ সচেতন হব লাগিব - কেৱল পুলিচেই সকলো কৰিব নোৱাৰে । আমাৰ থানাবোৰ আৰু আউটপষ্টবোৰ আধুনিক কৰিব লাগে - পুলিচ বাহিনীক চফিষ্টিকেটেড আৰমচ দিব লাগে তেহে তেঁওলোকে উগ্ৰপন্থীৰ লগত মুখামুখি হব পাৰিব । ডাঙৰ ডাঙৰ চিটিবোৰত ১ কিঃ মিঃ আতৰে আতৰে পুলিচ চেক পোষ্টৰ নিচিনা পোষ্ট একোটা থাকে - এনে হলে কোনো উগ্ৰপন্থীৰ বা অন্য ক্ৰাইম কৰা লোক সাৰি যাব নোৱাৰে । আমাৰ গুৱাহাটী চহৰতো খানাপাৰা, দিশপুৰ, পল্টন বজাৰ, জালুকবাৰী আদি ঠাইত এনে ধৰণৰ চেক পোষ্ট দিলে উগ্ৰপন্থী পলাই সাৰিব নোৱাৰে । মাননীয় মুখ্যমন্ত্ৰীয়ে এটা আনষ্টাৰড কুৱেচনৰ উত্তৰত যোৱা ১১ তাৰিখে অসমত উক্ত তাৰিখলৈকে সংঘটিত হোৱা বিভিন্ন ক্ৰাইমৰ এখন তালিকা দিছে । উক্ত তালিকা মতে এই চৰকাৰে শাসন ভাৰ লোৱাৰ পৰা উক্ত তাৰিখলৈকে ২৩৫৫ টা হত্যাকাণ্ড, ২৪৪৮ টা অপহৰণ, ১০৩১ টা ধৰ্ষণ, ১৩৯৪ টা ডকাইটি , ১৩৮২ টা লুণ্ঠন কাৰ্য্য সংঘটিত হৈছে । চৰকাৰে বিভিন্ন সময়ত গুলিচালনাৰ তথ্য ও দিছে সেই মতে পুলিচ বাহিনীয়ে ১০৬ বাৰ, সামৰিক বাহিনীয়ে ৬ বাৰ আদি কৰি সৰ্বমুঠ ১৬৫ বাৰ গুলিচালনাৰ ঘটণা সংঘটিত হৈছে আৰু গুলিচালনাৰ ফলত ১১০ জন লোকৰ মৃত্যু আৰু ১০৫ জন লোক আহত হৈছে । বিভিন্ন আউট পোষ্ট, পুলিচ বাহিনীৰ হাতৰ পৰা ৭৮ টা ষ্টেন গান , ৩ টা ৰাইফল, ৪৮ টা এচ, এল, আৰ উগ্ৰপন্থীয়ে কাঢ়ি নিয়ে । আজি আমাৰ ৰাজ্যৰ পুলিচ বাহিনীটো ৰাজনৈতিক দলৰ বহতীয়া হৈ পৰিছে । বিশেষকৈ ৰুলিং পাৰ্টিৰ । এইটো বেয়া কথা । পুলিচ বাহিনী কেতিয়াও ৰাজনৈতিক লোকৰ বহতীয়া হব নালাগে । তেওঁলোকে নিজৰ নীতি নিয়ম মতে কাম কৰিব লাগে - তেহে দেশ তথা ৰাইজৰ মঙ্গল হব । তেওঁলোক সততে আইন শৃংখলা ৰক্ষা কৰা, চৰকাৰৰ বিভিন্ন আচঁনিৰ কামত সফল ৰূপায়ণ কৰাত সহায় কৰা, জনসাধাৰণৰ লগত সু-সম্পৰ্ক ৰক্ষা কৰি কাম কৰিব লাগে - এনে কৰিলে পুলিচ বাহিনী আৰু চৰকাৰৰ ভাবমূৰ্ত্তি উজ্জল হব । এই বিষয়টোৰ প্ৰতি চকু দিব বুলি মই মুখ্যমন্ত্ৰীক অনুৰোধ কৰিছো । লগতে আমাৰ উপযুক্ত পুলিচ বিষয়াক বাহিৰলৈ পঠাই অত্যাধুনিক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে- বিভিন্ন দিশত । আমাৰ থানা বিলাকত একোখন ভাল গাড়ী দিয়াৰ ব্যৱস্থাও মুখ্যমন্ত্ৰীয়ে কৰিব লাগে । এই খিনি কৈয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

*** শ্ৰীজয় নাথ শৰ্ম্মা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এটা পইন্ট অৱ অৰ্ডাৰ আছে । ইয়াত এটা

---

* Speech not corrected

কথা পাইছোযে — প্ৰথম কথাহৈছে এই ১৪ কোটি ৭০ লাখ টকা কেন্দ্ৰীয় চৰকাৰৰ অনুদান নেকি ? আৰু বুলেট প্ৰুফ ভাষ্ট কোনটো হেডৰ পৰা কিনিব সেইটো জনাব লাগে ।

মাননীয় উপাধ্যক্ষ ঃ আপোনাৰ সময় আহিলে এইটো সুধিব পাৰিব ।

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত হেডটো নাই, ক'ৰ পৰা কিনিব সেইটোহে ক্লাৰিফাই কৰিব লাগে ।

* শ্ৰীহিতেশ্বৰ শইকীয়া, মুখ্যমন্ত্ৰী ঃ উপাধ্যক্ষ মহোদয়, আৰমচ এণ্ড এমুনিচন শিতানত এইটো আছে ।

* শ্ৰী শশ কমল সন্দিকৈ ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী তথা গৃহমন্ত্ৰী মহোদয়ে ইয়াত চাপ্লিমেণ্টেৰী ডিমাণ্ড আনিছে, দাবী মঞ্জুৰী বিচাৰিছে, আমি দিয়াত আপত্তি নাই । আজি আমি জানো যে অসমৰ পুলিচ বাহিনীয়ে বিভিন্ন অসুবিধাৰ মাজেৰে কাম-কাজ কৰি আহিছে । মাননীয় সদস্য শ্ৰীদিলীপ শইকীয়া ডাঙৰীয়াই এই বিষয়ে বিশদ ভাবে কৈছে । এইটো সঁচা কথা যে আমাৰ এই গোটেই উত্তৰ পুৰ্বাঞ্চলতে, অসমকে ধৰি, বিভিন্ন ধৰণৰ সন্ত্ৰাসবাদ চলি আছে । এই সন্ত্ৰাসবাদৰ লগত মোকাবিলা কৰিবৰ কাৰণে আমাৰ পুলিচ বাহিনীৰ বেট আৰু লাঠীয়ে একো নহব । ইয়াৰ ওপৰি আটাইতকৈ ডাঙৰ কথা হৈছে আজি অসমৰ পুলিচ বাহিনী টো হতাশাত ভুগিছে । অসমত যোৱা ৰাষ্ট্ৰপতি শাসনৰ পিছৰ পৰা আজিলৈকে সামৰিক বাহিনী নিয়োগ কৰা হৈ আহিছে । আজি সামৰিক বাহিনী গৈ গাৱঁত চুলাই মদ ধৰিছে , চুৰি আৰু ডকাইতিৰ অনুসন্ধান কৰিবলৈ গাবঁলৈ গৈছে । থানা এখনৰ ডাৰোগা এজনে আক্ষেপেৰে কলে বোলে আজিকালি তেওঁলোকৰ কাম নাই সকলো সামৰিক বাহিনীৰ লোকেই কৰে । গতিকে তেওঁলোকে হতাশাত ভুগিছে । পুলিচৰ কাম হৈছে ৰাইজৰ সহযোগত চৰকাৰৰ নীতি নিয়ম, পৰিকল্পনাৰ বিভিন্ন কাম কাৰ্য্যকৰী কৰাত সহায় কৰা । আজি পুলিচ আৰু মিলিটেৰীয়ে ডকাইতি কেচ অনুসন্ধান কৰিবলৈ গৈ গাৱঁৰ লোকক অত্যাচাৰ কৰিছে । ৰাজনৈতিক লোকৰ ওপৰত পুলিচ বাহিনীয়ে অত্যাচাৰ চলাবলৈ লৈছে । যোৱা ভাৰত বন্ধৰ সময়ত আমাৰ নেতা শ্ৰীআচাৰ্য্য ক গ্ৰেপ্তাৰ কৰি পুলিচ লক-আপত ৰাখি স্বয়ং এচ, পিয়ে মাৰপিট কৰিছে — এই অধিকাৰ তেঁও ক'ত পালে ?

উপাধ্যক্ষ মহোদয়, ভাৰত বন্ধৰ সময়ত আমাৰ পাৰ্টিৰ কোকৰাঝাৰত যি কাৰ্য্যালয় আছে তাত সোমাবলৈ কত অধিকাৰ পালে ? বঙাইগাৱঁত বি, আৰ, পি, এল, ৰ গেষ্ট হাউচত সংগঠক কৰ্ম্মী সকলৰ লান্সৰ ব্যৱস্থা কৰিছিল । কিন্তু তাৰ পৰা

* Speech not corrected

তেওঁলোকক পুলিচে খেদি দিছে, এই অধিকাৰ পুলিচে কত পালে ? দোকান বন্ধ কৰিবলৈ, গাড়ী মটৰ চলাবলে গণতান্ত্রিক অধিকাৰ আছে, সেই অধিকাৰ খৰ্ব্ব কৰিবলৈ পুলিচক কোনে অধিকাৰ দিছে ? আজি ৰাইজৰ পৰা পুলিচ বিচ্ছিন্ন , গণশত্রু বুলি প্রতি পন্ন হৈছে । আজি ধুবুৰীৰ পৰা শদিয়ালৈ যদি চায় পুলিচে ৰাস্তাত বাছ্ ৰখায়, মানুহে সমালোচনা কৰিছে । পুলিচে সেইবিলাক কিয় কৰে, এইটো বন্ধ কৰক । সামৰিক বাহিনী নিয়োগ কৰাৰ পিছত ৰাইজৰ মনত পুলিচ বাহিনীৰ ভাৱ নাইকীয়া হৈছে । তেওঁলোকে উগ্রপন্থীৰ লগত মিলি থাকে । পুলিচ বাহিনীৰ ওপৰত যদি সামৰিক বাহিনীয়ে ৰাইজক এনেধৰণৰ এলিগেশ্বন দিয়ে বহুত ক্ষেত্রত এইটো হৈছে ।

উপাধ্যক্ষ মহোদয়, পুলিচ বাহিনীক এই চৰকাৰে গাড়ী মটৰ দিছে হয় কিন্তু ৰিপেয়াৰ, তেল কিনিবলৈ পইচা নাই । পুলিচ বিষয়া সকলে কয় যিহেতু চৰকাৰৰ পইচা নাই আমি ৰাইজৰ পৰা উঠাই দিওঁ । আমি দৰমহাৰ পৰা কেনেকৈ দিম । তেওঁলোকে বছৰ বছৰ ধৰি টি, এ, বিল পোৱা নাই, সেয়ে ভ্রমণ বানচ আদি নেপালে সৰু সুৰা পুলিচ সকলে ভাৱে আমি কৰবাৰ পৰা উলিয়াব লাগিব । গতিকে তেওঁলোকৰ মনত দয়া মমতা নোহোৱা হয় । মই কওঁ যে আমাৰ দিচপুৰৰ যিখন চেকগেট আছে এম, এল, এ, হোষ্টেলৰ তাত গোটেই ৰাতি পহৰা দি থাকে । কেতিয়াবা তেঁওলোকে জাৰত কপি থাকে । কিন্তু কিবা এটা হলে তেওঁলোকে ওপৰৰ অফিচাৰৰ পৰা মৰম পোৱাৰ পৰিবর্ত্তে ধমকি, চাচপেন আদি হয় । টি, এ, নাপায় , প্রমোচন নাপায়, এই বিলাক কথা আছে । বৃটিছৰ দিনৰ নিয়ম পুলিচত যিটো এৰি গৈছে আজিও সেইটোৱে আছে । কোনোৱাক জোৰ কৰিছে, মাৰপিত কৰিছে, থাৰ্ডগ্রেদ পদ্ধতি এতিয়াও আছে । আজিও আধুনিক ভাবে সজোৱা নহল । মানুহক শাৰীৰিক ভাৱে অত্যাচাৰ কৰি আছে, কিন্তু এই ডান্দাৰ ওপৰত নির্ভৰ কৰি চলিব নোৱাৰে । মানুহৰ ওপৰত নির্ভৰশীল হব লাগিব, তেতিয়া কাম হব ।

উপাধ্যক্ষ মহোদয়, শুনিবলৈ কটু লাগিব এসময়ত উগ্রপন্থীয়ে দোষীক শাস্তি বিহিছিল, ৰাইজে তাক সমর্থন কৰিছিল । ৰাইজে জানে পুলিচৰ ওচৰলৈ গলে নিৰপেক্ষ বিচাৰ নোপাম, কোৰ্ট কাছাৰীলৈ গলে সুবিচাৰ নেপাম । গতিকে ৰাইজে সেই কথা মানি লবলৈ বাধ্য হৈছিল ।

উপাধ্যক্ষ মহোদয়, প্রত্যেক খন থানাতে গাড়ী দিয়ে, গাড়ী বিলাক দিছে যদিও পেট্রোল, ৰিপেয়াৰিঙৰ পইচা দিয়া নাই । সেই কাৰণে কিছুমান গাড়ী ধৰি আনি

মন্ত্ৰী সকলক, নেতা সকলক এছকোৰ্ট হিচাবে দিয়া হয় । নহলে পুলিচ বিষয়া সকলে কেনেকৈ সেইটো যোগাৰ কৰিব । পেট্ৰোল পাম্পত আজি হাজাৰ হাজাৰ টকা বাকী আছে । এই ক্ষেত্ৰত পুলিচ বিষয়া সকলে ব্যৱসায়ীৰ ওচৰত যাব লগা হয় । গতিকে পুলিচ বিষয়া সকলে কেনেকৈ চৰকাৰী আইন পালন কৰিব । সেই কাৰণে পুলিচক আধুনিক পদ্ধতিত শিক্ষা দিয়া হওঁক, থাৰ্ডগ্ৰেড পলিচি বাদ দিয়ক, জনসাধাৰণক বিশ্বাসৰ ওপৰত আনক, সেই বিশ্বাস ঘূৰাই আনিবলৈ যত্ন কৰক । তাৰ যোগেদি পুলিচ বাহিনীক ৰি-অৰগেনাইজ কৰিব পাৰে , তেতিয়া হলে অথলে নাযাব ।

উপাধ্যক্ষ মহোদয়, মই এই খিনিতে এটা দুখৰ বিষয় কব বিচাৰিছো যে এজন ক্লাচ টেনত পঢ়ি থকা লৰাক সামৰিক বাহিনীয়ে মৰিয়াই মাৰি পেলাইছিল । সেই লৰাজনৰ পৰা সামৰিক বাহিনীয়ে দুই লাখ টকা বিছাৰিছিল । তেঁও ড্ৰাইভাৰৰ লৰা, কৰ পৰা টকা দিব । গতিকে ৰাতি সেই লৰাজনক হাত ভৰি ভাঙিছে, নাহৰকটীয়াৰ পৰা ডিব্ৰুগড়লৈ লৈ যায় । তাৰ পিছত লাহোৱালত সেই লৰাজনে পলাবলৈ চেষ্টা কৰোঁতে গুলিয়াই মাৰিলে । হব পাৰে, তেঁও পলাবলৈ চেষ্টা কৰিব পাৰে , কিন্তু আঙুলি চিঙি, হাত ভৰি ভাঙি তেওঁক শাৰীৰিক ভাৱে অত্যাচাৰ কৰাৰ কোনে অধিকাৰ দিছে ? তেঁওক গ্ৰেপ্তাৰ কৰাৰ আইন আছে , গ্ৰেপ্তাৰ কৰিব পাৰে । বিচাৰ আছে, বিচাৰ কৰি সেই মতে শাস্তি দিয়ক । কিন্তু সেই পোন্ধৰ বছৰীয়া লৰাজনক চিগাৰেটৰ জুইৰে জ্বলাই দিয়াটো ঠিক হৈছে নে ? এই বিলাক চিন্তা কৰিবলগীয়া ।

উপাধ্যক্ষ মহোদয়, আলফা ধৰাৰ নামত পুলিচে হঁওক বা মিলিটাৰীয়ে হওঁক বাচ বিচাৰ নোহোৱাকৈ যাকে যেনেকৈ পায় শাস্তি দিছে । কিছুমানক নাক কান কাটি দিয়া হৈছে । কিন্তু এইটো বেছি দিন নচলিব , ৰাইজে ক্ষমা নকৰিব । মই মুখ্যমন্ত্ৰী তথা গৃহ মন্ত্ৰীক অনুৰোধ জনাও যে যি টকা লাগে পুলিচ বাহিনীক চোৰা চিতাৰ কাৰণে, গাড়ী মটৰ, টি, এ, ডি, এ দিবৰ কাৰণে সেইখিনি দিব লাগে । সৰু সৰু কনিষ্টবল সকলে ভাৰা ঘৰত থাকে, তেঁওলোকে ৬/৭ শ টকা ভাৰা দি য়ে । তেঁওলোকে ভাৰা থকাটো সম্ভৱ নহয় এই কম পইচাৰে । তেঁওলোকে থাকিবৰ কাৰণে ব্যৱস্থা নাই । গতিকে বাধ্য হৈ কাম চলাবলগীয়া হৈছে । এই খিনি নিৰাময় কৰিবৰ কাৰণে ব্যৱস্থা লওঁক । জনসাধাৰণৰ স্বাৰ্থৰ সপক্ষে পুলিচক ব্যৱহাৰ কৰক, পুলিচে মানুহৰ মনৰ পৰা আঁতৰি আহিছে , গতিকে মানুহৰ মনত বিশ্বাস দিয়ক । কাম কাজৰ যোগেদি, ব্যৱহাৰ পাতিৰ যোগেদি বিশ্বাস দিয়ক আমি তেঁওলোকৰ শত্ৰু নহয় , জনসাধাৰণৰ মিত্ৰ এইটো কৰক ।

উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত যি পইচা দিয়া হৈছে মই ভাবো ৰাইজে মাৰ খাইছে, মিটিং কৰিলেও মাৰ খাওঁ, চোৰ কৰিলেও মাৰ খায় সকলোতে মাৰ খায় গতিকে এই সকলো চিন্তা কৰি ইয়াৰ ব্যৱস্থা লবলৈ অনুৰোধ জনাই মই এই প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

**Mr. Deputy Speaker** : Shri Parameswar Brahma to speak.

**Shri Parameswar Brahma** : I want support the cut motion. Some of our Members have spoken about the role played by police in the State and the services conditions of the State Police. Yes, in the administration, Police plays important role and administration depend on the efficiency of the service rendered by police. But the service rendered by the police is not good in the State. Of late people are gradually losing confidence in the State Police. Because, though Assam Govt. has enough strong police personnel numbering about 50,000 it has not been able to cope with the present situation of the state which was peaceful compared to other States in the country. Yes, there are many reasons. In efficiency front, Assam Police is lacking. They have to faces eventuality and crisis created by many anti social elements or undesirable forces. Police becomes so obsolute in such conditions. Every day we see in the papers of the State that hundreds of killings, kidnapings, lootings and torture of people by undesirable elements before the police. So State Govt. should take steps to increase the effeciency of Assam Police and provide them effective and modern weapons to handle or face any eventuality to ensure security of common people and their property and properties of the State. Assam Police is also lacking of getting quick information from the place where certain incidents has occured. Police can get information of any incident from the remote areas after 2/3 days or such incidence. Some time it requires one day or more than that to reach places of incidents when everything is over, Police also lacks rapid

mobility of forces, I want to draw the attention of the House. On the ongoing riots in Kokrajhar and Bongaigaon district in some remote areas. A team of this House consisting of representatives of all political parties led by Hon'ble speaker also went there but the condition was so bad that the area was so remote as they reported. They could go to know the actual position there. It is also not possible to reach the remote areas where the incidence occured . The roads and communication was so bad where the administration could not reach there. But the people of this region have requested several times to Govt. to take measures for development of this area and improve roads conditions of the people of this region. Even local representatives of the Kokrajhar district met several times P.W.D. Minister to improve the communication system of this region. Chief Minister himself visited this area. The roads and communication system was effected very much by the last unprecedented flood occured in Kokrajhar district in July 21 last. The Chief Minister visited Kokrajhar district.

Chief Minister had visited Kokrajhar district twice after that flood and to restore that road and communication of Kokrajhar district readily assured to release rupees two crores, but still so far I know not a single penny has been released and the entire people of the area are sufferings due to lack of communication. There is no road virtually between Gossaigaon to Sapatgram and between Sapatgram to Kokrajhar, although it is connected only with Highway 31, Police or any administrative machinery of Kokrajhar and Bongaigaon district has totally failed to stop this riot. Because of lack of communication Kokrajhar and Bongaigaon district the other undesired anti social elements have been able to take advantage of the situation. Government could not take any action and to stop it

Government has not been able to tell the people about what number of people are living in refugee camps there are more thatn 12000 Boro people are now living in relief camps which is not known to the Government. There are some relief camps made by the Government. 30,000 people are living relief camp. This is not within the knowledge of the Police Department or with the State Government. This is very unfortunate. Sir, because of lack of administration, these areas become the den of criminals. These criminals should have been brought to book, but the Kokrajhar and Bongaigaon district authorities totally failed to nab the culprits and for which this riot had taken place. Because of inefficiency of police and administration, indulged in rioting. Sir, the existing police forces should be modernised and made efficient to cope with such situation. I have the sorrow experience of Police treatment. Involving with Dispur Bomb blusts incident I was taken into police custody and kept me for almost 3 months and had inhuman torture by the police. I along with two of my party MLAs were taken into police custody for that incident and the treatment metted by the police to us was very bad. We were tortured anything like by the Police forces .

**Mr. Deputy Speaker :** So many participants are there, please make it short.

**Shri Parameswar Brahma :** This is very bad. So, I request the Home Ministry to take care of it. There is rare example that people once caught by police and put into custody, become good man after coming out from the police custody they rather become bad. There are treated in such a manner that they should be bad man, so this attitude or psychology of police should be changed and Government should take constructive step to rectify this. Anyway as to remind you Sir, I requested the then Speaker to take action paritcularly against Maila Thapa, a police constable who treated me anything like. I do

not know what steps were taken against him. I request the State Govt. to increase the efficiency of Assam Police institution as because it is very important to ensure law and order to help protection and save life and properties of the people and to maintain the administration with order machineries of the Government for the interest of the State. I can not justify that demand without any specific programme and without guidelines or policy, they can not improve the efficiency of the services of the police. It is hard to convince the people of Assam that extra money should be released for the police where police could not save the life and properties of the helpless thousand and thousand common people of the State. Thank you Sir.

**Mr. Speaker :** Now Hon'ble Member Shri Alauddin Sarkar.

শ্ৰীআলাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা পুলিচৰ কাৰ্য্যকলাপৰ বিষয়ে কব বিচাৰিছো । গোলোকগঞ্জ সমষ্টিত এইবাৰ যি প্ৰলয়ংকাৰী বানপানী হৈ গল তাত অসমৰ পুলিচ বিভাগে কি ধৰণে তেওঁলোকৰ কৰ্ত্তব্য পালন কৰিছে সেই বিষয়ে অলপ উল্লেখ কৰিব বিচাৰিছো । যোৱা ২৯ তাৰিখে হোৱা বানপানীত উত্তৰ বংগৰ পৰা প্ৰায় ৮৬০ কিলোমিটাৰ ব্যাপি বানৰ পানী গোলোকগঞ্জলৈ সোমায় আহিছিল সেই বানপানীত ধুবুৰী জিলাৰ বিস্তৰ ক্ষতি সাধন হৈছিল । সেই সময়ত মানুহে কলৰ ভূঁৰ আৰু নাওঁৰ বাহিৰে আশ্ৰয় লোৱাৰ অন্য উপায় নাছিল । এনে সময়তে মই গোলোকগঞ্জৰ আগমনিৰ আউটপষ্টলৈ গৈ তাৰ পৰা এচ, পি লৈ বানপানী সম্বন্ধে মেচেজ পঠিয়ালো । আৰু পুলিচ বিভাগৰ পৰা সাহাৰ্য্য বিচাৰিছিলো । ইতিমধ্যে আগমণি আউটপষ্টটো পানী বাঢ়ি আঠুৰ পৰা ককাল পালেগৈ । তেতিয়া এনে এটা অৱস্থা হল তাত থকা পুলিচে ৰাইজকে বচাব নে তেওঁলোকে নিজকে বচাব । তাৰ পিছত বি, এছ, এফ ৰ যি কেইটা কোম্পানী আছিল সেই কেইটাৰ লগত যোগাযোগ কৰি জানিব পাৰিলো যে তেঁওলোকেও নিজক বচাবৰ কাৰণেহে যোগাযোগ চলাই আছে । তাৰ পিচত দিশপুৰলৈ মেচেজ পঠিওৱা হল যাতে উদ্ধাৰ কাৰ্য্যত সৈন্য বাহিনী নিয়োগ কৰা হয় । তাৰ পিছত ২৪ আৰু ২৫ তাৰিখে বানপানীয়ে প্ৰলয়ংকাৰী ৰূপ ধাৰণ কৰে । তেনে অৱস্থাত অন্য কোনো সহায় নোপোৱাত আমি স্থানীয় ভাৱে বান আক্ৰান্ত লোক সকলক উদ্ধাৰৰ কাৰণে কিছু ব্যৱস্থা হাতত লওঁ যদিও বানপানীৰ যি

তাণ্ডব লীলা সেই অৱস্থাত আমি অসহায় হৈ পৰো ।

মাননীয় অধ্যক্ষ মহোদয়, ২৫।২৬ তাৰিখে পুলিচে সেই নিৰীহ বান বিধ্বস্ত মানুহ খিনিক নিৰ্ম্মম ভাৱে গুলিয়াই মৃত্যু মুখত পেলালে । আজি স্বাধীন গণতান্ত্ৰিক দেশ এখনত পুলিচৰ ভুমিকা কেনে ধৰণৰ হব লাগে সেই আপোনালোকে ভাবি চাওক কিন্তু তাৰ পৰিবৰ্ত্তে পুলিচে কেনে ভুমিকা লৈছে । পুলিচৰ যি খন মেনুৱেল এতিয়া চলি আছে সেই খন বোধহয় বৃটিছৰ দিনতেই তৈয়াৰ কৰা মেনুৱেল আৰু আজিলৈকে সেইখন মডিফাই কৰা নাই হবলা । সেইকাৰণেই আজিয়ো পুলিচৰ নিৰ্য্যাতন আমাৰ সহজ-সৰল মানুহ বিলাকৰ ওপৰত চিৰাচৰিত চলি আছে । পুলিচৰ কিছুমান ব্যৱস্থাৰ আৰু কাৰ্য্য-কলাপ দেখিলে আমাৰ লাজ লাগে । বহু সময়ত আমি দেখিছো আমাৰ যিবিলাক চেক গেট আছে সেই চেক গেট বিলাকত যি বিলাক ট্ৰাক আহি ৰৈ যায় তাত দেখা যায় ড্ৰাইভাৰটোয়ে বা হেন্দিমেনটোয়ে গাড়ীৰ খিৰিকিৰে পইচা উলিয়াই দিয়ে আৰু পুলিচৰ মানুহে তৎক্ষণাত দৌৰি আহি ড্ৰাইভাৰ বা হেণ্ডিমেনৰ পৰা পইচা খিনি লৈ লৰ মাৰে। ভিতৰলৈ মাতি আনি পইচা ললেও এক কথা আছিল কিন্তু নিৰ্লজ ভাৱে দৌৰি আহি পইচা খিনি লৈ যোৱা দেখিলে বৰ বেয়া লাগে । এবাৰ মোৰ বন্ধু এজনৰ লগত কোচ বিহাৰৰ পৰা আহোতে এনে এটা ঘটনা ঘটিল তেতিয়া মোৰ বন্ধু জনে সুধিলে "এইটো কি হচ্চে ?" তেতিয়া মই বুজাই দিলো আৰু তেওঁৰ আগত বৰ লাজ পালো ।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ** পশ্চিম বঙ্গতো পুলিছে পইচা খাই অকল আমাৰ ইয়াতে নহয়, তাত আমাৰ ইয়াতকৈ বেচি ।

* **শ্ৰীআলাউদ্দিন সৰকাৰ ঃ** শগুনে ম'ৰা শ খালে গা ঢাকি খাই কিন্তু আমাৰ ইয়াত ইমান মুকলিকৈ এই বিলাক কথা চলি থকাটো লাজৰ কথা ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য সকলে অন্য ৰাজ্যৰ কথা কোৱাতো উচিত নহয় ।

* **শ্ৰীআলাউদ্দিন সৰকাৰ ঃ** হয় মাননীয় অধ্যক্ষ , আমি আন্তৰাজ্যিক কথা কোৱা উচিত নহয় । কিন্তু মই দোষাৰোপ কৰা নাই, মাত্ৰ মোৰ বন্ধু এজনে কৰা প্ৰশ্নৰ হে উত্তৰ দিছো । কিন্তু আমি জনাত পশ্চিম বঙ্গৰ পুলিচ যথেষ্ট উন্নত আৰু তেওঁলোকে কিৰা এটা কেচ ধৰিববলৈ বা চোৰ ধৰিববলৈ অতি কমেও ৫০ বাৰ যাব আৰু ৫০ জন লোকক সুধিহে কামত আগবাঢ়ে । আমি অনুভৱ কৰিছো এই পুলিছ ডিপাৰ্টমেণ্টটো ৰাজ্যখনৰ বাবে অত্যন্ত গুৰুত্বপুৰ্ণ আৰু প্ৰয়োজন, আজি পুলিচে আমাৰ ৰাজ্যখনৰ আৰু আমাৰ গণতান্ত্ৰিক দেশখনৰ মানৱীয় প্ৰমূল্য সমূহ ৰক্ষা কৰাৰ কাৰণে তেওঁলোকৰ বিশেষ

ভূমিকা হব লাগে । কিন্তু আমাৰ পুলিছে কি দেখুৱালে নিৰীহ মানুহ খিনিক বিনা দ্বিদ্ধাই গুলিয়াই মাৰিলে । মাননীয় মুখ্যমন্ত্ৰী মহোদয় যোৱা ২৮ তাৰিখে তালৈ গৈছিল, প্ৰথমে তেঁও কোকৰাঝাৰ আৰু তাৰ পাচত বঙ্গাইগাৱঁলৈ যায় তাৰ পাছতহে ধুবুৰীলৈ আহে । ২৫।২৬ তাৰিখে এই ঘটনা তাত সংঘটিত হৈছিল । মই ক ব বিচাৰিছো পুলিচে তেওঁলোকক কেনেকৈ গুলিয়ালে আৰু কিয় গুলিয়ালে সেইটো আমি জানিব লাগে । মুখ্যমন্ত্ৰীৰ কাৰণে ৰাইজে প্ৰায় ১২ ঘণ্টা অপেক্ষা কৰিব লগীয়া হ'ল , আমি ৫ বজালৈ বহি থাকিলো । মুখ্যমন্ত্ৰীয়ে যাতে কোনো অসুবিধা নোহোৱাকৈ জিলাৰ সদৰ কাৰ্য্যালয় পাইহি আৰু সেই পথত যাতে কোনো ধৰণৰ ট্ৰেফিক জাম নহয় সেইকাৰণে প্ৰায় ১২ ঘণ্টা সময় ট্ৰাক-গাড়ী বিলাক বন্ধ কৰি থোৱা হ'ল আৰু মানুহ বিলাকো আবদ্ধ হৈ থাকিব লগীয়া হ'ল ।

**Mr. Speaker:** For your information grant No.14 - Police

* **শ্ৰীআলাউদ্দিন সৰকাৰ ঃ** কিন্তু বানপানীত বিধস্থ এই গৰীৱ নিৰীহ জনসাধাৰণ যি সকলে পানীৰ পৰা কোনো প্ৰকাৰে উঠি আহি ৰাজআলিত উঠিলেহি আশ্ৰয় বিচাৰি , এমুঠি অন্ন বিচাৰি তেওঁলোকে ৰাজ আলিত উঠি আহিল , তেঁও লোকক পুলিচে ২৫।২৬ তাৰিখে বিনা বিচাৰে গুলিয়াই মাৰিলে । ইৰিগেশ্যন মন্ত্ৰী আগমণিলৈ গৈছিল কিন্তু যি গৰাকী পুলিচক মই কথাষাৰ কলো সেইজন কিন্তু ভাল পুলিচ আছিল, তেঁওকো জেহিৰুল চাহাবে বিশেষ কামত লৈ গ'ল । আনহাতেদি গোলোকগঞ্জ ত এ, ডি,চি, জন বহি থাকিল । জেহিৰুল চাহাব দক্ষিন -শালমৰালৈ গুচি গ'ল । মই কৈছিলো ২ ঘণ্টা সময় পালে সাহাৰ্য্য খিনিলৈ মানুহ খিনিক লৈ আহিব পাৰিলো হেতেন । মানুহ খিনিয়ে ৪ দিন ধৰি জীয়াতু ভোগাৰ পাছত কোনো প্ৰকাৰে ওপৰলৈ উঠি আহিছিল , সেই মানুহ খিনিৰ ভিতৰত বুঢ়া মানুহো আছিল, সেই মানুহ খিনিৰ ওপৰত পুলিচে অমানুষিক ভাৱে লাঠি চাৰ্জ কৰিছিল, মানুহ খিনিক আগজাননীয়ো দিয়া নাছিল , তাত মাইকৰ ব্যৱস্থা নাছিল । হঠাতে নাগ তালৈ আহিল, শিলগুটি লৰা বুলি দোষী সাব্যস্ত কৰি তেওঁলোকৰ ওপৰত অপৰেচিত ভাৱে গুলি চালনা কৰিবলৈ নিৰ্দ্দেশ দিলে, লগে লগে ৬০ জাই গুলি তেঁওলোকৰ ওপৰত পৰিল । ১২ জন মানুহ আহত হ'ল আৰু ৩ জন মানুহ থিতাতে মৃত্যু হল । গতিকে এই গোটেই ঘটনাটোৰ এটা তদন্ত হব লাগে ।

মাননীয় অধ্যক্ষ মহোদয়, পানীৰ পৰা উঠি আহি ট্ৰাক অৱৰোধ কৰাত কি অপৰাধ হল ? যিখিনি মানুহৰ ওপৰত অত্যাচাৰ চলাইছে সেই মানুহখিনি মোৰ

---

* Speech not corrected

সমষ্টিৰ আছিল । এজন মানুহ স্বাধীনতা আন্দোলনৰ ভলণ্টিয়াৰ আছিল তেখেতক গুলিয়াই মৰা হৈছে। সেই বিলাকৰ তদন্তৰ দাবী কৰিছো । আজিও এই সদনত দাবী কৰো। এইখন দেশৰ পুলিচে এই খন দেশৰ মানুহক গুলিয়াই মাৰিছে । পুলিচ বিভাগটোক সংস্কাৰ প্ৰয়োজন হৈ পৰিছে। গণতান্ত্ৰিক স্বাধীনতা ৰক্ষাৰ কাৰণে সকলোৰে সংঘবদ্ধ লগতে পুলিচ বাহিনীটোক সংস্কাৰ কৰি তুলিব বুলি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

* **শ্ৰীজয়নাথ শৰ্মা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি গ্ৰাণ্ট নং ১৪ ত পুলিচ সম্পৰ্কে এটা পৰিপুৰক দাবী আনিছে তাত পেজচ ৭-১০ ৰ প্ৰস্তাবিত এটা কথা কৈছো যে - an additional amount of Rs.1470 lakhs is required to be provided against non plan asisstance for purches of vehicles, Arms and ammunitions, wireless equipment, Bulet Proof cars. এইকেইটাৰ কাৰণে তেখেতে সকলে দিমান্ড আনিছে। ডিমাণ্ডত দেখিবলৈ পাইছো যে চাব হেডত ১২ আৰু মেইন হেডত ২০৫৫ তাত দেখিছো যে Sub-head 120 Major head 2055 secret service - - আগতে ৪৩ হাজাৰ আছিল এতিয়া অতিৰিক্ত ১২ লাখ বিচাৰিছে। চিক্ৰেটত দেখা গৈছে ১০ লাখ টকাৰ প্ৰয়োজন হৈছে । যিটো ব্যাখ্যা ইয়াত আনিছে । এই কথাটোৰ লগত যিবোৰ হেড দিয়া আছে সেইবোৰৰ লগত দেখা গৈছে কোনোটোৰ লগত মিল নাই । গতিকে মই ভাৱো যে এই ১০ লাখ টকা গ্ৰাণ্টৰ পৰা বাদ দিব লাগে। এই বিষয়ে বিত্তমন্ত্ৰী আৰু আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে এইটো শুদ্ধ কৰি লব লাগে । For other purpose also - এই দাবী বাজেটৰ ওপৰত আলোচনা কৰিব লাগে বুলি আমাৰ ৰুলচে কৈ আছে চৰকাৰেও শুদ্ধকৈ জনাই দিব লাগে -- Necessary correction may be made — কিন্তু মই দুটা কথা কব খুজিছো যে আমাৰ যোৱা বাজেট চেচনত মটৰ ভেহিকুল --Sub head 16 -- বিভিন্ন হেডত আমি দেখিছো সৰ্ব্বমুঠ ৫ কোটি ৭৫ লাখ টকা ধৰা হৈছে । ৩ কোটি ৭৫ লাখ টকা আকৌ বঢ়াই দিছে। মটৰ ভেহিকুল শিতানত দেখা যায় যে ব্যক্তিগত লোকৰ পৰা মটৰ নি যেতিয়া প্ৰয়োজন হয় তেতিয়া ৰিকুইজিচন কৰি লৈ যায় । কিন্তু মূল বাজেটখন ধাৰ্য্য কৰা সময়ত কিমান গাড়ী প্ৰয়োজন হব সেইটো তেখেত সকল নিশ্চয় দিব পৰিলেহেতেন । ভৱিষ্যতে কি হব কি নহব সেইটো চৰকাৰৰ দুৰদৰ্শিতাৰ অভাৱ । দুৰদৰ্শীহীনৰ কাৰণে ভৱিষ্যত কোনফালে গৈ আছে কব নোৱাৰে । এতিয়া এচ, বি, ৰ কথা কওঁ, মন্ত্ৰী বিধায়ক সকলৰ

---

* Speech not corrected

লগত থকা পি, এচ, অ, সকলে অভিযোগ কৰিছে যে তেওঁলোকে টি, এ, বিলৰ টকা পোৱা নাই । কেৱল মুখ্যমন্ত্ৰী মহোদয়ৰ লগত থকা সকলেহে বিলৰ টকা পাইছে । বাকী কোনো পি, এচ, অ, ই পোৱা নাই । বাজেট অধিবেশনতে তেখেত সকলৰ টকাটোৰ কথা কব লাগে । আৰু এটা কথা হৈছে । ১৬২ লাখ টকা নতুনকৈ ধৰিছে । সেই টোক ডাঙৰ ডাঙৰ অফিচাৰ সকলক দিব নে দেহৰক্ষী সকলক দিব । মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে ৰাজহুৱা ভাৱে জনাই দিব লাগে এইটো শুদ্ধ হৈছে নে অশুদ্ধ হৈছে । অন্য এটা কথা হৈছে যে বুলেট প্ৰুফ ভেন্টৰ কাৰণে ১ কোটি টকা ধাৰ্য্য কৰা হৈছে - ইয়াত দেখিছো যে ১ কোটিৰো অধিক টকাৰে কিনিব । অসমৰ যিমান বিলাক মুখ্যমন্ত্ৰী হৈ গল কোনো মন্ত্ৰীৰ কাৰণে বুলেট প্ৰুফ ভেণ্ট কিনা শুনা নাই আৰু কোনো বুৰঞ্জীতো পোৱা নাই। আছে যদিও মই নাজানো । এতিয়া অসমৰ মন্ত্ৰী সকলে বুলেট প্ৰুফ ভেণ্ট পিন্ধিব লগীয়া হৈছে । এই বুলেট প্ৰুফ কোনে পিন্ধিব, কাৰ কাৰণে কিনা হৈছে আৰু কিমান টকা ব্যয় হব ? চৰকাৰ গঠন কৰা নিৰাপত্তা নাই, সৰ্ব্বসাধাৰণ ৰাইজৰ কি নিৰাপত্তা আছে । এতিয়া মন্ত্ৰী সকলে ভাবিছে যে এনেকুৱা বুলেট প্ৰুফ ভেণ্ট অনা প্ৰয়োজন হৈছে । সেইকাৰণে এই কথা বিলাক মই সদনত ব্যক্ত কৰিছো । মই ওপৰৰ কথা কৈছো আৰু এইটো বাতৰি কাকতত আছে । ডাঃ লহকৰে ইয়াৰ এটা স্পষ্টীকৰণ দিছে । কথাটো হল ২০ জন লৰাক প্ৰত্যেক সমষ্টিৰ পৰা পুলিচৰ চাকৰিত নিযুক্তি দিয়া হব । মোৰ কথা হ'ল এই ২০ জন লৰাক কেৱল ৰুলিং পাৰ্টিৰ সমষ্টিৰ পৰাই দিয়া হব নেকি ? ইন্দিয়ান ৰিজাৰ্ভ ফোৰ্চ নামেৰে এটা নতুন বেটেলিয়ন খুলিব ধৰিছে । তাৰ বাবে প্ৰত্যেক সমষ্টিৰ পৰা ২০ জন কৈ লৰা লব । এই সংক্ৰান্তক মই ডি জি পি আৰু ডি আই জি (এডমিনিষ্ট্ৰেচন) ক লগ ধৰিছো । কিন্তু ৰাজনৈতিকভাৱে পুলিচ ফোৰ্চত নিয়োগ কৰাটো উচিত নহয় । আপোনালোকক যদি ৰাজনৈতিকভাৱে নিয়োগ কৰে তেতিয়া হলে ৰুলিং পাৰ্টিৰ সমষ্টিৰ পৰা নিযুক্তি পাব আৰু বিৰোধী পক্ষৰ সমষ্টিবোৰ তাৰ পৰা বঞ্চিত হব । এইটো ভবিষ্যতে পুলিচ ফোৰ্চৰ ওপৰত মাধমাৰ পৰিব ।

মই এটা সাধাৰণ উদাহৰণ দিও যে গণেশ গুৰিত এজন পগলাই লাঠিৰে গাড়ী বিলাকত কোবায় আৰু ১০ টকাকৈ লয় । তাত কৈ বেচিও নলয় । মই সদায় লক্ষ্য কৰি আছো । তাৰ পিছত এজন লৰাৰ হতুৱাই খবৰ কৰি জানিব পাৰিলো যে এই টকা বিলাক ষ্টাৰ হোটেলত পুলিচৰ মাজত ভাগ হয় আৰু কিছু টকা ওপৰলৈ যায় ।

ওপৰলৈ বুলি কোৱা হৈছে কিন্তু মুখ্যমন্ত্ৰীৰ নাম কোৱা নাই বা ডি চি , এচ পি ৰ নাম কোৱা নাই । কিন্তু ওপৰলৈ বুলি কলে মই মুখ্যমন্ত্ৰী পৰা এচ পি, ইন্স পেক্টৰ আৰু থানাৰ অ' চি জনকো ধৰিব পাৰো । কিন্তু কথা হ'ল এনেধৰণৰ প্ৰকৃততে কথা হৈছে নে নাই । মাননীয় সদস্য শ্ৰীৰাগিবী চাহাবে দুৰ্নীতি ৰোধ কৰাৰ সম্পৰ্কত কৈছে যে নিজে দুৰ্নীতি কৰিলে বেলেগে কৰা দুৰ্নীতি কেনেকৈ ৰোধ কৰিব । মই নিজে যদি দুৰ্নীতি কৰোঁ তেনেহলে ৰাইজৰ আগত দুৰ্নীতিৰ বিৰুদ্ধে কি বক্তব্য দিম । এতিয়া এজন চিপাহীয়ে ১০ টকা লোৱাটো যদি বন্ধ কৰিব নোৱাৰো তেতিয়া হলে দুৰ্নীতি হৈয়ে থাকিব ।

আজি ৰাতিপুৱা মোৰ ওচৰলৈ এজন পুলিচ বিষয়া আহিছিল । মই ঘৰৰ ভিতৰত হুক মাৰি থবলৈ মন গৈছিল । অফিচাৰ জন কিয় আহিছিল পিছত গম পালো যে নো কনফিদেঞ্চ মোচনৰ সম্পৰ্কত দুজনমান এম এল এ ক দিবৰ কাৰণে টকা সংগ্ৰহ কৰিছে । সেই দুজন এম এল এ ৰ কথা মাননীয় সদস্য শ্ৰীনগেন শৰ্ম্মা আৰু শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে ধৰা পেলাইছে মুঠতে কোনোৱা নিৰ্দ্দলীয় বিধায়কক অনাস্থা প্ৰস্তাবৰ বিৰুদ্ধে ইনফ্লুৱেন্স কৰিবৰ কাৰণে এইটো কৰিব পাৰে । পিছত শুনিবলৈ পাইছো যে অতি সোনকালে কাৰোবাক দুই লাখ দিব লাগে । গতিকে মোৰ ধাৰণা যে - এইটো হৈছে যদিও ৰাজনৈতিক ভিত্তিত হৈছে । এইটো কথা বেলেগ । কিন্তু কথা হ'ল পুলিচক ৰাজনৈতিক কামত কিয় ব্যৱহাৰ কৰিব লাগে ? ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰাটো ভাল হোৱা নাই । পুলিচক জন-কল্যাণ মুলক কামতহে ব্যৱহাৰ কৰিব লাগে । পুলিচক যিকোনো কামত ব্যৱহাৰ কৰিলে বিপদ হব । এতিয়া কথা হ'ল পুলিচে লৰাজনক ধৰি আৰ্মি মিলিটেৰীৰ হাতত গতাই দিলে । তাৰ পাছত দেখা গল যে লৰা জনক আকৌ মিলিটেৰীৰ পৰা ঘূৰাই আনিব লাগে । মিলিটেৰী অসমলৈ আনি শ্ৰীশইকীয়া চৰকাৰে ভালেই কৰিছে । কাৰণ মিলিটেৰীৰ যিটো উৎপাত - সেইটো অসম পুলিচৰ উৎপাততকৈ কিছু সহনীয় বুলি মানুহৰ ধাৰণা । আচলতে পুলিচ বিপদৰ বন্ধু । আপুনি এখন চিনেমা চাওঁতেও দেখিব যে পুলিচ আৰু এজন পলিটিচিয়ানক জনকল্যাণৰ কামতহে নিয়োজিত কৰিছে । সেইদৰে আজি কালিৰ নতুন চিনেমা আৰু নাটক সমুহতো তেনে ধৰণৰ অৰ্থাৎ জনকল্যাণমূলক কামতহে ৰোল প্লে কৰিবলৈ দিয়া হয় ।

অধ্যক্ষ মহোদয়,খুজি কিল খাব নাপায় । মাত মাতিব নোৱাৰা চাৰিটা মিনিষ্টাৰ আছে। সেইখিনি হ'ল - মেড, বেড, হেট আৰু চেড । মেড হ'ল - এম, এ, ডি - পৌৰপ্ৰশাসন

মন্ত্ৰী, বেড হ'ল - বৰ্ডাৰ এৰিয়াজ ডিপাৰ্টমেণ্ট, হেট হ'ল - হেন্ডলুম এণ্ড টেক্সটাইল আৰু এচ, এ, ডি - এই চাৰিজন মন্ত্ৰীয়ে মুখ্যমন্ত্ৰীক বিপাঙত পেলাইছে । বাকী কেইজনে উৎপাতত থাকিব নোৱাৰি বহি আছে । এতিয়া আপোনালোকৰ প্ৰতি মানুহৰ ধাৰণা সলনি হৈছে ।

অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী দাস দেৱৰ দৃষ্টি আকৰ্ষণ কৰি কব বিচাৰিছোঁ যে - আপোনালোকে পুলিচক জনকল্যাণমূলক কামত ব্যৱহাৰ কৰক । নিৰাপত্তা মূলক কামত ব্যৱহাৰ কৰক । নহলে যিপাত কাঁড় আমালৈ মাৰিব বিচাৰিছে - সেই একেপাত কাড়ঁকে আপোনালোকৰ ক্ষেত্ৰতো ব্যৱহাৰ হব । হাইলাকান্দিত ১৪৪ ধাৰা দিছে । যেতিয়া সময় আহিব - এবেটা প্ৰিচিডেণ্টকে ৰাখিব লাগিব । সেইকাৰণে ভাল কামৰ উদাহৰণ আপোনালোকে দেখুৱাব লাগিব। কিছুদিন আগতে মহাৰাষ্ট্ৰৰ ভুমিকম্পৰ বাবে অসম চৰকাৰৰ পুঁজিৰ পৰা পইচা দিছে । অসমৰ হস্ত আৰু তাত শিল্প বিভাগৰ মন্ত্ৰীয়ে পইচাখিনি গৈ দিছে বুলি জানিব পাৰিছো । অসম চৰকাৰৰ টকাখিনি কংগ্ৰেছ সভাপতিয়ে দিয়াৰ কাৰণে আমাৰ সন্দেহ হৈছে যে এই টকা আচলতে অসম চৰকাৰৰ নে কংগ্ৰেছ পাৰ্টিৰ ? অসমৰ টকা কংগ্ৰেছ পাৰ্টিৰ নামত দিয়াটো উচিত নহয় । এতিয়া কথা হ'ল - চুৰ য'ত থাকে পুলিচ তাত থাকে । পুলিচক জন-কল্যাণ মূলক কামত ব্যৱহাৰ নকৰি ৰাজনৈতিক কামত ব্যৱহাৰ কৰিছে । সেইদৰে অসম চৰকাৰৰ টকা অসম চৰকাৰৰ নামত নিদি অসম কংগ্ৰেছৰ নামত দি এবাৰ ক্ৰেডিত লব বিচাৰিছে ?

* **শ্ৰীনকুল দাস** (মন্ত্ৰী, হস্ত তাত শিল্প) ঃ- অসম চৰকাৰৰ নামতেই দিয়া হৈছে ।

* **শ্ৰীজয়নাথ শৰ্ম্মা** ঃ- এই খিনি ক'ৰ টকা ।

* **শ্ৰীনকুল দাস** (মন্ত্ৰী, হস্ত তাত শিল্প) ঃ- এই খিনি মুখ্যমন্ত্ৰীৰ ৰিলিফ ফাণ্ডৰ টকা

* **শ্ৰীজয়নাথ শৰ্ম্মা** ঃ- মুখ্যমন্ত্ৰীৰ ফাণ্ডৰ টকাখিনি কাৰ টকা ?

* **শ্ৰীনকুল দাস** (মন্ত্ৰী, হস্ত তাত শিল্প) ঃ এই খিনি কাৰ টকা - মাননীয় সদস্যজনে নিজে জানে ।

**মাননীয় অধ্যক্ষ** ঃ- তেখেতে কলেই চৰকাৰৰ পইচা দিয়া বুলি । আপুনি কিয় ধৰি আছে ।

* **শ্ৰীজয়নাথ শৰ্ম্মা** ঃ- বহু কথাই ৰেফাৰেঞ্চত আহি যায় ।

**মাননীয় অধ্যক্ষ** ঃ- ৰেফাৰেঞ্চৰ সীমাবদ্ধতা থাকিব লাগে ।

* **শ্ৰীজয়নাথ শৰ্ম্মা** ঃ- আমি জানিছো টকাতো হস্ততাত আৰু বস্ত্ৰ মন্ত্ৰীয়ে দিছে অথাৎ হেড মন্ত্ৰীয়ে দিছে ।

**মাননীয় অধ্যক্ষ** ঃ- আপুনি মুল দাবীটোলৈ আহক ।

* **শ্ৰীজয়নাথ শৰ্ম্মা** ঃ- আহিম চাৰ নহলে আপুনি সদন স্থগন কৰি গুচি যাব পাৰে তেতিয়া হলে আমাৰেই লোকচান হব কিয়নো পৰহি আমাৰ অনাস্থা প্ৰস্তাৱ আহিব । তেতিয়ালৈকে

* Speech not corrected

আপুনি যি কয় তাকে শুনিম, এতিয়াই বহি যাবলৈ কলেও বহি যাম । মই এতিয়া মুখ্য মন্ত্ৰী মহোদয়ক তিনিটা প্ৰশ্ন কৰিব খুজিছো - প্ৰথম - পুলিচক ৰাজনৈতিক কামত ব্যৱহাৰ কৰাৰ সলনি জনকল্যাণ কামত ব্যৱহাৰ কৰিব নে নাই ? দ্বিতীয়তে, পুলিচ ভেহিকুলৰ নামত যিখিনি টকা ধৰিছে ইতিমধ্য তাৰ মিচইউজ হৈছে এছ, পি যে গাড়ী ৰিকুইজিচন কৰি আপোনালোকৰ দলৰ কৰ্ম্মী সকলক ব্যৱহাৰ কৰিবলৈ দিয়ে গতিকে এই পইচাখিনি সৎ কামত ব্যৱহাৰ কৰিব নে নাই ? তৃতীয়তে, বুলেট প্ৰুফ ভেন্ট কিনাৰ কি কাৰণ, কি দৰকাৰ হ'ল ? বিষয়টো সদনক অৱগত কৰিব লাগে ।

আইন শৃংখলাৰ ক্ষেত্ৰত টাটা টি কোম্পানীৰ কাৰ্য্যবাহী বিষয়া শ্ৰীবলীন বৰদলৈকঅপহৰণ কৰাৰ কেইদিনমান পাছতে গুৱাহাটী মহানগৰীৰ পুলিচ অধীক্ষকে বিবৃতি দিলে যে বলীন বৰদলৈ ক'ত আছে আমি জানো । মই চৰকাৰক সুধিব খুজিছো যদি বলীন বৰদলৈ ক'ত আছে স্বয়ং পুলিচ বিভাগেই জানে তেতিয়াহলে আজিলৈ উলিয়াই অনা নাই কিয় ? মোৰ বোধেৰে টাটা টি কোম্পানী আৰু অসম চৰকাৰৰ কিবা ষড়যন্ত্ৰ আছে কাৰণ টাটা টি কোম্পানীৰ হেড অফিচ অসমৰ পৰা বেলেগ ৰাজ্যলৈ নিব বিচাৰিছে আৰু এই ক্ষেত্ৰত তেওঁলোকক ৰাজনৈতিক ভাৱে চৰকাৰে সহায় কৰি থকা বুলি অনুমান হয় । নহলে অসমৰ স্বনামধন্য গোপীনাথ বৰদলৈৰ নিচিনা এজন ব্যক্তিৰ সুযোগ্য সন্তানক অপহৰণৰ পৰা মুক্ত কৰি আনিবলৈ আজিলৈ কোনো ব্যৱস্থা লোৱা দেখা নাই । যদি চৰকাৰে কিবা কৰিছে তেনেহলে ৰাইজক কিয় অৱগত কৰা নাই । শ্ৰীবৰদলৈৰ মুক্তিৰ কাৰণে হেচা প্ৰয়োগ কৰিবলৈ শ্ৰীবৰদলৈৰ মাতৃয়ে টাটা টি কোম্পানীৰ হেড অফিচত অনশন কৰিছিল আৰু তেতিয়া অসমৰ মুখ্যমন্ত্ৰী তালৈ গৈ তেখেতক আশ্বাস দিছিল যে অসম চৰকাৰে সকলো প্ৰকাৰৰ চেষ্টা কৰিব তেখেতে অনশন কৰিব নালাগে । সেয়ে মুখ্যমন্ত্ৰীৰ আশ্বাসৰ প্ৰতি সন্মান জনায় বৰদলৈৰ মাতৃয়ে অনশন ভঙ্গ কৰিলে কিন্তু অনশন ভঙ্গ কৰাৰ পাছত আজিলৈ চৰকাৰে কি ব্যৱস্থা লৈছে বলীন বৰদলৈক কিয় উলিয়াব পৰা নাই একোকে প্ৰকাশ কৰা নাই । অথচ এই চৰকাৰৰ দুবছৰ কাল পূৰ্ণ হওঁতে খবৰৰ কাগজৰ ভিতৰ পৃষ্ঠা ভৰ্ত্তি কৰি লিখিছিল চৰকাৰৰ কাম কাজৰ বিষয়ে যদি বৰদলৈক মুক্ত কৰাত প্ৰশাসন ব্যৰ্থ হৈছে তেনেহলে ৰাইজৰ সহযোগ বিচাৰক ৰাইজৰ ওচৰত চৰকাৰে কিয় চাৰেন্দাৰ কৰিব নোৱাৰে যে আমি এই কাম কৰিব নোৱাৰিলো আপোনালোকে সহযোগ কৰক নে চৰকাৰৰ লজ্জা লাগিছে । আমি জানো কংগ্ৰেছৰ মাত্ৰ নাকটো উশাস নিশাস লোৱাৰ কাৰণেহে আছে লাজৰ কাৰণে নাই ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি দাবী মঞ্জুৰীলৈ আহক ।

* Speech not corrected

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ লাজ থাকিলেনো বাৰু এই দাবী মঞ্জুৰী সদনত আনেনে ? পুলিচৰ লাজ থাকিলেও কংগ্ৰেছৰ লাজ নাই ।

মাননীয় অধ্যক্ষ ঃ কংগ্ৰেছৰ লাজ নাই এই কথাটো কাৰ্য্যবিৱৰনীৰ পৰা উঠাই লোৱা হওঁক ।

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ চাৰ কোনটো উঠাই ললো কলে ময়ে উঠাই ললো হেতেন । মই এতিয়া কোকৰাঝাৰ আৰু বঙ্গাইগাওঁৰ কথালৈ আহিছো । কোকৰাঝাৰ আৰু বঙ্গাইগাওঁত যি ক্ষতি হৈছে সেই ক্ষতি দুটা শ্ৰেণীৰ মাজত পোনপটীয়াভাৱে হৈছে এটা হৈছে সংখ্যালঘু আৰু আনটো হৈছে বড়ো । এই ঘটনাৰ আৰঁত ৰাজনৈতিক শক্তিৰ ডিজাইন আছে বা পৰিকল্পনা আছে । কিন্তু এই পৰিকল্পনা কোনে কৰিলে । কাগজ পত্ৰে যি তথ্য পাইছো নন্দী নামৰ এজন কংগ্ৰেছ কৰ্ম্মীৰ কাৰণে এই ঘটনাৰ সুত্ৰপাত হৈছে । নন্দী নামৰ কৰ্ম্মী এজনক কেম্পৰ পৰা খেদি পঠিওৱাৰ কাৰণে এইবিলাক ঘটিছে বুলি খবৰ কাগজতে কৈছে । তাত প্ৰশাসন সম্পূৰ্ণ ব্যৰ্থ। আমি তালৈ যেতিয়া গৈছিলো তেতিয়া পুলিচক সুধিছিলো জুই জলোৱা আপোনালোকে দেখিছিল নে নাই তেতিয়া কৈছিল আমি দেখিলে কি হব আমাৰ দেখিলেও একো কৰাৰ ক্ষমতা নাই । ৰাইজক ৰক্ষা কৰিবলৈ যদি পুলিচৰ হাতত কোনো ক্ষমতা নাথাকে তেনেহলে এই বাহিনীটো কিহৰ কাৰণে ? এতিয়া কথা হল ক্ষমতা প্ৰয়োগ কৰিবলৈ চৰকাৰে দিছে নে নাই ? আমি যোৱাৰ পাছদিনাই মুখ্যমন্ত্ৰী তালৈ গৈছিল তাৰ পিছতহে দেখিলো দেখা মাত্ৰেই গুলী কৰিবলৈ নিৰ্দ্দেশ দিছে । এতিয়া কথা হল তেওঁলোকৰ হাতত সেই ক্ষমতা নাছিল যেতিয়া কি কৰিব ? আজি খবৰৰ কাগজত দেখিলো ডি চি / এচ পি বদলি কৰিছে । তাৰ এচ পি জন সংখ্যা লঘুৰ আৰু সংখ্যালঘু মানুহেই বেছি এফেক্টেড হৈছে । এতিয়া এইজন এচ পি থকা হলে তেওঁ সেইবিলাক ঠাইত গৈ ৰাইজক বুজাব পাৰিলে হেতেন ? অৱশ্যে বদলি হৈছে নে নাই কব নোৱাৰো তাত নোটিফিকেচনৰ নংটো দিয়া নাই । আমাৰ কথা হল পুলিচে ৰাইজক নিৰাপত্তা দিয়াৰ কাৰণে তেওঁলোকৰ হাতত যিখিনি ক্ষমতা তাক কাৰটেইল কৰিছে নেকি ? পুলিচক ৰাইজক ৰক্ষনাবেক্ষণ দিয়াৰ কাৰণে যিখিনি সময়সুবিধাৰ দৰ্কাৰ সেইখিনি দিয়া নাই । এই দাবী মঞ্জুৰী উৎথাপন কৰোতেই মুখ্যমন্ত্ৰীয়ে এটি ব্যাখ্যা দিয়া হলে আপত্তি নকৰিলোহেতেন । পুলিচক টকা দিছো আইন শৃংখলা ৰক্ষা কৰিবৰ কাৰণে কিন্তু এই টকা লৈ কোনো যোগানকাৰীৰ বিলহে যদি আদায হয় তেনেহলে তাৰ কাৰণে আমি নিশ্চয় প্ৰতিবাদ কৰিম । পুলিচক আধুনীকিকৰণ কৰক ।

অধ্যক্ষ মহোদয়, সেয়ে পুনৰ মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰো যে,

* Speech not corrected

পুলিচ সম্পৰ্কত আপোনালোকে পুলিচ বিভাগটো মদাৰেনাইজ কৰাৰ ক্ষেত্ৰত আমাৰ বিৰোধী দলৰ কোনো আপত্তি নাই । মদাৰেনাইজেচনৰ ক্ষেত্ৰত আপোনালোকৰ যি ইচ্ছা কৰক কিন্তু ৰাইজক ৰক্ষনাবেক্ষন দিয়াতো পুলিচৰ কৰ্ত্তব্য আৰু দায়িত্ব হব আৰু দেশৰ আইন শৃংখলা ৰক্ষা কৰিব লাগিব প্ৰশাসন পুলিচৰ ওপৰত নিৰ্ভৰ কৰিব । গতিকে পুলিচ বিভাগটো মদাৰেনাইজ কৰাৰ বাবে আপোনালোকে সদনৰ পৰা কিবা অনুমোদন বিচাৰিলে আমি তাত বিৰোধীতা নকৰো । গতিকে পুলিচৰ যিবিলাক অভাৱ অভিযোগ আছে সেইবিলাকৰ পৰা তেওঁলোকক বঞ্চিত কৰি আপোনালোকৰ বুলেট প্ৰুফ ভেণ্ট কিনাত ব্যস্ত থাকিলে সমস্যা সমাধান নহব । এইখিনিতে মই মুখ্যমন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব বিচাৰিছো আপুনি যিটো ব্যাখ্যা দিছে সেইটোৰ লগত চিক্ৰেট চিৰিয়াছ বুলি ১০ লাখ দেখুৱাইছে যিটোৰ ইয়াৰ লগত কোনো সামঞ্জস্য নাই । আশাকৰো ইয়াৰ উত্তৰটো মুখ্যমন্ত্ৰীয়ে দিব । তাৰোপৰি কোকৰাঝাৰ আৰু বঙাইগাৱঁত যি দুভাৰ্গ্যজনক ঘটনা এই ঘটনাত পুলিচে কি কাৰণে ফেইল কৰিছে ইয়াৰো উত্তৰ দিব আৰু ট্ৰেভেল এক্সপেঞ্চৰ বাবে যি ৯৬২ লাখ টকা ধৰা হৈছে তাত পি, এচ, অ সকলে আৰু দেহৰক্ষী সকলে তেওঁলোকৰ টি, এ পাবনে নাপায় এইটোৰো ব্যাখ্যা দিব বুলি আশা কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

* **শ্ৰীচন্দন চৰকাৰ** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আজি পুলিচৰ দাবী মঞ্জুৰীৰ যি প্ৰস্তাব আহিছে সেই প্ৰস্তাৱৰ বিৰোধীতা কৰি মই মাত্ৰ কেইটামান কথাৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো । এই সম্পৰ্কত বিৰোধীদলৰ পৰা শৰ্ম্মা ডাঙৰীয়া আৰু ভালেকেইজন সদস্যই নানা কথা কৈছে । মই পুৰণা ৰেকৰ্দ বিচাৰিবলৈ নাযাও । মই কেইটামান কথাৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো । বৰ্ত্তমান অসমত যি পুলিচ বাহিনী আছে পুলিচ বিভাগ আছে তেওঁলোকে যথেষ্ট কাম কৰিছে বুলি মই প্ৰকাশ কৰো । অধ্যক্ষ মহোদয় আপুনিও নিশ্চয় মোৰ লগত একমত হব । ১৯৮৫ চনৰে পৰা ১৯৯০ চনলৈকে অসমত সামগ্ৰিকভাৱে কি পৰিস্থিতি হৈছিল আৰু পুলিচৰ কি ভুমিকা আছিল আপোনাৰ নিশ্চয় অৱগত হৈছে । আৰু ১৯৯১ চনৰ পৰা আজিৰ দিনলৈকে পুলিচৰ কি ভূমিকা এইটোও আপোনাৰ অৱগত । অধ্যক্ষ মহোদয়, যোৱা ৫ টা বছৰত পুলিচক নিস্ক্ৰিয় কৰি ৰখা হৈছিল । ৰাজনৈতিক ভাবে । আজি পুলিচে মুকলিমুৰীয়াকৈ কাম কৰিব পাৰিছে । নিজৰ ইচ্চামতে কাম কৰিব পাৰিছে তাত কোনো ৰাজনৈতিক হস্তক্ষেপ নাই । আজিৰ আমাৰ পুলিচ বাহিনীয়ে অসমৰ গুৱাহাটী মহানগৰীতে বিভিন্ন চিৰিয়াচ ক্ৰাইম ধৰিবলৈ সক্ষম হৈছে । আজি এক মাহ মানৰ আগতে বঙাইগাৱঁত পুলিচে ৫০ লাখ টকাৰ

গাজাৰ ট্ৰাক ধৰিছিল মাননীয় সদস্য শৰ্ম্মা ডাঙৰীয়াই কংগ্ৰেছৰ সম্পৰ্কত বহুতো কথা দৃষ্টিগোচৰ কৰিছে। কিন্তু যোৱা ৫ টা বছৰত আমাক কোনো নিৰাপত্তা দিব পৰা নাছিল। কিন্তু যোৱা ৫ টা বছৰত হিচাব কৰিলে দেখা যায় যে, বহুতো কংগ্ৰেছী লোকক উগ্ৰপন্থীয়ে হত্যা কৰিছে। পুলিচে কোনো বাধা দিব পৰা নাই। তাৰোপৰি অসমত যিমান বিলাক জংঘল আছিল তাত যোৱা ৫ টা বছৰত তাত উগ্ৰপন্থীয়ে থিতাপি লৈ আছিল আৰু পুলিচে নিৰাপত্তা দিছিল। সুধিলে কয় যে, ট্ৰেইনিং কেম্প চলি আছে। তেওঁ লোকে কয় আমি একো কৰিব নোৱাৰো। চৰকাৰৰ ফালৰ পৰা নিৰ্দ্দেশ আছে আমি একো কৰিব নোৱাৰো। যাৰ কাৰণে যোৱা ৫ টা বছৰত অসমৰ আইন শৃংখলা ৰক্ষা কৰাত পুলিচ ব্যৰ্থ হৈছে। কিন্তু আজি পুলিচ ব্যৰ্থ হোৱা নাই। আজি যতেই গন্দগোল হৈছে তালৈকে পুলিচ সময়মতে গৈছে আৰু সকলো বিলাক কণ্ট্ৰল কৰিছে। আজি দুটা বছৰে যিবিলাক কাম পুলিচে কৰিছে তাৰ বাবে পুলিচ বিভাগক ধন্যবাদ দিব বিচাৰিছো। অধ্যক্ষ মহোদয়, আজি পুলিচ বিভাগত বিভিন্ন দিশত, বিভিন্ন শিতানত টকা পইচাৰ প্ৰয়োজন হৈছে। যাৰ বাবে আজি এই পৰিপূৰক দাবী মঞ্জুৰী আহিছে। এইটোৰ প্ৰয়োজন আছে। পুলিচ বিভাগ যি টকাৰ প্ৰয়োজন সেই টকা দিব নোৱাৰিলে পুলিচে ক্ৰাইম কেনেকৈ ধৰিব? আইন শৃংখলা কেনেকৈ অটুট ৰাখিব? তাৰোপৰি উগ্ৰপন্থী ধৰাৰ বাবে পুলিচে জংঘলত খোলা টাকেৰে সোমাই যাব লাগে, যি কোনো মূহুৰ্ত্ততে উগ্ৰপন্থীয়ে গুলিয়াব পাৰে। সেইকাৰণে মই ভাবো যে, এখন বুলেট প্ৰুফ ট্ৰাক পুলিচ বিভাগৰ বাবে কিনিব লাগে। যাতে উগ্ৰপন্থীয়ে পুলিচক গুলিয়াব নোৱাৰে।
(আপোনালোকে বুলেট প্ৰুফ ট্ৰাক কিনিব বিচাৰিছে কিনক)

অধ্যক্ষ মহোদয়, আজি বিভিন্ন কাৰণত আজিৰ টকাৰ প্ৰয়োজন হৈছে। আমাৰ অসমত পুলিচ বাহিনী ভালকৈ গঠন কৰিব লাগিব। আমি জানো কেতিয়াবা ২/১ ঠাইত গন্দগোল হব পাৰে আৰু হয়তো পুলিচ তালৈ সময়মতে যাব নোৱাৰিব পাৰে আজি মই বঙাইগাৱঁৰ কথাকে কৈছো। আমি যেতিয়া গৈছিলো তেতিয়া পুলিচ অধীক্ষক ফিল্ডত আছিল। তেখেতক আমি ধন্যবাদ দিছো। তেখেত উপযুক্ত সময়ত তালৈ গৈছে আৰু সময়মতে যোৱাৰ কাৰণে সেই ঠাইৰ পৰা ৪/৫ হাজাৰ মানুহক ৰিলিফ কেম্পলৈ নিব পাৰিছে। আমি যাওঁতেও গম পাইছো যে, সেইবিলাক ঠাইত যাতায়তৰ অসুবিধা। কাৰণ আবছুৰ আন্দোলনৰ সময়ত দলং বিলাক উঠাই দিয়া হৈছিল। সময়মতে দিব নোৱাৰা কাৰণে অসুবিধা হৈছে। এইটো মই নিজে স্বীকাৰ কৰো। কিন্তু পুলিচ বাহিনী সময়মতে যোৱাৰ বাবে আৰু প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ

বাবে আৰু বেচি একো হবলৈ পোৱা নাই । গতিকে পুলিচ বাহিনীক আমি দোষাৰোপ কৰিলে নহব । আজি ৰাজনৈতিক ভাৱে পুলিচক ব্যবহাৰ কৰা হোৱা নাই । কংগ্ৰেছৰ ২ বছৰৰ শাসনৰ ইতিহাস চালে দেখা যায় যে, ১৯৮৫ চনৰে পৰা কিমান জন মানুহ হত্যা কৰিলে তাৰ এজনকো পুলিচে ধৰিব পৰা নাই । এ, জি, পি ৰ ৫ বছৰীয়া ৰাজত্ব কালত দোকান পোহাৰ বিলাকে সন্ধিয়া ৫ বজাতে বন্ধ হৈছিল আমাৰো অহা যোৱা কৰিবলৈ ভয় হৈছিল কেতিয়াবা গুলি খাবলগা হয় বুলি কিন্তু আজি সকলো দল, জনসাধাৰণ মুকলি মনেৰে ফুৰাচকা কৰিব পাৰিছে । ভয় আৰু সন্ত্ৰাসৰ কোনো ভাৱ নাই । গতিকে পুলিচ বাহিনীক নিজৰ ববীয়াকৈ কাম কৰাৰ বাবে সুবিধা দিব লাগে। উগ্ৰপন্থী দমনৰ ক্ষেত্ৰত পুলিচে যথেষ্ট সাফল্য লাভ কৰিছে । গতিকে মই ভাৱো আজি যি দাবী মঞ্জুৰী আহিছে তাৰ ওপৰত যি প্ৰস্তাব অনা হৈছে সেই প্ৰস্তাবটো বিৰোধী দলৰ সদস্যসকলে উঠাই লব । পুলিচৰ বিভিন্ন সা-সুবিধাৰ বাবে টকাৰ প্ৰয়োজন হৈছে তেওঁলোকে দেশৰ আইন শৃংখলা ৰক্ষা কৰিব লাগিব ।

(ভইচঃ এই টকাৰ পৰা পি, এচ, অ সকলে টি, এ, পাবনে নাই ?)

অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ জনাইছো এই ১৪ কোটি ৭০ লাখ টকা কমহে হৈছে । এই টকা আৰু বঢ়াই দিব লাগে । যি সকলৰ পুলিচ বিষয়াৰ থকা ঘৰৰ অসুবিধা হৈছে, তেওঁলোকৰ কাৰণে থকা ঘৰৰ ব্যৱস্থা কৰিব লাগে। যি সকলে পুলিচৰ লোকে টি, এ, বিলৰ টকা পোৱা নাই, সেই সকলক এই টকা দিব লাগে। - টকাৰ যদি আৰু প্ৰয়োজন হয় তেন্তে সেইয়া ধৰিব লাগে । মই এটা কথা বিৰোধী দলৰ মাননীয় সদস্য সকলক কব খোজো যে তেখেত সকলে সকলো দোষ চৰকাৰৰ ফালে বা কংগ্ৰেছৰ ফালে ঠেলি দিব নেলাগে । আজি গোলোকগঞ্জৰ ৰতিয়াদহত পুলিচৰ গুলি চালনাৰ কথা কৈছে । আইন শৃংখলা ৰক্ষাৰ দায়িত্বত পুলিচ বাহিনী নিয়োজিত কৰা হৈছে গতিকে পৰিস্থিতি চায় বাউন্ড হৈছিল নিশ্চয় । পুলিচে পৰিস্থিতি চায় সময় সাপেক্ষে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব । তেওঁলোকো আইন মানি চলিব লাগিব । পুলিচৰ গুলিত মানুহ মৰিব পাৰে কিন্তু আমি এইটো চাব লাগিব যে সেই গুলি চালনা কৰাত আইন ভঙ্গ কৰা হৈছে নেকি ? পুলিচে ঠিক মতে পৰিস্থিতিলৈ চায় কাম কৰিছে নে নাই । আজি আমাৰ এজন মাননীয় সদস্যই ১০ লাখ টকাৰ কথা কৈছে —

* শ্ৰীগিয়াছুদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা ইনটাৰাপচন কৰিব খুজিছো - ৰতিয়াদহৰ পুলিচ ফায়াৰিং মাননীয় সদস্য গৰাকীয়ে জাষ্টিফাই বুলি কৈছে ।

* শ্ৰীচন্দন কুমাৰ চৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই জাষ্টিফাই কৰা নাই । আইন শৃংখলা ৰক্ষা কৰাৰ ক্ষেত্ৰত পুলিচৰ দায়িত্ব ৰক্ষাৰ বিষয়েহে কৈছো । তেওঁলোকক দোষ দিব নোৱাৰি । অধ্যক্ষ মহোদয়, গুৱাহাটী চহৰত আজি পুলিচ বাহিনীয়ে ক্ৰাইম কৰা লোকক ধৰিবলৈ সক্ষম হৈছে । পুলিছে সফলতা দেখুৱাইছে । আগৰ ৫ বছৰত পুলিচ বিভাগত কিমান দুৰ্নীতি হৈছিল সেই কথাও আমি জানো । আমাৰ হাততো পুৰণি ৰেকৰ্ড আছে, এঘণ্টা কিয় ৩ দিন ধৰি সেইবোৰ কব পাৰো কিন্তু মই এই পবিত্ৰ সদনৰ মৰ্য্যাদা ৰক্ষা কৰি মোৰ বক্তব্য ৰাখিব খুজিছো । সেইবোৰ ইয়াত আলোচনা হব নেলাগে । আমাৰ পুলিচ বাহিনীয়েও ভাল কৰিছে সেইবোৰ আমি কব লাগে । আমাৰ পুলিচ বাহিনীয়েও কেতিয়াবা ভুল কৰিব পাৰে । তেওঁলোকৰ অভাৱ বহুতো আছে, অসুবিধাও ঢেৰ আছে - মই মাননীয় মুখ্য মন্ত্ৰীক অনুৰোধ জনাইছো পুলিচ বাহিনীত থকা অভাৱ অসুবিধাবোৰ দুৰ কৰাৰ ব্যৱস্থা কৰিব লাগে । আজি বঙাইগাৱঁত গাড়ীৰ অসুবিধাৰ কাৰণে, ৰাষ্টাৰ অসুবিধাবোৰ দুৰ কৰাৰ ব্যৱস্থা মুখ্যমন্ত্ৰীয়ে কৰিব লাগে । পুলিচৰ অসুবিধা সমুহ মাননীয় মুখ্যমন্ত্ৰীয়ে পুংখানু পুংখভাৱে চাই এইবোৰ দূৰীকৰণৰ ব্যৱস্থা কৰিব লাগে আৰু পুলিচে যাতে জনসাধাৰণক নিৰাপত্তা কোনো অসুবিধা নোহোৱাকৈ দিব পাৰে তাৰ ব্যৱস্থা কৰিব লাগে । এই খিনিকে কৈ মই পৰিপূৰক দাবী মঞ্জুৰী সমৰ্থন কৰি মোৰ বক্তব্য সামৰিছো । ধন্যবাদ ।

*শ্ৰীমিশন রঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, পুলিশ বিভাগের পরিপূরক দাবী মঞ্জুরির উপর যে কৰ্ত্তণ প্রস্তাব উৎথাপিত হয়েছে সেই প্রস্তাব সমর্থণ করে আমার বক্তব্য তুলে ধরছি এবং ২/৪ টি পরামর্শ তুলে ধরছি ।

স্যার, এই দাবী মঞ্জুরিতে যে সিক্রেট সাভির্সের কথা বলা হয়েছে এবং এই বাবদ যে টাকা ধরা হয়েছে ব্যাপারে বলতে গিয়ে বলেত হয় যে এই সিক্রেট সার্ভিস আজ সারা আসামে ভেঙ্গে পরেছে । করিমগঞ্জ জেলা হলো ভারত-বাংলাদেশ সীমান্তবর্ত্তী অঞ্চল । আজ এই সিক্রেট সার্ভিস সম্পূর্ণ ভাৱে ভেঙ্গে পরার জন্য মিজোরাম, মণিপুর

* Speech not corrected

থেকে দুস্কৃতিকরীয়া অনায়াসে এই সীমান্ত অঞ্চল দিয়ে বাংলাদেশে ট্রেইনিং নিতে যাওয়ার সময় কিছু দুস্কৃতিকারীকে করিমগঞ্জ সীমান্ত অঞ্চলে ধৰা হয়েছিল । কিন্তু আজকাল এই সিক্রেট সার্ভিস থেকে সঠিক কোন ইনফরমেশন পাওয়া যাচ্ছে না বলে দুস্কৃতিকারীদের সীমান্ত অঞ্চলে অবাধ যাতায়ত চলছে । এজন উচ্চ পদস্থ পুলিশ অফিসারের কাছ থেকে আমি জানতে শেরেছি যে এই সিক্রেট সার্ভিস কার্য্যক্রম করে রাখার জন্য এদেরে যে সমস্ত সুবিধা দেওয়া দরকার তা সরকার থেকে দেওয়া হচ্ছেনা । অছাড়া, পুলিশ বাহিনীকে বিভিন্ন প্রকার খবর দেওয়াৰ জন্য যে সমস্ত ইনফরমার আছে তারাও ঠিকমত ইনফরমেশন দিতে পারছে না । তাদেরে প্রতিমাসে ৭৫ টাকা করে যে রেনুমারেশন দেওয়ার কথা সেটাও দীর্ঘদিন যাৱৎ তাদেরে দেওয়া হচ্ছে না । সেইজন্য উগ্রপন্থী যাতায়ত সম্মন্ধে তারা কোন ইনফরমেশন পুলিশকে দিচ্ছে না । সেইজন্য সীমান্তবর্ত্তীঅঞ্চলে উগ্রপন্থীদের যাতায়ত বৃদ্ধি পেয়েছে বলে আমার মনে হয় । সেইজন্য এইসব ইনফরমারদেয়ে তাদের প্রাপ্য রেমুনারশন এবং সিক্রেট সার্ভিসে যারা কাজ করছে তাদের প্রাপ্য সুবিধা দেওয়ার জন্য আমি মাননীয় মন্ত্রী মহোদয়কে অনুরোধ করছি । স্যার, এই সিক্রেট সার্ভিসের কার্য্যকিলাপ ডেঙ্গে পরার আর একটা জলন্ত উদাহরণ হলো সাম্প্রতিক বঙ্গাইগাওঁয়ের ঘটণা । কারন, আমাদের জানা মতে গত ২ অক্টোবর ইসলামপুরে এক সভা হয়েছিল এবং এই সভা থেকেই এই দাঙ্গার উৎপত্তি বলে অনেকরেই ধারনা । পুলিশ বিভাগের সিক্রেট বিভাগ ঠিকমত খাজনা করার জন্য এই ঘটনা ঘটতে শেরেছে । সরকার এই দাঙ্গা রো . করার জন্য কোন ব্যৱস্থা নিতে পরে নি । স্যার, আমাদের রাজ্য একটা সীমান্তবর্ত্তী অঞ্চল । এই রাজ্যে সিক্রট সার্ভিস খুব শক্তিশালী, উন্নত এবং আধুনিক করা প্রয়োজন বলে আমি মনে করি ।

স্যার, আমাদের রাজ্যে ভি ডি পি একটা গুরুত্বপূর্ণ কাজ করে যাচ্ছে । আসামের বিভিন্ন জেলায় যে সমস্ত ভি ডি পি গংগঠণ আছে তাদেরে যে রেনুমারেশন দেওয়ার কথা তা দেওয়া হচ্ছে না । এই ঘটণা যে এই সরকারের সময়ে ঘটছে তা নায় । আগের সরকারও তাদেরকে কোন রেনুমারেশন দেয়নি । সেজন্য ভি ডি পি' র কার্য্যকলাপও আজ আসাম রাজ্যে ভেঙ্গে পরেছে বলে আমার মনে হয় । এই সংগঠণ পুণরায় কার্য্যক্ষম করে গড়ে তোলার জন্য বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করছি ।

স্যার, এই পুলিশ বিভাগে যারা পি, এস, ও বা অন্যান্য নিম্ন পদে কাজ করছে তাদেরে দীর্ঘদিন যাবৎ তাদের প্রাপ্য টি এ দেওয়া হচ্ছে না । তাদেরে যাতে তাদের প্রাপ্য টি এ অতি শীঘ্র দেওয়ার ব্যৱস্থা করা হয় তার জন্য মাননীয় মন্ত্রী মহোদয়েকে অনুৰোধ করছি । এদেরে টি এ'র টাকা সরকার থেকে না দেওয়ার জন্য অনেক সময় আমাদেরে এই টাকা বহন করতে হয়া ।

স্যার, এটা আমাদের সবারই জানা যে বিভিন্ন জেলায় জেলা ভিত্তিক হোম গার্ড ওরগানাইজেশন আছে । কিন্তু করিমগঞ্জ জেলায় এর কোন সংগঠন নাই । এই সংগঠন চালানোর জন্য প্রয়োজনীয় টাকা কেন্দ্রীয় সরকার বহন করে থাকে । সুতরাং যে সমস্ত জেলায় এই হোম গার্ড ওরগেনাইজেশন নাই সে সব জেলায় যেন এই সংগঠন স্থাপন করার পদক্ষেপ নেওয়া হয় । এই অনুরোধ আমি রাখছি ।

স্যার, বিগত বাজেট সেশনে কিছু নতুন বেটেলিয়ন খোলা হবে বলে মুখ্যমন্ত্রী মহোদয়ে ঘোষণা করেছিলেন । ইতিমধ্যে এইসব বেটেলিয়ন খোলার পার্মিসনকেন্দ্রীয় সরকার দিয়েছে বলে আমরা জানতে পেরেছি । করিমগঞ্জে একটা বেটেলিয়ন খোলা হবে বলে মুখ্যমন্ত্রী মহোদয় আমাকে প্রতিশ্রুতি দিয়েছিলেন । আশাকরি সেই প্রতিশ্রুতি মত মুখ্যমন্ত্রী মহোদয় করিমগঞ্জে একটা বেটেলেলিয়ন খোলার ব্যৱস্থা নিবেন । করিমগঞ্জে যে পুলিশ রিজার্ভ আছে এটা উন্নত করার জন্য ইতিমধ্য ৪০ লক্ষ টাকা মঞ্জুর করা হয়েছে বলে আমরা জানতে পেরেছি । এই পুলিশ রিজার্ভকে একটা বেটেলিয়নে কনভার্ট করার জন্য বিভাগীয় মন্ত্রী মহোদয়কে অনুরোধ করছি ।

স্যার, আমার নির্বাচনী চক্র সীমান্তবর্ত্তী অঞ্চল হওয়াতে প্রায় প্রতিদিন বাংলাদেশ থেকে দুস্কৃতিকারীয়া আমাদের অঞ্চলে প্র বেশ করে টাকা পয়সা, গরু-ছাগল এমনকি জমি থেকে ধান কেটে চুরি করে পালিয়ে যায় । কিন্তু পুলিশ থেকে কোন কোন একশন নেওয়া হয় না । সেই জন্য ফকির বাজার এবং ব্রাহ্মণ ২ টি পুলিশ আউটপোষ্ট স্থাপন করার জন্য অনুরোধ করে আমার বক্তব্য শেষ করছি ।

* শ্রীনজমুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি পুলিচ প্রশাসনৰ বাবে যি ১৪ কোটি ৭০ লাখ টকাৰ যি দাবী মঞ্জুৰী উৎথাপন হৈছে তাৰ পৰিপ্ৰেক্ষিতত যিটো কৰ্ত্তন প্ৰস্তাব অনা হৈছে তাৰ সমৰ্থনত মই কব বিচাৰিছো । আমাৰ অসমত পুলিচে যিটো সেৱা আগ বঢ়াইছে তাক পুলিচ চাৰ্ভিচ বুলি কব নোৱাৰি । কাৰণ পুলিচৰ পৰা ৰাইজে সেৱা পোৱাৰ পৰিবৰ্ত্তে নিৰ্য্যাতনহে পাই আছে । গতিকে পুলিচ প্ৰশাসনৰ কাৰণে এই

---

* Speech not corrected

অতিৰিক্ত টকাৰ সমৰ্থনযোগ্য নহয় । আমাৰ ৰাইজৰ বৰ্ত্তমান নিৰাপত্তা নোহোৱা হৈছে । আজি কোকৰাঝাৰ, বঙাইগাওঁত যি ঘটনা সংঘটিত হৈছে তাৰ কাৰণে তেওঁলোকৰ গুৰুত্ব নাই, বিৰোধী দলৰ এম, এল, এ সকল গলেহে তেওঁলোক সক্ষম হয় । যদি আমাৰ বিৰোধী দলে এই সম্পৰ্কে মিটিং কৰিবলৈ লয় তেতিয়া তেওঁলোকে কয় আপোনালোকে মিটিং কৰিব নেলাগে, ১৪৪ ধাৰা নষ্ট হৈ যাৱ । এই হিচাবে সকলোকে ৰুদ্ধ কৰি দিয়া হৈছে । কোকৰাঝাৰ আৰু বঙাইগাওঁত যি চলিছে তাত পুলিচ নিষ্ক্ৰিয় হৈ আছে । তাত জনসাধাৰণৰ মাজত যেতিয়া হাহাকাৰ হয় তাৰ চাৰি দিন পিছতহে সেই কথা পুলিচ প্ৰশাসনে গম পায় । সেই অঞ্চলত হত্যাকাণ্ডকে ধৰি বিভিন্ন ঘটনাত ৰাইজ মেচাকাৰ হৈছে । কোকৰাঝাৰ আৰু বঙাইগাওঁত যি মেচাকাৰ হৈছে সি সচাকৈ সকলোৰে কাৰণে ঘৃণনীয় ঘটনা । এইটো মনুষ্যত্বহীন হিচাবে সংঘটিত কৰা হৈছে । তাত পুলিচ প্ৰশাসনে প্ৰশাসন ব্যৱহাৰ কৰিব পৰা নাই । এটা কথা লক্ষ কৰিবলগীয়া হৈছে যে ভিতৰুৱা ঠাইত পুলিচ প্ৰশাসন যাব নোৱাৰে, কিন্তু তাৰ পৰা দিনত দুই তিনিবাৰকৈ বজাৰলৈ মানুহ অহা যোৱা কৰি আছে । কোকৰাঝাৰ আৰু বঙাইগাওঁলৈ সেই মানুহখিনিয়ে বজাৰ কৰিবলৈ আহিব পাৰে অথচ পুলিচ প্ৰশাসনে তাত যাব নোৱাৰিলে । এনে মৰ্ম্মান্তিক ঘটনাত পুলিচ প্ৰশাসনে যাব নোৱাৰাৰ কাৰণে দুখ পাইছো, মানুহখিনিৰ কিবা ব্যৱস্থা কৰিব লাগিছিল । এই ক্ষেত্ৰত যোৱা কালি বাতৰি কাকতত দেখিবলৈ পাই আচৰিত হৈছো আৰু মই মুখ্য মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিছো । বাতৰি কাকতত প্ৰকাশ হৈছে যে সেই মানুহ খিনি ১৯৭১ চনৰ পিছত অহা বাংলাদেশী অবৈধ প্ৰবজনকাৰী । মই এই কথাৰ প্ৰতিবাদ কৰি দায়িত্ব সহকাৰে সদনক কবলৈ বিচাৰিছো যে তাত বহুত মানুহ আছে, মানুহ বিলাক আন ঠাইলৈ যোৱা নাই, নদী ভঙ্গা মানুহ । সেই মানুহ বিলাক এতিয়াও স্থায়ী হব পৰা নাই । উপায় হীন হৈ তাত বসতি স্থাপন কৰিছে । অথচ মানুহ খিনি ১৯৭১ চনৰ পিছত অহা বুলি কৈছে । মই এইটো মানি লব পৰা নাই । তেওঁলোক বাংলাদেশী নহয়, তেওঁলোক প্ৰকৃত ভাৰতীয় নাগৰিক ।

অধ্যক্ষ মহোদয়, আমাৰ গোৱালপাৰা জিলাত পুলিচ বিভাগক আমছুই নিয়ন্ত্ৰণ কৰি আছে । পুলিচ প্ৰশাসনে আমছুক নিয়ন্ত্ৰণ কৰিব লাগিছিল, কিন্তু তাৰ ওলোটা হৈছে । এনেকুৱাকৈ প্ৰশাসন চলাব নোৱাৰে, এইটো বেআইনী হৈছে । পুলিচ প্ৰশাসনে আমছুক সকলো সুবিধা দিছে, এইটো সকলোৰে জানে যে তেওঁলোকক চৰকাৰী আমছু বুলি কয় । মই ভাবো পুলিচ প্ৰশাসন এজন মন্ত্ৰীৰ নিয়ন্ত্ৰণত থাকোতে এইটো কেনেকৈ

বহুত ঘটনা হৈ যাব। গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যাতে গোৱালপাৰা জিলাত পুলিচ প্ৰশাসন নিয়ন্ত্ৰণ কৰা হয়। ইয়াৰ লগতে আৰু এটা কথা কবলৈ বিচাৰিছো যে যিটো গোপন বিভাগ খুলিছে তাত চিক্ৰেট চাৰ্ভিচৰ কাৰণে, আই, পি, এচ, বিষয়া আছে। দুখৰ বিষয় কোকৰাঝাৰ, বঙাইগাওঁত তিনি দিন ধৰি যি ঘটনা হৈ গল অথচ তাত কোনো চিক্ৰেট চাৰ্ভিচৰ মানুহ নেথায়। যি সকল পুলিচ বিষয়াই এই ঘটনাটো জানে তেওঁলোকে তিনি দিন পিছতহে জানিবলৈ পায়। অসম পুলিচৰ যদি এই অৱস্থা হয় তেতিয়া হলে এই ৰাজ্য খনৰ নাগৰিকৰ জীৱন, সা-সম্পত্তিৰ নিৰাপত্তা কৰিব নোৱাৰে। যিহেতু বঙাইগাওঁ, কোকৰাঝাৰত মানুহৰ জীৱন ৰক্ষা কৰাত পুলিচ প্ৰশাসন ব্যৰ্থ হৈছে, সেয়ে অসমৰ ৰাইজৰ ক্ষেত্ৰতো ব্যৰ্থ হৈছে। এইটো চৰকাৰৰ উল্লেখযোগ্য ব্যৰ্থতা, এনেকুৱা ব্যৰ্থতা বহুত ধৰণৰ আছে।

অধ্যক্ষ মহোদয়, আজি বঙ্গাইগাওঁ আৰু কোকৰাঝাৰত যিটো ঘটনা হ'ল তাৰ কিছুমান ঠাইলৈ পুলিচৰ লোক নাযায়। তেওঁলোক নিৰক্ষৰ কাৰণে তেওঁলোকক অৱহেলা কৰা হৈছে। গতিকে এই বিষয়টোৰ ওপৰত এটা ন্যায়িক তদন্তৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। অধ্যক্ষ মহোদয়, মই আৰু এটা বিষয়ত আলোচনা কৰি শেষ কৰিম। বিষয়টো হ'ল আমাৰ মন্ত্ৰী, এম, এল, এ সকলৰ নিৰাপত্তাৰ বাবে পি, এচ, অ' আছে। কিন্তু মোৰ পক্ষে পি, এচ, অ' ৰখাটো টানেই হৈছে। মই এটা সৰ্ব্বহাৰা মানুহ, মই মোৰ নিজৰ লৰা ছোৱালীকেই ভৰণ পোষণ দিব নোৱাৰো। গতিকে পি, এচ, অ' জনক মই কেনেকৈ ৰাখিম। পি, এচ, অ' বিলাকে আজি বহুত বছৰ ধৰি ভ্ৰমণ বানচ পোৱা নাই। এই বিষয়ে আমাৰ বহুতো মাননীয় সদস্যই আগতে আলোচনা কৰিছে। যোৱাবাৰ চৰকাৰে পি, এচ, অ' সকলক ভ্ৰমণ বানচ দিম বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু আজিলৈকে নিদিলে। গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ক, পি, এচ, অ' সকলৰ ভ্ৰমণ বানচ অতি সোনকালে আদায় দিয়াৰ বাবে অনুৰোধ জনালো। আৰু এটা কথা আমাৰ পুলিচ বিষয়া সকলে বিৰোধী পক্ষৰ সদস্যসকলক নানা ক্ষেত্ৰত হাৰাশাস্তি কৰা দেখা যায়। আমাৰ প্ৰতিখন জিলাৰ দায়িত্ব একোজন মন্ত্ৰীক দিয়া আছে, তাৰ উন্নয়ণ মূলক কাম চাবৰ বাবে। কিন্তু তেওঁলোকে সেইবোৰ নকৰি তাৰ জিলা প্ৰশাসন আৰু পুলিচ প্ৰশাসন ব্যৱহাৰ কৰি বিৰোধী দল সমূহক হাৰাশাস্তি কৰাৰ কামতে ব্যস্ত থাকে। (সময়ৰ সংকেত)। অধ্যক্ষ মহোদয় আমি কথা কোৱাৰ বা বক্তৃতা দিয়াৰ সুবিধাই নাপাওঁ। যোৱা ১৯৯১ চনত নিৰ্বাচনৰ সময়তে যি বক্তৃতা দিছিলো তাৰ পিছত আৰু আমি বক্তৃতা দিয়াৰ সুবিধাই পোৱা নাই। ইয়াত আপুনি আমাক সুবিধা নিদিয়ে আৰু

জিলাত পুলিচে আমাক মেল-মিটিং কৰা বাধা দিয়ে । আমাক পুলিচে মাইক ব্যৱহাৰ কৰিবলৈ নিদিয়ে । আৰু আমাক মাইক ভাৰাতো দিব নিবিচাৰে, পুলিচৰ ভয়ত । গতিকে অসমৰ সকলো বিৰোধী দলৰ সদস্যৰে যি গণতান্ত্ৰিক অধিকাৰ , তাত যাতে পুলিচে হস্তক্ষেপ কৰিব নোৱাৰে তাৰ প্ৰতিও মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু মোক দুষাৰ কবলৈ সুবিধা দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক মই ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

**Mr. Speaker** : Hon'ble Chief Minister will also reply. We should keep time

(------- Noise --------)

You should speak for two minutes only.

*** শ্ৰীপদ্মেশ্বৰ দলে ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ইয়াত দেখিবলৈ পাইছো যে, ইটো দলে সিটো দলৰ গালৈ বোকা চটিয়াইছে ।অলপ আগতে আমাৰ চন্দন সৰকাৰে এ জি পি দলক দোষাৰোপ কৰিছে ।এনেকুৱা কথা কব নালাগে । পুলিচবাহিনীটো আইন শৃংখলাৰ কাৰণে ৰখা হৈছে । সেই অনুসাৰে অসমৰ ঠায়ে ঠায়ে আৰক্ষী চকী, আৰক্ষী থানা আৰু তাত কনিষ্টবলৰ পৰা একেবাৰে ডি জি পি লৈকে আছে । আজি পুলিচ আৰু জনসাধাৰণৰ মাজত যিটো মধুৰ সম্পৰ্ক সেইটো নাইকীয়া হৈছে । বহুত ক্ষেত্ৰত ভুল বুজা বুজি হৈছে । পুলিচে জনসাধাৰণৰ পৰা সহযোগিতা বিচাৰিব লাগে । আমাৰ থানা বিলাকৰ এলেকাৰ অধীনত যি ২০/২৫ খন গাওঁ পৰে আৰু তাত চুৰি, ডকাইটি , হত্যা লুণ্ঠন আদি হলে, পুলিচতো নিজে নাযায়েই বৰং গৃহস্থই নিজে থানালৈ গোচৰ দিবলৈ আহিলেও, তেওঁকহে ওলোটাই হাৰাশাস্তি কৰা হয় । এনেকুৱা হব নালাগে । পুলিচ আৰু ৰাইজৰ মাজত বুজাবুজি থাকিব লাগে । এই ক্ষেত্ৰত মই আমাৰ জেংৰাইমুখ থানাৰ কথা কব বিচাৰিছো । যোৱা ৩০ চেপ্তেম্বৰ তাৰিখে জেংৰাইমুখ থানাৰ ওচৰত পুলিচৰ গুলি চালনাত ২০ জন লোক আহত হৈছিল । ঘটনাটো ঘটিছিল ১৫ তাৰিখে । ঘটনাটো ঘটাৰ পিছত মিচিং ছাত্ৰ সন্থাৰ ৩/৪ জন যুৱকে ৰাতি পহৰা দি আছিল । কিন্তু কোনোবা দুস্কৃতিকাৰীয়ে পুলিচ থানাত গৈ খবৰ দিয়াত এক ডজন চিপাহী আহি ল'ৰা কেইজনক বান্ধি লৈ যায় । আৰু গোটেই ৰাতি থানাত ৰাখি নানা অত্যাচাৰ কৰে । তেওঁলোকক পিছফালে হাত বান্ধি দি জপিয়াব দিছিল । আৰু জপিয়াব নোৱাৰিলে কোৱাইছিল । আৰু তেওঁলোকক মিৰি- মিচিং লিডাৰ বুলি চিঞৰিবলৈ দিছিল । তাত এই সন্থা টোৰ সভাপতি জনো আছিল । পিছদিনা বাপেকে খবৰ পাই

* Speech not corrected

থানালৈ যোৱাত ৬০ বছৰীয়া বাপেকৰো মূৰ ফালি দিছিল । মই নিজে ১৯ তাৰিখে গৈ খবৰ কৰিছিলো । ১৬ তাৰিখে এই ঘটনাৰ বাবে স্থানীয় ৰাইজে থানা ঘেৰাওঁ কৰে । ইচ্ছা কৰা হলে তেওঁলোকে থানাখন মষিমূৰ কৰি দিব পাৰিলেহেতেন । খবৰ পাই চিভিল এচ, ডি, অ' আহিল এচ, ডি, অ'ই তদন্ত কৰিম বুলি কোৱাত ৰাইজ শান্ত হ'ল । এচ, ডি, অ'ই তদন্ত কৰি ৰিপোৰ্ট দাখিল কৰিলে । কিন্তু পুলিচ বিভাগে দোষী পুলিচ কেইজনৰ বিৰুদ্ধে কোনো ব্যৱস্থা নললে।এই ঘটনাৰ ১০/১২ দিন পিছতো একো ব্যৱস্থা নোলোৱাৰ কাৰণে এটা সমদল উলিওৱা হ'ল আৰু তেতিয়া থানাত থকা শ্ৰীজে, কে গোহাঁই আৰু ৰহমান নামৰ দুজন পুলিচ বিষয়াই ফায়াৰিঙৰ আদেশ দিলে। ফলত নোমল পেগুকে আদি কৰি তিনিজনৰ বৰ বেয়াকৈ আঘাত প্ৰাপ্ত হয় । কিন্তু আজিলৈকে তদন্তৰ ব্যৱস্থা নহল । পুলিচ বিষয়াই কিয় জাত পাত বিচাৰ কৰি অত্যাচাৰ কৰিব । মিচিং সম্প্ৰদায়ৰ ওপৰত কি কাৰণে অত্যাচাৰ কৰা হৈছে । এফালে চৰকাৰে কৈছে মিচিং সকলৰ দাবী সম্পৰ্কত বিবেচনা কৰি আছে আৰু আনফালে মিচিং সকলকে অত্যাচাৰ কৰিছে ।

**Mr. Speaker** : Please take your seat, Please take your seat. Mr. Doley please take your seat. Hon'ble Chief Minister will give your reply, please take your seat.

* **শ্ৰীপদ্মেশ্বৰ দলে** ঃ অধ্যক্ষ মহোদয়, এইটোৰ ওপৰত তদন্তৰ ব্যৱস্থা কিয় কৰা নাই মুখ্যমন্ত্ৰীয়ে আমাক জনাব লাগে । আমাক দণ্ডাধীশৰ তদন্ত নালাগে । ন্যায়িক তদন্তৰ ব্যৱস্থা কৰিবনে নাই, মুখ্যমন্ত্ৰীয়ে আমাক কব লাগে ।

* **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কব খুজিছো, নিৰপেক্ষ ভাৱে গৃহবিভাগৰ কথা কলে আমাৰ মুখ্যমন্ত্ৰীয়ে বেয়া নাপায় । অধ্যক্ষ মহোদয়, আমাক প্ৰত্যেককে দুই মিনিটকৈ সময় দিয়ক ।

**মাননীয় অধ্যক্ষ** ঃ Now, Hon'ble Chief Minister will reply. Noise..........
সময় নহব নহয়, মুখ্যমন্ত্ৰীয়ে উত্তৰ দিবলৈ আছে ।

* **শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথা কম, মুখ্যমন্ত্ৰীয়ে একেলগে উত্তৰ দিয়া ভাল হ'ব । আমাৰ অসমত টাডা বন্দী সকলৰ বাবে মাত্ৰ এখনেই 'ডেজিগনেটেড কোৰ্ট' আছে, গুৱাহাটীত । গতিকে টাডাৰ কেচৰ কাৰণে ডিব্ৰুগড় বা

---

* Speech not corrected

লক্ষীমপুৰৰ পৰা মানুহ গুৱাহাটীলৈ আহিব লগা হয় । গতিকে 'ডেজিগনেটেড কোৰ্ট' ৰ সংখ্যা বঢ়োৱাৰ ব্যৱস্থা কৰিব নেকি ? 'ডেজিগনেটেড কোৰ্টে' পুলিচ ডায়েৰী কল কৰোতে , পুলিচক একোটা কেচত দুই/ তিনি হাজাৰ টকা দিলেহে কেচ ডায়েৰী পঠিয়াই । অৱশ্যে ইয়াৰ তথ্য এতিয়া মই মুখ্যমন্ত্ৰীক দিব নোৱাৰিম । তথাপিও তেখেতে এই বিষয়ত বিশেষ নজৰ দিব বুলি আশা কৰিলো ।

* **শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী)** ঃ- অধ্যক্ষ ডাঙৰীয়া, আজি পুলিচৰ কাটমোচনৰ ওপৰত অংশগ্ৰহণ কৰি কেইবাজনো মাননীয় সদস্যই বিভিন্ন কথা দাঙি ধৰিছে । আইন-শৃংখলাৰ কথা কওঁতে ২/১ মাননীয় সদস্যই অসমত আইন শৃংখলা ভঙ্গ হোৱা বুলি কৈছে । কিন্তু সেইটো নহয় । আইন-শৃংখলা ভঙ্গ হোৱা নাই । অসমত আইন-শৃংখলা উন্নতহে হৈছে । এইটো কব পাৰি যে আজি অসমত আইন-শৃংখলা নিয়ন্ত্ৰণ হৈছে আৰু ৰাইজে নিৰ্ভয়ে মুকলি-মুৰীয়াকৈ ফুৰা-চকা কৰিব পাৰিছে । যোৱা আঢ়ৈ বছৰত পৰিস্থিতি বহুত উন্নত হৈছে । অধ্যক্ষ ডাঙৰীয়া, মানুহে মাজে সময়ে পুলিচৰ আতিশৰ্য্যৰ কথা কয় । কিন্তু অধ্যক্ষ মহোদয় , মই এইটো আতিশৰ্য্য বুলি কব নোখোজো । কাৰণ দোষীক ধৰি অনাটো আতিশৰ্য্য হব নোৱাৰে । যদি দোষী সকলক ধৰি নানো তেতিয়া আমি আইন-শৃংখলা ৰক্ষা কৰিব নোৱাৰিম । মাননীয় সোনোৱাল ডাঙৰীয়াই পুলিচ বিভাগৰ বিষয়ে বহু কেইটা পৰামৰ্শ আগবঢ়াইছে, সেইখিনি গ্ৰহণীয় । তেখেতে পুলিচক যি গাড়ী দিয়াৰ কথা কৈছে সেই ক্ষেত্ৰত মইও কও যে পুলিচক গাড়ী দিব লাগে । পুলিচৰ যদি গাড়ী নাথাকে তেন্তে তেওঁলোকে সময়মতে গৈ দোষীক ধৰিব নোৱাৰে । সেই কাৰণে পুলিচ থানা বিলাকত গাড়ী দিয়াৰ ব্যৱস্থা আছে । কিন্তু যি খিনি গাড়ী আছে সেইখিনি মেৰামতি নকৰাৰ বাবে আমি থানাবিলাকত গাড়ী দিব পৰা নাই । গতিকে আমি এইবোৰ সোনকালে মেৰামতি কৰি পৰ্য্যায়ক্ৰমে থানা বিলাকত গাড়ী দিয়াৰ ব্যৱস্থা কৰি আছো । অধ্যক্ষ মহোদয়, এটা কথা কোৱা হৈছে যে কোকৰাঝাৰ আৰু বঙ্গাইগাওঁৰ ঘটনাটো পুলিচে আগতে গম পাইছিল বুলি মই কোৱা বুলি বাতৰিত ওলাইছে । কিন্তু সেই কথাটো মই কোৱা নাছিলো । আজি কিছুদিনৰ পৰা এটা কথা ওলাই আছিল যে ভোটাৰ তালিকাৰ বাবে ঠাই বিশেষে গণ্ডগোল হব পাৰে । কিন্তু নিৰ্দিষ্ট ঠাইত যে গণ্ডগোল হব এই কথা চৰকাৰে গম পোৱা নাছিল । ভাৰত বন্ধৰ সময়ত বহুতো ঠাইত তেওঁলোকৰ দলৰ কৰ্ম্মীক পুলিচে অত্যাচাৰ কৰা বুলি শশকমল সন্দিকৈ ডাঙৰীয়াই কৈছে । এই ক্ষেত্ৰত কি হৈছিল মই নিশ্চয় তদন্ত কৰিম । অধ্যক্ষ

* Speech not corrected

মহোদয়, পুলিচৰ টি, এ, ৰ কথা কোৱা হৈছে । কিছুমানে কৈছে যে মুখ্যমন্ত্ৰীৰ লগত থকা সকলে টি, এ পাইছে আৰু বাকীবোৰে পোৱা নাই । এইটো কথা মই গম পোৱা নাই, কিন্তু যদিহে এনে হৈছে তেন্তে মই সকলো পুলিচ কৰ্ম্মচাৰীয়ে যাতে টি, এ, পায় তাৰ ব্যৱস্থা কৰিম ।

অধ্যক্ষ মহোদয়, কেইবাজনো মাননীয় সদস্যই পুলিচ বিভাগত দুৰ্নীতিৰ কথা উল্লেখ কৰিছে । কিন্তু তেখেত সকলে যি ধৰণে দুৰ্নীতিৰ কথা কৈছে সেই ধৰণে হোৱা নাই । আজি কিছু দিনৰ পৰা আমাৰ পুলিচ বিভাগে দুৰ্নীতি তদন্তৰ ক্ষেত্ৰত ভাল কাম কৰিছে । আমি ভালে কেইটা কেচ তেওঁলোকক দিছো আৰু তেওঁলোকে সেই কাম নিয়াৰিকৈ কৰিছে । গতিকে যি দুৰ্নীতিৰ কথা উত্থাপন কৰিছে সেইবোৰ অমূলক । অৱশ্যে এই বিভাগত দুই এটা ব্লেক চীপ থাকিব পাৰে । কিন্তু সেই বুলিয়েই গোটেই বিভাগটোকে দোষাৰোপ কৰাটো ঠিক নহয় । আমি পুলিচ বিভাগটোক কেতিয়াও মিচইউজ কৰিব খোজা নাই । আমাৰ বিধায়ক চন্দন চ ৰকাৰ ডাঙৰীয়াই যি খিনি কথা কৈছে সেইখিনি কথাত ময়ো একমত । পুলিচক ৰাইজে শত্ৰু হিচাবে গন্য কৰিব নালাগে । আমি পুলিচ বিভাগটোৰ লগত সমাজ খনৰ সম্পৰ্ক ভালে ৰাখিব লাগিব । সেই কাৰণে আমি প্ৰত্যেক জন এচ, পি, লৈ এটা নিৰ্দ্দেশ দিছো যাতে তেওঁলোকে প্ৰত্যেক মাহতে ৰাইজৰ লগত মুকলি ভাৱে একোখনকৈ সভা পাতে আৰু স ৰ্বসাধাৰণ ৰাইজৰ পৰা পুলিচ বিভাগে কি ধৰণে কাম কৰিছে বা কি ধৰণে কাম কৰিলে ভাল হয় সেই ক্ষেত্ৰত বুজ লব । তাৰ বাহিৰেও প্ৰত্যেক খন চাব ডিভিজনতে একোখনকৈ কমিটি পতা হব আৰু তাত মুক্তি যুজাৰু সকলৰ এজনক চেয়াৰমেন হিচাবে লৈ ৰাইজ আৰু পুলিচে মিলি যাতে ভাল কাম কৰিব পাৰে তাৰ কাৰণে ব্যৱস্থা লোৱা হব ।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য এগৰাকীয়ে বুলেট প্ৰুফ ভেণ্ট কিনা সম্পৰ্কে কিছু কথা উল্লেখ কৰিছে । এই ক্ষেত্ৰত মই কব খোজো যে আমি আজি সদনত টকা বিচাৰি যিটো মঞ্জুৰী বিচাৰিছো তাৰ দ্বাৰাই আমি ২০০ টা বুলেট প্ৰুফ ভেণ্ট কিনাৰ ব্যৱস্থা কৰিছো আৰু সেইবোৰ প্ৰয়োজন হোৱা ব্যক্তি সকলকহে দিয়া হব । বিৰোধী পক্ষৰ সদস্য সকলে এইটো ভাবিব নালাগে যে কেৱল মন্ত্ৰী সকলৰ কাৰণেহে এইবোৰ কিনা হব । আজি আমি ৰাজ্যখনৰ বিভিন্ন ৰাজনৈতিক দলৰ নেতা সকলক পি, এচ, অ' দিয়াৰ ব্যৱস্থা কৰিছো । গতিকে এই বুলেট প্ৰুফ ভেণ্ট কাক দিব লাগে , কাৰ জীৱনৰ বেছি আশংকা বা কোন কোন উগ্ৰপন্থীৰ টাৰগেট সেইবোৰ আমাৰ ইণ্টেলিজেন্স শাখাই খা-খবৰ কৰি দিয়াৰ পিছতহে তেনে লোকক বুলেট প্ৰুফ দিয়াৰ দিয়াৰ ব্যৱস্থা কৰা

হৈছে । মাননীয় সদস্য শ্ৰীশশ কমল সন্দিকৈ ডাঙৰীয়াই প্ৰায় একে খিনি কথাকে উল্লেখ কৰিছে । মাননীয় সদস্য শ্ৰীচহিদুল আলম চৌধুৰী ডাঙৰীয়াই তেখেতৰ বক্তৃতাত হাইলাকান্দিৰ কিছুমান ঘটনাৰ কথা উল্লেখ কৰিছে আৰু সেইবোৰত প্ৰায়ে ৰাজ্যিক মন্ত্ৰী শ্ৰীগৌতম ৰয়ৰ লগত বাকবিতণ্ডা হৈছে । হাইলাকান্দিৰ ক্ষেত্ৰত তেখেতে যিখিনি পৰামৰ্শ দিছে সেই ক্ষেত্ৰত ব্যৱস্থা লোৱা হ'ব আৰু তেখেতে কোৱাৰ দৰে সচাঁকৈয়ে যদি পুলিচ বিভাগে তাত কিবা অন্যায় কৰিছে তেনেহলে সেইক্ষেত্ৰত ব্যৱস্থা লোৱা হ'ব ।

অধ্যক্ষ ডাঙৰীয়া, আজি ছয় মাহে অসমত সৈন্য বাহিনী নাই । আমি এটা বিশেষ পৰিস্থিতিতহে সৈন্য বাহিনী আনিব লগা হৈছিল । আমাৰ ৰাজ্যখনৰ ফৰ্চ বৰ কম হোৱা কাৰণে আমি বাহিৰৰ পৰা ফৰ্চ আনিব লগা হয় । আমাৰ আৰক্ষী বাহিনীয়ে থানা তদাৰক কৰিবলৈ নাতে । অসমত এতিয়া অসামৰিক বাহিনীৰ ৩৯ টা কোম্পানী আছে । আইন শৃংখলা ৰক্ষাৰ কাৰণে পুলিচ বিভাগে যথেষ্ট ভাল কাম কৰিছে আৰু এই সময় ছোৱাৰ ভিতৰত যথেষ্ট লোকক কৰায়ত্ব কৰিবলৈ সক্ষম হৈছে । অপাৰেচন ৰাইনোৰ সময়তো পুলিচ বিভাগে নেতৃত্ব দি যথেষ্ট লোকক কৰায়ত্ব কৰিছিল । সেই কাৰণে মই এই বছৰ জানুৱাৰী মাহৰ পৰা ছেপ্তেম্বৰ মাহলৈ আমাৰ পুলিচ বিভাগে কিমান জন উগ্ৰপন্থী আৰু অস্ত্ৰ-শস্ত্ৰ জব্দ কৰিছে তাৰ এটা থুলমুল হিচাব দিব খুজিছো।

এই সময় ছোৱাৰ ভিতৰত পুলিচে ৬০০ ইম্পৰটেণ্ট একষ্ট্ৰিমিষ্টক কৰায়ত্ব কৰিবলৈ সক্ষম হৈছে । তাৰ বাহিৰেও ৯ টা ষ্টেনগান, ৭৪ টা ৰাইফল, ৯ টা ৰিভলভাৰ, ২৫ টা শ্বট গান, ১ টা এয়াৰ গান, ৩৫ টা বোমা, ১৯ টা জেনেৰেটৰ আৰু ৫২ খন গাড়ী জব্দ কৰিবলৈ সক্ষম হৈছে । সেই ফালৰ পৰা দেখা গৈছে যে পুলিচে যথেষ্ট কাম কৰিব পাৰিছে আৰু কাম খিনি নিয়াৰিকৈ কৰিছে । এই ক্ষেত্ৰত আমি পুলিচৰ আতিশৰ্য্যৰ কথা আমি খবৰ পোৱা নাই । এতিয়া আমাৰ আৰক্ষী বাহিনীয়ে আইন শৃংখলা ৰক্ষা কৰিবলৈ সক্ষম হৈছে আৰু ৮৭৭ জন হাৰ্ড ক'ৰ আলফা আৰু বহুতো বি, এচ, এফ, ৰ লোকক এৰেষ্ট কৰিবলৈ সক্ষম হৈছে । আমাৰ আৰক্ষী বাহিনীয়ে আৰ্মি অপাৰেচনৰ সময়ত যি ধৰণে কাম কৰিছিল এতিয়াও তেনে ধৰণেই কাম কৰি আছে । কিন্তু আমাৰ ৰাজ্য খনত যিহেতু বহু ধৰণৰ উগ্ৰপন্থী আছে সেই ফালৰ পৰা চাবলৈ গলে তেঁওলোকে সীমিত শক্তিৰে ভাল কামেই কৰিছে । আমি আজি যি খিনি টকা বিচাৰিছো তাৰ পৰা কিছু এ,কে, ৪৭ ৰাইফলো কিনাৰ ব্যৱস্থা কৰিছো যাতে আমাৰ পুলিচ বিভাগটোক কিছু হলেও মডাৰ্ণাইজ কৰিব পৰা হয় । মাননীয় সদস্য শ্ৰীদলে ডাঙৰীয়াই আজি কিছুমান

কথা কৈছে । কিন্তু মই ভাবো আমি আনৰ গালৈ বোকা নচটিওৱাই ভাল । তেখেতে যিখিনি পৰামৰ্শ দিছে সেইখিনি ভাল পৰামৰ্শই দিছে । কিন্তু তেখেত সকল মন্ত্ৰী হৈ থাকোতেই এই কামখিনি কৰা হলে বেছি ভাল আছিল । আমি ৰাজনৈতিক সভা সমিতি পাতিবৰ কাৰণে কাকো মানা কৰা নাই । মই নিজে লক্ষীমপুৰ জিলাত মিটিং পাতোতে শিল মাৰিছিল । এখন মিটিংত মই বহি থকা অৱস্থাত ডাইচ খনেই জ্বলাই দিছিল । সি যি কি নহওঁক , মই সেই বিলাক কথা এতিয়া আৰু কবলৈ নাযাওঁ । আমি কোনো ক্ষেত্ৰতে যাতে ৰাজনৈতিক হস্তক্ষেপ নহয় সকলোৱে সমানে কাম কৰি যাব পাৰে তাৰ কাৰণে চেষ্টা কৰি আছো ।

অধ্যক্ষ ডাঙৰীয়া, আজি কিছু দিনৰ পৰা গুৱাহাটী মহানগৰীত কিছুমান দুৰ্ভাগ্য জনক ঘটনা সংঘটিত হবলৈ ধৰিছে । এই ক্ৰাইমবোৰত শতকৰা ৯০ ভাগ ছাত্ৰ জড়িত হৈ আছে । আজি কেইদিনমান আগতে কিছুমান চুৰি আদি ঘটনাত ১৫ জন ছাত্ৰক গ্ৰেপ্তাৰ কৰা হৈছে । এই লৰা বিলাক ক্লাছ এইট, নাইনত পঢ়া লৰা । এই সমস্যাবোৰক লৈ আমিও যথেষ্ট চিন্তান্বিত হৈছো । এই ক্ষেত্ৰত অভিভাৱক সকলৰো গধুৰ দায়িত্ব আছে । পুলিছে অকলে এনেবোৰ ঘটনা সমাধান কৰিব নোৱাৰে । ইয়াৰ বাহিৰেও আমি আৰু কিছুমান ক্ৰাইমৰ সংক্ৰান্তত খবৰ পাইছো । তাৰ প্ৰায় ভাগতে ইউনিভাৰচিটি আৰু কলেজৰ ল'ৰা জড়িত হৈ আছে । গতিকে এনে ঘটনা আমাৰ সমাজৰ কাৰণে ভাল লক্ষণ নহয় ।

এইটো আমি সকলোৱে মিলিত ভাৱে সমাধান কৰিব লাগিব । মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই এটা কথা উল্লেখ কৰিছে যে কেইজনমান পুলিচে টকা সংগ্ৰহ কৰিছে । কিন্তু মই জনাত পুলিছে তেনে কাম কৰা নাই । যদি তেনে কাম কৰিছে তেনেহলে অনুসন্ধান কৰি ব্যৱস্থা লোৱা হব ।

মাননীয় অধ্যক্ষ মহোদয়, এ, টি, চি, ৰ নামত মাটি দিয়া কথাটো মই তদন্ত কৰিছো - এইটো কিয় হবলৈ পাইছে । এতিয়া মই আলাউদ্দিন সৰকাৰে যিটো অভিযোগ আনিছে সেইটোৰ ওপৰত কওঁ যে বানপানীৰ সময়ত মুখ্যমন্ত্ৰী যোৱাৰ কাৰণে ৬ ঘণ্টা সময় গাড়ী ৰাস্তাত ব্লকেড কৰি ৰখা বুলি অভিযোগ কৰিছে । কিন্তু প্ৰকৃততে তেনে হোৱা নাই । মাননীয় সদস্য জনে কথাটো জানিয়েই কৈছেনে নেজানিয়েই কৈছে সেইটো কব পৰা নাই । সেই সময়ত তাৰ কিছুমান লোকে আন্দোলনৰ কাৰ্য্যসুচী হাতত লৈ বাচ-ট্ৰাক আদিৰ চলাচল বন্ধ কৰি দিছিল । এই কথাটো মাননীয় সদস্যজনে উল্লেখ কৰিব লাগিছিল । সেই ব্লকেট উঠোৱাৰ কাৰণে যি মেজিষ্ট্ৰত আৰু পুলিচ

কৰ্মৰত অৱস্থাত আছিল তেতিয়া তাত এটা 'কমচন'ৰ সৃষ্টি হৈছিল আৰু আন্দোলনকাৰীয়ে এজন পুলিচ ইন্সপেক্টৰক মৰিয়াই মাৰিলে । তেনে এটা অৱস্থাতে পুলিছে গুলীচালনা কৰিবলৈ বাধ্য হয় । আৰু তাৰ ফলত ৩ জন লোকৰ মৃত্যু হয় । তাৰে ঠিক ২/৪ দিন মানৰ আগতে জলপাইগুৰীত বান আক্ৰান্ত লোক সকলে খাবলৈ নেপায় ৰেলৰ ডবাৰ পৰা চাউল উলিয়াই নিবলৈ জোৰ-জুলুম কৰি যি পৰিস্থিতি সৃষ্টি কৰিছিল সেই পৰিস্থিতিত পশ্চিম বংগ চৰকাৰৰ পুলিচ বিভাগেও গুলীচালনা কৰিব লগীয়া হয় । তাৰ ফলত ২৫ জন লোকৰ প্ৰাণ হানি হয় । পশ্চিম বংগত চি, পি, এম চৰকাৰ, কিন্তু চি, পি, এম চৰকাৰ হল বুলিয়েই যে তেওঁলোকে আইন শৃংখলা অটুট নেৰাখিব তেনে নহয় । আইন শৃংখলাৰ ৰক্ষাৰ কাৰণে প্ৰত্যেক চৰকাৰেই দায়বদ্ধতা আছে । গতিকে মাননীয় সদস্য আলসাউদ্দিন সৰকাৰে এইখিনি কথা উল্লেখ কৰিব লাগিছিল কিন্তু তেখেতে সেইখিনি কথা একো উল্লেখ কৰা নাই ।

মাননীয় অধ্যক্ষ মহোদয়, বানপানীৰ সময়ত মই ধুবুৰী, নলবাৰী, বৰপেটা, কোকৰাঝাৰ, গোৱালপাৰা আদি অসমৰ বিভিন্ন ঠাইলৈ গৈছো । চাউথ-শালমাৰা অঞ্চললৈ মই নাৱেৰে গৈছো । তাত মই সকলো ৰাইজক লগ ধৰিছো, মিটিং কৰিছো, বক্তৃতা দিছো । তেতিয়া মই ৰাইজক লগ ধৰি সুধিছিলো আপোনালোকে চাউল, ৰেচন আদি পাইছেনে ? তেতিয়া মোক সকলোৱে চাউল ৰেচন আদি ঠিক মতেই পাইছো বুলি কৈছিল । আমি নিশ্চয় ৰাইজক লৈ ৰাজনীতি নকৰো । এইটো কথা সত্য পুলিচ 'ফায়াৰিংত' ৩ জন মানুহৰ মৃত্যু হৈছে । কি কাৰণত, কি পৰিস্থিতিত এইটো কৰিলে তেখেতে সেইটো কোৱা হোৱা নাই । আন্দোলনকাৰীয়ে আন্দোলন কৰাৰ ফলত ৰাস্তাত খাদ্য বস্তু বন্ধ হৈ থকাৰ কাৰণে পুলিছে তাক আতঁৰাবলৈ যাওঁতে পুলিচ বাহিনীক এটেক্ট কৰিলে । তেতিয়া পুলিছে 'ফায়াৰিং' কৰিবলৈ বাধ্য হয় যাৰ ফলত ৩ জন মানুহৰ মৃত্যু হয় । তাৰ ২/৩ দিন মানৰ আগতে জলপাইগুৰীত ২৫ জন মানুহ মৰিছে, সেইখিনি ভোকাতুৰ বানপানীত আক্ৰান্ত হোৱা মানুহ । পশ্চিম বংগত চি, পি, এম চৰকাৰ হোৱাৰ কাৰণেই যে সেইটো ৰোধ কৰিব লাগিব তেনে নহয় । মই অন্যায় কথা কোৱা নাই আৰু আৰু মই কাকো দুখও দিব বিচৰা নাই । চৰকাৰ হলে নিয়ন্ত্ৰণৰ কিছু ব্যৱস্থা কৰিবলগীয়া হয় ।

মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া বঙাইগাৱঁৰ কথা কব বিচাৰিছো । এইটো সম্পৰ্কত কেইবাজনো মাননীয় সদস্যই বক্তব্য ৰাখিছে । আমি যদি এইটো ভালকৈ 'এচেচমেণ্ট' কৰিবলৈ যাওঁ তেতিয়াহলে কোকৰাঝাৰ আৰু বঙাইগাৱঁত যিটো ঘটনা ঘটিল তাৰ মূল কাৰণ হৈছে মাটি ।

**Mr. Speaker:** Please take your seat.

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আৰু ২ মিনিট সময় কম। মই তালৈ গৈয়েই তেখেতসকলক সুধিছিলো আপোনালোক ইয়াত কিমান দিনৰ পৰা আছে। কিছুমানে কৈছে ২০ বছৰৰ পৰা আছো, কিছুমানে কৈছে ১৭ বছৰৰ পৰা আছো। মই সেই সময়ত সুধিছিলো আপোনালোক ক'ৰ পৰা আহিছিল ? কিছুমানে কৈছিল মানকাছাৰৰ পৰা আহিছিলো, কিছুমানে কৈছিল বৰপেটাৰ পৰা আহিছিলো, বিছুমানে কৈছিল গোৱালপাৰাৰ পৰা আহিছিলো, আৰু কিছুমানে কৈছিল চেঙা আদিৰ পৰা আহিছিলো। সেই ঘটনাটো য'ত হৈছিল তাত দুটা ৰিজাৰ্ভ আছে। সেই দুয়োটা সংৰক্ষিত এলেকা। তাত ৫৫ হেজাৰ বিঘা মাটি আছে। এই ঠাই ডোখৰৰ নাম আমটেঙা। ১৯৭২ চনৰ পৰাই তেওঁলোকে সেই ঠাই ডোখৰত ঘৰ-দুৱাৰ সাজি বসবাস কৰিছে। কিন্তু তাত তেখেত সকলৰ পট্টা নাই, খাজনা আদি দিয়া নাই। কিন্তু তাত তেওঁলোকে চেটোল কৰিছে।

* শ্ৰীদেৱান জয়নাল আবেদিন ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াৰ দিনতে গড়াখহনীয়ত আক্ৰান্ত হোৱা বুলি পুনৰ সংস্থাপন দিছিল।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সেই সময়ত ৫ শ পৰিয়ালক সংস্থাপন দিছিল। এতিয়া তাত ১০ হাজাৰ পৰিয়াল আছে। বড়ো পিপুলচ পাৰ্টিৰ এজন নেতা শ্ৰীপ্ৰেমসিং ব্ৰহ্মাই মোক কৈছিল এই ঘটনাটো বি, এচ, এফ ৰ দ্বাৰা সংঘটিত হৈছে। আৰু বহুতে কৈছে যে এই ঘটনাটোৰ লগত বড়ো লেন্ডৰ সম্পৰ্ক আছে।

**Mr. Speaker** : Order, Order. Now it is 1.30 P.M. and I guillotine all the remaining Cut Motions.

Now, I put all the reamaining supplementary Demands for Grant Nos.9,11,14,15,17, 21, 26, 27, 33, 35, 36, 38, 49, 55, 58, 59, and 68 for approval of the House.

Those who are in favour say 'Ayes'

Those who are in against say 'Noes'

Ayes have it , Ayes have it, Ayes have it.

The supplementary Deamands for grants No.11,14,15,17,21, 26,27,

* Speech not corrected

33, 35, 36, 38, 49, 55, 58, 59 and 68 are passed.

The House stands adjourned till 3 P.M. today.

**The Assam Appropriation Bill (III)**

(The House reassembled at 3.00 P.M. after lunch with Mr. Speaker in Chair.)

**Mr. Speaker :** Item No.5 The Assam Appropriation (No.III) Bill, 1993 be circulated.

(The Bill is circulated among the Hon'ble Member in the House).

Now, Minister, Finance will move the Motion for introduction of the Bill.

**Shri Jibakanta Gogoi** (Minister, Finance) : Sir, I beg leave to introduce The Assam Appropriation (No.III) Bill, 1993.

**Mr. Speaker** : Is it the pleasure of the House to grant leave to introduce the Bill ?

(Voices : Yes, yes)

With the approval of the House, the leave is granted. There is a message from the Governor of Assam.

RAJBHAWAN

**Guwahati**

Under the Provision of Article 207(I) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Appropriation (No.III) Bill, 1993.

Sd/- Loknath Misra.

Governor of Assam.

(Secretary read out the title of the Bill)

**Shri Jiba Kanta Gogoi** (Minister, Finance) : Sir, I beg to move that the Assam Appropriation (No.III) Bill, 1993 be taken into consideration.

**Mr. Speaker** : Item No.5(b). There is a message from the Governor of Assam.

RAJBHAWAN

Guwahati

Under the provision of Article 207(3) of the Constitution of India, I, Loknath Misra, Governor of Assam, recommend that the Assam Appropriation (No.III) Bill, 1993 be taken into consideration by the Assam Legislative Assembly.

Sd/- Loknath Misra
Governor of Assam

**Mr. Speaker** : Now, Minister, Finance is to move the Assam Appropriation (No.III) Bill, 1993 for consideration of the House.

**Shri Jiba Kanta Gogoi** (Minister, Finance) : Sir, I beg to move that the Assam Appropriation (No.III) Bill, 1993 be taken into consideration.

**Mr. Speaker** : Shri Bharat Chandra Narah, please.

* **শ্ৰীভৰত চন্দ্ৰ নৰহ** ঃ মাননীয় অধ্যক্ষ মহোদয়, আসাম ট্ৰাইবেল ডেভেলপমেণ্ট অথোৰিটি নামৰ এটি অনুষ্ঠান ও প্ৰতিষ্ঠান আছে, সেই প্ৰতিস্থানৰ চেয়াৰমেন হল মাননীয় মুখ্যমন্ত্ৰী নিজে আৰু ভাইচ চেয়াৰমেন হ'ল জনজাতি কল্যাণ ও পিছপৰা বিভাগৰ মন্ত্ৰী আৰু অসম বিধান সভাৰ সকলো জনজাতিয় বিধায়ক আৰু জনজাতিয় সংসদী সদস্য সকল হ'ল এই প্ৰতিষ্ঠানৰ সদস্য ।মাননীয় মুখ্য মন্ত্ৰীৰ সভাপতিত্বত এই প্ৰতিষ্ঠানৰ মিটিং দুই এবাৰ মান হৈ গৈছে আৰু বিধান সভাতো আলোচনা হৈছে যে অসম ট্ৰাইবেল ডেভেলপমেণ্ট আঠোৰিটিৰ ট্ৰাইবেল প্লেনৰ চেন্ট্ৰেল গবৰ্ণমেণ্টৰ পৰা স্পিচিয়েল কম্পোনেণ্ট প্লেনত অহা বহু পৰিমানৰ টকা ফাইনেন্স ডিপাৰ্টমেণ্টে ৰেভিনিউ দিপোজিত কৰি থৈছে । এই বৃহৎ পৰিমানৰ টকা টো ঘূৰাই দিয়াৰ কাৰণে ফাইনেন্স ডিপাৰ্টমেণ্টক বাৰ বাৰ অনুৰোধ কৰা হৈছে কিন্তু এতিয়াও ঘূৰাই দিয়া নাই । যোৱা বাজেট অধিবেশনত জনজাতিয় বিধায়ক সকল একগোট হৈ জাউৰীয়ে জাউৰীয়ে প্ৰশ্নও কৰিছিল তেতিয়া বিভাগীয় মন্ত্ৰী মহোদয়ে মাৰ্চ মাহৰ ভিতৰতে ঘূৰাই দিয়া হব বুলি প্ৰতিশ্ৰুতি দিছিল । কিন্তু আজি এবছৰ হ'লহি টকা খিনি এতিয়াও ঘূৰাই দিয়া নহল , গতিকে বিত্তমন্ত্ৰী মহোদয়ৰ মই দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আসাম

* Speech not corrected

ট্ৰাইবেল ডেভেলপমেণ্ট আঠোৰিটিৰ ৬০ লাখ ৯২ হাজাৰ টকা ফাইনেন্স ডিপাৰ্টমেণ্টে ৰেভিনিউ ডিপোজিত কৰি থৈছে আৰু সেইদৰে আসাম প্লেইনচ ট্ৰাইবেল ডেভেলপমেণ্ট কৰ্পোৰেশ্যনৰ ১ কোটি ৬ লাখ ৪৫ হাজাৰ টকা উইদ্ৰ কৰি ৰেভিনিউ দিপোজিট কৰি থৈছে আৰু আজিলৈকে ঘুৰাই দিয়া নাই । এই টকা খিনি কেন্দ্ৰীয় চৰকাৰে জনজাতীয় সকলৰ বিশেষ উন্নয়ন আচঁনিৰ কাৰণে দিছে । সেইদৰে ১৯৯২/৯৩ চনত আসাম ট্ৰাইবেল ডেভেলপমেণ্ট অথোৰিটিৰ পৰা ১ কোটি ২০ লাখ টকা আৰু আসাম প্লেইনচ ট্ৰাইবেল ডেভেলপমেণ্টৰ ৪ কোটি ৮০ লাখ টকা উইদ্ৰ কৰি আনি ফাইনেন্স ডিপাৰ্টমেণ্টে ৰেভিনিউ দিপোজিট কৰি থৈছে । এই সমূদায় ৬ কোটি মান টকা কেন্দ্ৰীয় চৰকাৰে জনজাতিয় লোকৰ সাহাৰ্য্যৰ কাৰণে আবণ্টন কৰিছে কিন্তু সেই টকাটোও উইদ্ৰ কৰি আনি ৰেভিনিউ দিপোজিট কৰি থোৱা কাৰণে ট্ৰাইবেল সকলৰ কাৰণে যি লোণ ইত্যাদি দিয়াৰ কথা আছিল সেই লোণ দিব পৰা হোৱা নাই । গতিকে সেই টকাখিনিৰ পৰা জনজাতিয় ৰাইজক বঞ্চিত কৰি থোৱা হৈছে । গতিকে এই যি বৃহৎ পৰিমাণৰ টকা ৰেভিনিউ ডিপোজিট কৰি থৈছে সেইটো জনজাতীয় ৰাইজৰ স্বাৰ্থৰ হকে অনতিপলমে ঘুৰাই দিব লাগে ।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া যি সমুদায় ৬ কোটি টকা জনজাতীয় কল্যাণৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা হৈছিল - সেই টকাটো বিত্ত বিভাগে ৰেভিনিউ ডিপোজিট কৰি থৈছে । এতিয়া সেই টকাটো অতি সোনকালে ঘুৰাই দিব লাগে । মাননীয় বিত্তমন্ত্ৰী মহোদয়ে বাৰম্বাৰ কৈছিল যে - বিত্তীয় সংকটৰ কাৰণে ধেমাজী জিলাৰ ২৯ কিলোমিটাৰ বৰ চাপৰিৰ পথ ১৯৮৯ চনতে জোনাই সীমান্তত ৰাষ্টা নিৰ্ম্মাণ কৰিব লাগিছিল - সেইটো হোৱা নাই । আমাৰ ফালৰ পৰা এই ক্ষেত্ৰত চৰকাৰক প্ৰেচাৰ দিয়া হৈছে - কিন্তু বিত্তীয় সংকটক দোহাই দি এই কাম সম্পূৰ্ণ কৰিব পৰা নাই । দেউৰী ঘাটৰ পিপলী বাৰীলৈকে ৰাষ্টাটো টকাৰ অভাৱত হৈ নুঠিল । ঢকুৱাখানাত ৫ বাৰ বানপানীয়ে ৰাইজক জুৰুলা কৰিলে । তেতিয়াও বিত্ত সংকটৰ কথা উল্লেখ কৰি ৰাইজৰ কল্যাণৰ কাৰণে কৰিব লগীয় কাম সমূহ নকৰিলে । মাননীয় মন্ত্ৰী শ্ৰীইন্দ্ৰ গগৈ - ক্ৰীড়া বিভাগৰ মন্ত্ৰী । তেখেতে সেই সমষ্টিৰ বিধায়ক হৈও বিশেষ কাম কৰিব পৰা নাই । বৰচাপৰিত ৰাইজৰ অনুৰোধ ক্ৰমেও বিশেষ কাম কৰিব নোৱাৰিলে । ধেমাজিত বানপানী ৫ বাৰ হৈছে । ৰাইজৰ পৰা বাৰম্বাৰ আপত্তি হোৱা স্বত্বেও যি খিনি প্ৰয়োজনীয় কাম আছিল সেইখিনি পুজিঁৰ অভাৱত কৰিব নোৱাৰিলে । ৰাজহ বিভাগ আৰু মাননীয় মুখ্যমন্ত্ৰীয়ে হস্তক্ষেপ কৰি এফ, ডি, আৰ'ৰ পৰা পুজি আনি কাম কৰিব পাৰিলে

হেতেন । স্পেচিয়েল ইণ্টাৰেষ্ট লৈ বৰচাপৰিত কাম কৰিব পাৰিলেহেতেন । এতিয়া কংগ্ৰেছ (আই) ৰ ফালৰ পৰা লক্ষীমপুৰত সৰহ সংখ্যক বিধায়ক আছে । কিন্তু তেওঁলোকে জল পৰিবহনৰ ক্ষেত্ৰত বিশেষ কাম কৰিব পৰা নাই । এতিয়া কেন্দ্ৰীয় জল আয়োগৰ কাৰণে অপেক্ষা কৰিব নালাগে । প্ৰাকৃতিক দুৰ্যোগৰ ফাণ্ডৰ পৰা ১১০ কোটি টকা পাব পাৰে । আমতলাত, পুজিঁ যদি পোৱা হয় - অতি কম দিনৰ ভিতৰতে কাম হৈ যাব । আজি ৰাইজে আশাও কৰিছে যে - কিয় চৰকাৰে এইবোৰ কাম কৰিব পৰা নাই । তাৰ বাবে আমি বিধায়ক সকলে নান প্ৰশ্নৰ সন্মুখীন হব লগীয়া হৈছে ।

অধ্যক্ষ মহোদয়, এ, এচ, এম, আই, ডি, টি' ত ৫০০ শ জন কৰ্ম্মচাৰী আছে। সেই কৰ্ম্মচাৰী সকলে আগষ্ট মাহৰ পৰা দৰ্মহা পোৱা নাই । তেওঁলোকে মেমোৰেনডাম দিছে । এতিয়া তেওঁলোকৰ অৱস্থা কি হব ? ৫০০ কৰ্ম্মচাৰী দৰ্ম্মহা নো পোৱা মানে ৫০০ টা পৰিয়াল চাফাৰ কৰা । সেইকাৰণে মই জলসিঞ্চন মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰি বিত্তমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই ৫০০ কৰ্ম্মচাৰীৰ দৰ্ম্মহা পোৱাৰ ব্যৱস্থা কৰি দিব লাগে ।

এই খিনিতে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে - বড়ো আৰু নন্ বড়োৰ কোকৰাঝাৰত হোৱা কাজিয়াৰ কথা সদনত উল্লেখ হৈছে । কিন্তু আমাৰ গোগামুখতো মিচিং আৰু নন্‌মিচিংৰ মাজত ভাতৃঘাটি কাৰ্য্য হোৱাৰ সম্ভাৱনা আছে । তাত এতিয়া পৰিস্থিতি উত্তপ্ত হৈ আছে । গোগামুখত মিচিং অধ্যুসিত এলেকাত মিচিং সকলে অটনমাচ ডিমাণ্ড কৰিছে । এই অটনমাচৰ নামত সেই এলেকাত পুজাৰ পিচত ভাতৃঘাটি কাৰ্য্যৰ চেষ্টা চলি আছে । সেইকাৰণে মই কৈছো যে ১৯৯০ চনত অসমৰ কিছুমান আউটপোষ্ট পুলিচ ষ্টেচনলৈ আপগ্ৰেড কৰিছে । চৰকাৰৰ এই সম্পৰ্কত নটিফিকেচন ওলাই গৈছে । কোনখিনি ডিমাৰ্কেচনত পৰে - সেই বিষয়েও চাৰ্ভে আদি হৈ গৈছে । কিন্তু অধ্যক্ষ মহোদয়, সেইবিলাকত এতিয়াও পুলিচ বিষয়া আৰু ষ্টাফ দিয়া হোৱা নাই । নাওবৈছা , লালুক, বগীনদী আৰু গোগামুখ এই চাৰিটা আউটপোষ্ট আপগ্ৰেড কৰা হৈছে । তাৰ ভিতৰত বগীনদী পুলিচ ষ্টেচন হৈছে, ষ্টাফো দিছে - কিন্তু বাকী লালুক, নাওবৈচা আৰু গোগামুখত কোনো পুলিচ বিষয়া নাই আৰু ষ্টাফ নাই । ঘিলামৰাটো পুলিচে ষ্টেচন কৰিছে - কিন্তু পুলিচ ৰখা নাই ।

সেইকাৰণে মই মাননীয় মুখ্যমন্ত্ৰীৰ জৰিয়তে মাননীয় বিত্ত মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি অনুৰোধ কৰিব বিচাৰিছো যে - লালুক, বগীনদী আৰু ঘিলামৰাত আপগ্ৰেড কৰিবৰ কাৰণে চাৰ্ভে সম্পুৰ্ণ হৈ আছে । তাত কেৱল অফিচাৰ দিলেই হ'ল । নহলে

বগীনদী গোগামুখ এলেকাত মিচিং আৰু নন্ মিচিংৰ মাজত পূজাৰ পিছত ভাতৃঘাটি কাৰ্য্য হোৱাৰ সম্ভাৱনা আছে । গতিকে সেইবিলাক ঠাইত অতি সোনকালে আৰক্ষী বিষয়া আৰু ষ্টাফ দিবলৈ অনুৰোধ জনাই মোৰ বক্তব্য সামৰিলো ।

* **শ্ৰীযতীন মালী** ঃ মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰোপ্ৰিয়েট বিল পাছ কৰা সময়ত মই কেইটামান সাধাৰণ কথা চৰকাৰৰ দৃষ্টিগোচৰ কৰিব খুজিছো । মই ভাবিছিলো সেই সময় ছোৱাত চৰকাৰী বিষয় কেইটামানৰ সম্পৰ্কত তেখেতসকলৰ কি দৃষ্টিভঙ্গী, আমাক জনাব । অধ্যক্ষ মহোদয়, কাটমোচনৰ সময়ত মই ফৰেষ্টৰ সম্পৰ্কত কথা কব বিচাৰিছিলো । সেয়ে মই কাট মোচন আনিছিলো । সদনৰ সিদ্ধান্ত মৰ্মে কাটমোচনৰ সময় শেষ হৈছিল । সেয়েহে কোৱাৰ সময়ো নাপালো ।

আমি জানো যে শুৱালকুছি পাট-মুগাৰ কাৰণে বিখ্যাত । পলাশবাৰী কাঠৰ কাৰণে এটা জনাজাত অঞ্চল বুলি সকলোৱে জানে । বৰ্ত্তমান চৰকাৰৰ বননীতি সম্পৰ্কত আমি সন্তুষ্ট নহয় । অধ্যক্ষ মহোদয় মেঘালয় সীমামূৰীয়া হিচাপে অসমলৈ মেঘালয়ৰ পৰা কাঠ আহে আৰু অন্য ৰাজ্যলৈও যায় । পলাশবাৰীৰ কাঠৰ মিল বিলাকে মেঘালয়ৰ পৰাই কাঠ পাই আহিছে এইটো অসম চৰকাৰে বন্ধ কৰিব নালাগে । কিন্তু এইটো বন্ধ কৰিব লাগে যাতে অসমৰ কাঠ মেঘালয়লৈ নি মেঘালয়ৰ কাঠ বুলি পুনৰ অসমলৈ আনিব নোৱাৰে । পলাশবাৰীৰ লগত দক্ষিণ কামৰূপৰ কাঠৰ মিল বিলাক মেঘালয়ৰ পৰা অনা কাঠৰ পৰাই পৰিচালনা কৰি আহিছে । অসম চৰকাৰে যিটো কাৰণে বন্ধ কৰিব বিচাৰিছে, তাৰ লগত হেজাৰ হেজাৰ পৰিয়াল জড়িত আছে। অসম চৰকাৰে বন বিভাগৰ সম্পৰ্কত এটি সুস্থিৰ সিদ্ধান্ত লব লাগে । পলাশবাৰীৰ অঞ্চলসমূহ যাতে কোনো ধৰণৰ বিৰূপ প্ৰভাৱ নপৰে তাৰ প্ৰতি লক্ষ্য ৰাখে যেন । এই খিনিতে চৰকাৰক মই এটি কথা দৃষ্টিগোচৰ কৰিছো বন বিভাগৰ লগত জড়িত যি মুষ্টিমেয় বা কিছু সংখ্যক দুৰ্নীতি পৰায়ণ বিষয়া আছে তেখেত সকলক চিনাক্তকৰণ কৰি বিভাগীয় ব্যৱস্থা লবলৈ ব্যৱস্থা কৰক । অধ্যক্ষ মহোদয়, কাটমোচন সম্পৰ্কত এই খিনি কথা মোৰ কব লগা আছিল ।

অধ্যক্ষ মহোদয়, মই বিত্তমন্ত্ৰী মহোদয়ৰ এটা কথাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো ৩১ মাৰ্চ ১৯৯৩ চনত যেতিয়া বাজেট উৎথাপন কৰা হৈছিল সেইখন ৰাহি বাজেট আছিল আৰু সেই বাজেট গৃহীত কৰা হৈছিল তাত বিভিন্ন শিতানত টেক্স লগোৱাৰ লগতে মিঠাতেল আৰু দাইলৰ ওপৰতো টেক্স লগোৱা হৈছিল শতকৰা ২

* Speech not corrected

ভাগ তাৰ পিছত বাতৰি কাকত আৰু প্ৰচাৰ মাধ্যমেৰে জানিব পাৰিলো যে ১ এপ্ৰিল ১৯৯৩ চনৰ পৰা আৰম্ভ হবলগীয়া বিত্তীয় বছৰটোত দাইল মিঠাতেলৰ ওপৰত যি কৰ লগোৱা হৈছিল সেই কৰ ৩১ জুলাইৰ পৰা কাৰ্য্যকৰী হোৱাকৈ উঠাই দিয়াৰ ব্যৱস্থা কৰা হৈছে। এতিয়া কথা হ'ল ১৯৯৩ চনৰ এপ্ৰিল মাহৰ পৰা ৩১ জুলাইলৈ দাইল মিঠাতেলৰ ওপৰত প্ৰায় ৩০ কোটি টকা সংগৃহীত হৈছিল বুলি জানিব পাৰি কাৰণ বিক্ৰীকৰ বস্তু কিনা বেচা কৰাৰ সময়তে দিয়া হয়। গতিকে সেই টকাটো বৰ্ত্তমান কি অৱস্থাত আছে ? চৰকাৰে ঘোষণা কৰিছে যে সেই টকাটো ঘূৰাই দিয়া হব গতিকে কি মাধ্যমেৰে কাক এই টকাতো ঘূৰাই দিয়া হব মন্ত্ৰী মহোদয়ে তাৰ স্পষ্ট জবাব দিব লাগে।

অধ্যক্ষ মহোদয়, শিক্ষা সম্পৰ্কে মই এটা কথা কব বিচাৰিছো আজি প্ৰশ্নোত্তৰ কালত মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছেই যে প্লেনৰ টকা নন প্লেনলৈ দাইভাৰ্ট কৰিছে তাৰ কাৰণে এই উন্নয়নী বৰ্ষটোত উন্নয়নৰ যে বাধা হৈছে তাকো চৰকাৰে স্বীকাৰ কৰিছে। এই ঘটনাটোৰ কাৰণে প্লেনৰ অধীনত কাম কৰা আমাৰ যি সকল শিক্ষক তেখেত সকলে ৫ মাহৰ দৰ্ম্মহা পোৱা নাই। আজি এপ্ৰোপিয়েচন বিল পাচ হৈ যাব কিন্তু এতিয়ালৈকে যে ৫ মাহৰ দৰ্ম্মহা পোৱা নাই তেওঁলোকৰ অৱস্থা কি হব ? অন্য কৰ্ম্মচাৰীৰ প্ৰতি আমাৰ সহানুভুতি আছে কিন্তু শিক্ষক সকলৰ প্ৰতি আমাৰ অধিক চিমপেঠী থকা উচিত তেওঁলোকে দৰ্ম্মহা নোপোৱা কথাটো বাতৰিত প্ৰকাশ পালে দুখ লাগে আৰু যাতে বাতৰিত প্ৰকাশ নাপায় তাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো। গুৱাহাটীৰ ভিতৰত প্লেনত কাম কৰা শিক্ষক সকলক ট্ৰেজাৰী বিভাগীয় বিষয়া সকলে "এন" শব্দ লগাই দৰ্ম্মহা দি আছে বুলি শুনিছো শিক্ষা বিভাগেও এইটো কৰিলে শোভা নাপায়। গড়কাপ্তানী বিভাগৰ বিষয়ে এটা কথা কব বিচাৰিছো ১৯৯৩-৯৪ বছৰটো উন্নয়নীবৰ্ষ হিচাপে পালন কৰিছে- যোৱা দুটা বছৰত এই চৰকাৰে কি কাম কৰিছে তাক কাগজে পত্ৰে ঢাক ঢোল কোবাইছে। ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনটোৰ কাৰণে এম এন পি এচ চি পি এচ টি পি হেডৰ টকা তাক আমি এচ-পি-দি-চি ৰ মিটিংত কেতিয়াবাই অনুমোদন দিলো কিন্তু গড়কাপ্তানী বিভাগে আজিলৈকে তাক মোকলাই দিয়া নাই ফলত ৰাষ্টাটোৰ কোনো কামেই হোৱা নাই। এই ক্ষেত্ৰত মই বিভাগীয় মন্ত্ৰী বা মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে আচঁনি বিলাক ৰূপায়নৰ ক্ষেত্ৰত সদায়ে মনোযোগ দিয়ে। আজি এটা প্ৰশ্নৰ উত্তৰত ১০৭ নং প্ৰশ্নৰ উত্তৰত বিকেন্দ্ৰীকৰণ আচঁনিৰ টকা দিব পৰা নাই বুলি কৈছে। কিন্তু যিহেতু এইটো উন্নয়নী

বৰ্ষ বুলি কৈছে এই দিশত চকু দিব লাগে ।

বান নিয়ন্ত্ৰণ বিভাগ সম্পৰ্কে এটা কথা কব বিচাৰিছো, কিছুমান কথা আমি পতিয়ন যাবৰ ইচ্ছা কৰিব লাগে ।ইয়াৰ আগতেওঁ মই কৈছিলো যে পলাশবাৰী টাউন প্ৰটেকচন যিটো আচঁনি কেন্দ্ৰীয় চৰকাৰৰ যোগেদি অহা আচঁনি এইটো ২১ কোটি ৪ লাখ টকাৰ আচঁনি । এই আচঁনিটো আমি কাৰ্য্যকৰী কৰিব লাগে । মই এটা কথাৰ বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো আমি এইবাৰ কেন্দ্ৰত এজন অসমৰ পৰা বিত্তমন্ত্ৰী পাইছো তেওঁক আমি ইউটিলাইজ কৰিব পৰা নাই । তেখেতৰ অসমৰ কাৰণে কিবা কৰাৰ নিশ্চয় ইচ্ছা আছে মাত্ৰ তেওঁক ইউটিলাইজ কৰিব জানিব লাগিব । কেন্দ্ৰীয় চৰকাৰে অনমোদন দিয়া যিহেতু এইটো আচঁনি সেয়ে বিত্তমন্ত্ৰীৰ যোগেদি এই টকাখিনি উলিয়াবৰ ব্যৱস্থা কৰিব লাগে । আমাৰ মন্ত্ৰী সকল প্ৰায়ে দিল্লীলৈ গৈ থাকে । তেখেত সকল দিল্লীলৈ যাওঁতে এই আচঁনি বিলাক কাৰ্য্যকৰী কৰিবৰ কাৰণে বিশেষ ব্যৱস্থা লব লাগে । আমাৰ মূখ্য মন্ত্ৰীয়ে এটা কথাৰ ঘোষণা দিয়াৰ কাৰণে কিছুলোকৰ মাজত প্ৰতিক্ৰিয়া হৈছে তেখেতে কৈছে যে ১৯৯১ চনৰ পৰা চৰকাৰৰ ঘৰত যি বিলাক লায়েবিলিটি আছে সেইবিলাক আদায় দিব আৰু তাৰ আগৰ বিলাক আদায় নিদিয়ে । ইয়াৰ প্ৰতিক্ৰিয়া হোৱাটো স্বাভাবিক । আচলতে যি বিভাগৰে নহওক লায়েবিলিটি বুলিলে যি বিলাক ৰিকগনাইজ লায়েবিলিটি সেইটো সকলো চৰকাৰে মানি লব লাগিব। সেই বিলাক কৰিলেহে চৰকাৰে উন্নয়নী বৰ্ষ বুলি ঘোষণা কৰাৰ সাৰ্থকতা হব। আশাকৰো পৰবৰ্ত্তী দিন বিলাকত এই কথা বিলাকত দৃষ্টি দিব । এই খিনিকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো ।

* **ডাঃ কমলা কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই এপ্ৰোপ্ৰিয়েচন বিলৰ ওপৰত মই দুটামান কথা উত্থাপন কৰিব বিচাৰিছো । এইবিলখন আহিছে তাক গ্ৰহণো কৰা হব । মই এটা কথা কৈছো এই পৰিবহন সেৱা যিটো বিভাগ আছে তাত টকা ধৰা হৈছে আৰু এপ্ৰোপিয়েচন বিলত আহিছে । মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এই টকাতো কিহৰ কাৰণে দিয়া হৈছে ? এই পৰিবহন বিভাগটো আছে বুলি ধাৰণা নহয় । মই এটা প্ৰশ্ন কৰিছিলো তাৰ উত্তৰ আহিছে তাত কৈছে যে পৰিবহন বিভাগৰ ৮০০ খন বাছ আছে কিন্তু তাৰ ভিতৰত মাত্ৰ ৪০০ খন বাছহে ৰাস্তাত চলি আছে বাকী ৪০০ খন অকামিলা হৈ আছে । ৪০০ খন চলি আছে বুলি কৈছে যদিও কথাটো বিশ্বাসযোগ্য নহয় । আমি লক্ষ্য কৰিছো যি সকল ব্যক্তিয়ে ব্যক্তিগত ভাবে বাছৰ ব্যৱসায় কৰিছে

* Speech not corrected

লোকে দ্ৰুত গতিত লাভবান হৈ গৈছে কিন্তু পৰিবহন সেৱা দিনক দিনে লোকচানৰ ফালে গৈছে। তাৰ কাৰণ হিচাপে দেখিছো কিছুমান দুৰ্নীতি পৰায়ণ বিষয়া আৰু কৰ্ম্মচাৰীৰ কাৰণে আজি পৰিবহন বিভাগৰ এই অৱস্থা । আমি দেখিছো যিবিলাক টায়াৰ কিনে সেই টায়াৰ বিলাক বাছত নলগায় লগাই কিছুমান ব্যক্তিগত মানুহৰ গাড়ীত আৰু পুৰণা টায়াৰ বিলাক চৰকাৰী গাড়ীত লগাই থয় । ফলত তাৰ অৱনতি দিনক দিনে বাঢ়ি গৈছে। মোৰ সমষ্টিতে মই দেখিছো যি বিলাক বাছ আগতে চলিছিল আজিকালি সেই বাছ বিলাকৰ এখনো বাছ মোৰ সমষ্টিত নচলে ।

মাননীয় অধ্যক্ষ - এই বিলাক কথা আপুনি মঞ্জুৰী আলোচনা কৰোতেহে কব পাৰে ।

* ডাঃ কমলা কলিতা ঃ এপ্ৰোপ্ৰিয়েচন বিলৰ ওপৰত আগতে যি বিলাক বিষয় আলোচনা হোৱা নাই সেইবিলাক বিষয় আলোচনা কৰিব পাৰি ।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ চাৰ, পৃষ্ঠা ৮০ এইটো লিখা আছে । Sir, page No.80 Debate on appropriate bill shall be restricted of public which have already been raised

মাননীয় অধ্যক্ষ ঃ এই বিষয় সমূহ আলোচনা কৰোতে যথেষ্ট সময় লাগিব । মই মহন্ত ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো তেখেত সকলে কিমান সময় লব ।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ আমি ৪ বজাৰ ভিতৰত শেষ কৰিম ।

* ডাঃ কমলা কলিতা ঃ চাৰ মই আৰু ২ মিনিটতে শেষ কৰিম ।

আমাৰ যিটো পানী যোগান বিভাগ আছে তাত যি বিলাক আচঁনি আছে সেই বিলাক অকামিলা হৈ পৰি আছে। আমি এই বিলাকৰ কাৰণে টকা দিছো যাতে আচঁনি বিলাক অতি সোনকালে কাৰ্য্যকৰী হয় তাৰ ব্যৱস্থা কৰিব বুলি আশা কৰিলো । শেষত মই মন্ত্ৰী পৰিষদৰ বিষয়ে কৈয়ে বক্তৃতাৰ সামৰণি মাৰিম । মন্ত্ৰী পৰিষদৰ কাৰণে গাড়ী কিনিব বিছাৰিছে য'ত চৰকাৰৰে কাম নাই তাত এই বৃহৎ কলেবৰৰ মন্ত্ৰী সভাৰ কাম কি ? এই বৃহৎ কলেবৰৰ মন্ত্ৰী সভাৰ কোনো দৰ্কাৰ নাই । মন্ত্ৰীৰ কাৰণে গাড়ী কিনাৰ পৰিবৰ্ত্তে গাড়ীৰ সংখ্যা কমাবহে লাগে । এই মন্ত্ৰী সভাই কি কাম কৰি আছে তাৰ বিষয়ে মই এটা গোৱালপৰীয়া কবিতাৰ এফাকি পঢ়িয়ে বক্তৃতাৰ সামৰণি মাৰিম -

"এচ-পি ৰ দ্বাৰা ডিআই ঘেৰা

শ্বহীদ হলো খাড়া খাড়া

---

* Speech not corrected

নিয়োগ হলো নিয়ম চাৰা
নিয়োগ দিয়া হলো টাকা তাৰা ”

কথাটো কাৰ ক্ষেত্ৰত প্ৰযোজ্য হৈছে নিজে বুজিছে । গতিকে মন্ত্ৰী সকলৰ কাৰণে গাড়ী কিনা বাদ দি চাইকেল দিয়াৰ ব্যৱস্থা কৰক । টকাৰ অপব্যয় কমিব ।

**শ্ৰীশশ কমল সন্দিকৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাৰ শিতানত যি বিলাক এড-হক স্কুল আছে সেই বিলাকে আজি এবছৰ দহ মাহে গোটেই অসমত গ্ৰাণ্ট পোৱা নাই । শিক্ষা মন্ত্ৰীয়ে এই বিষয়ত উদ্যোগ লব বুলি আশা কৰিছো । লগতে দেখা যায় আমাৰ এল, পি, হাইস্কুল বিলাকৰ ঘৰ-দুৱাৰ, বেয়া, আচবাব নাই । শিক্ষক নিযুক্তিৰ লগতে বেঞ্চ, ডেক্স আদিৰ প্ৰতি লক্ষ্য ৰখা প্ৰয়োজন । গোটেই অসমত দেখিছো শিক্ষক সকলে পাঠদান কৰাৰ ক্ষেত্ৰত নানা অসুবিধাৰ সন্মুখীন হব লগীয়া হৈছে । উদ্যোগ বিভাগৰ চাবচিদিৰ ক্ষেত্ৰত ৫ কোটি টকা বিচাৰিছে । উদ্যোগ বিভাগৰ ক্ষেত্ৰত চেঞ্চৰ মোচন দিয়া হৈছে । আমি শুনিবলৈ পাইছো উদ্যোগ মন্ত্ৰীয়ে অসম ৰাজ্যিক বস্ত্ৰ শিল্প নিগমৰ হস্তান্তৰৰ ক্ষেত্ৰত গোৰেঙ্কা গোষ্ঠীৰ পৰা ৭ লাখ টকা লৈ হস্তান্তৰ কৰিছে । আজি জানিব পাৰিছো কৰ্ম্মচাৰীক ২ মাহৰ দৰ্ম্মহা দিছে । গোৰেঙ্কাই ইতিমধ্যে ৫০ লাখ টকাৰ সূতা থ্ৰেদ আৰু ১০ লাখ টকাৰ গৃহ নিৰ্মাণ সামগ্ৰী লৈ গৈছে । চুক্তিত আছে যে কৰ্ম্মচাৰী সকলৰ চাকৰি যি ভাৱে আছে সেই ভাৱে সা-সুবিধা থাকিব । এতিয়া উৎপাদন ভিত্তিত কৰাৰ প্ৰশ্ন তুলিছে । এই বস্ত্ৰ নিগম বা চিনটেক্সৰ কি কাৰণত লোকচান ভৰিব লগা হৈছে সেই বিষয়ে অনুসন্ধান কৰিছেনে ? আজি ৰাজহুৱা খণ্ডৰ উদ্যোগ বিলাকে কি কাৰণে লোকচান ভৰিছে ? অসম উদ্যোগৰ ক্ষেত্ৰত পিছপৰা । এল, পি, স্কুলৰ শিক্ষক নিয়োগৰ ক্ষেত্ৰত বিধান সভাৰ বাহিৰে ভিতৰে হুলস্থুল হয় । কিয়নো নিয়োগৰ কোনো সুযোগ নাই । আজি মেট্ৰিক, হায়াৰকেণ্ডাৰী, কলেজ পাচ কৰি বেকাৰ হয় । অধিক শিক্ষিতক চাকৰি দিবলৈ হলে উদ্যোগ কৰিব লাগিব । ৰাজহুৱা ক্ষেত্ৰত উদ্যোগ নাই । যি হৈছে সিও ৰুগ্ন । অসম চৰকাৰে ইতিমধ্যে ব্যক্তিগত মালিকক উদ্যোগ বিলাক চমজাই দিয়াৰ ব্যৱস্থা কৰিছে । বস্ত্ৰ উদ্যোগ নিগমৰ, চিনটেক্স লিঃ ৰ সম্পত্তি বহু কম মূল্যত মালিকক দিছে । বস্ত্ৰ নিগমৰ ওচৰত ১২ লাখ টকাৰ লায়েবিলিটি আছিল । ১২ লাখ টকাৰ বিনিয়োগ কৰি ৬০ লাখ টকাৰ মুল্যৰ সামগ্ৰী হস্তান্তৰ কৰিছে । কৰ্ম্মচাৰীক দৰ্ম্মহা দিয়া নাই । উৎপাদনৰ লগত সাঙুৰিছে । আমাৰ শিল্প বিলাক যাতে ব্যক্তিগত মালিকক দিয়া নহয় তাৰ বাবে আহ্বান জনালো । নহলে আমাৰ নিবনুৱা সমস্যা সমাধান নহয় । আমাৰ উদ্যোগ বিলাক ৰুগ্ন হোৱাৰ কাৰণ কি ? পৰিচালনাৰ

ক্ষেত্ৰত আমাৰ টেকনিকেল এক্সপাৰ্ট নাই । ব্যৱসায়ৰ লগত সম্পৰ্ক নথকা আই, এ, এচ, এ, চি, এচ বিষয়াক এমডি কৰাৰ কাৰণে উদ্যোগ বিলাকত লোকচান ভৰিব লগা হয় । ৰাজনৈতিক কাৰণত চেয়াৰমেন নিয়োগ কৰা হয় । সুস্থ পৰিচালনাৰ অভাৱত উদ্যোগ বিলাক ৰুগ্ন হৈছে । হিন্দুস্তান পেপাৰ মিলৰ নিচিনা বহুত কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগ আছে । মই আশা ৰাখিছো ব্যৱসায়ৰ প্ৰশিক্ষণ দি পৰিচালকক নিযুক্তি দিয়াৰ ব্যৱস্থা লব । আগতীয়াকৈ ব্যৱস্থা লোৱা হলে চুমনি বান্ধ ভাঙি নগলহেতেন । আজি নদী বেলেগ ফালে গতি কৰিছে । ১৯৮৯-৯০ চনত সতৰ্ক হোৱা হলে ইমান হাজাৰ টকা চুমনি বান্ধত খৰচ নহলহেতেন, দুৰ্ভিক্ষত পৰিব লগা নহলহেতেন । সতৰ্ক ব্যৱস্থা নোলোৱাৰ ফলত মথাউৰী ভাঙি গৈ আছে । প্ৰথম ৰ পৰা ব্যৱস্থা লোৱা হলে আচঁনি সফল হলহেতেন ।

অধ্যক্ষ মহোদয়, আৰু সেই ৫ কোটি টকা খৰচ কৰা হৈছে । কিন্তু খেতিয়ক সকলক দিয়া হোৱা নাই । দেজাৰ কোম্পানী বিলাককো টকা দিয়া হোৱা নাই । ইয়াত কৈছে যে, বান নিয়ন্ত্ৰণ বিভাগে মাটিৰ ক্ষতিপূৰণ আদায় দিয়াৰ বাবে এই ধন বিচাৰিছে । এই ধন গোটেই অসমৰ বান নিয়ন্ত্ৰণৰ কাৰণে, মথাউৰি নিৰ্ম্মাণৰ কাৰণে । আনহাতে বান নিয়ন্ত্ৰণৰ কাৰণে আৰু মথাউৰি নিৰ্ম্মাণৰ কাৰণে অসমৰ বহুতো মাটি অধিগ্ৰহণ কৰিছিল, সেই মাটি বিলাকৰ ক্ষতিপূৰণ আজিলৈকে দিয়া হোৱা নাই । মই মুখ্যমন্ত্ৰী মহোদয়ক কেইবাবাৰো কৈছো যে, ডিব্ৰুগড় জিলাত বহুতো মানুহে আজি ১৫/১৬ বছৰ ধৰি মাটিৰ ক্ষতিপূৰণ টকা পোৱা নাই । গতিকে এই টকা সেই লোক সকলক সোনকালে দিব বুলি আশা কৰিছো । ন্যায় পালিকাৰ ক্ষেত্ৰতো দেখা যায় যে, অসম চৰকাৰৰ কোনো ৰায়ৰ বিৰোদ্ধে কোনো ব্যক্তিয়ে গুৱাহাটী হাই কৰ্টত এপিল কৰিলে জিকি যাব । অসম চৰকাৰৰ ন্যায় বিভাগে কেনে ধৰণে কেচ বিলাক পৰিচালনা কৰে তাত সন্দেহ হয় । আমাৰ যি বিলাক চৰকাৰী উকীল নিয়োগ কৰা হয়, তেওঁবিলাকে কেচ বিলাক কেনেধৰণে কৰে নাজানো । শিক্ষাবিভাগত কিছুমান ইলিগেল নিযুক্তি হৈছিল তেতিয়া আমি প্ৰটেষ্ট কৰিছিলো । যে এইধৰণৰ নিযুক্তি বিলাক হব নালাগে । কিন্তু নিয়ম নীতি ভঙ্গ কৰি নিযুক্তি দিছে আৰু আজি সেই বিলাক কেচ হাইকৰ্টত গৈ জিকিছে । গতিকে চৰকাৰে টকা পইচা খৰচ কৰিছে যদিও সেই অনুপাতে কাম হোৱা নাই । দুৰ্নাম হৈছে । গতিকে এই ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিবলৈ অনুৰোধ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো ।

**Mr. Speaker** : Now, Hon'ble Memebr Shri Parameswar Brahma.

**Shri Parameswar Brahma** : Mr. Speaker Sir, I stand to participate in the discussion on the Appropriation Bill laid by the Hon'ble Finance Minister of Assam. Sir, for the knowledge of this House I would like to draw the attention of the Chief Minister that I have re ceived a news from Kokrajhar and Bongaigaon that during night Police let loose terrorism with raids and arrests of Bodo people . It is shocking that from the camps with lethal weapons minority camp immates looted the Bodo village and Police reamained just silent spectators. It is very shocking. Sir, that Police are working against the Bodo people. I would like to draw the attention of the House to stop raids arrests of innocent people of Bongaigaon & Kokrajhar districts to live peacefully.

Now Sir, on the Welfare of Scheduled caste and Scheduled Tribes and Other Backward Classes one Member has already drawn the attention of the Hon'ble Finance Minister. Yes, we Tribal Members of the House had discussed and requested the Finance Minister to refund an amount of Rs.600 crores with interest taken away from Tribal Development Authority & Tribal Development Corporation. Government is claiming that it is working for the Tribal people and this has gone against the interest of the Tribal People, which is very unfortunate. So I request Hon'ble Finance Minister to refund it with interest and stop such practices in near future and because of which this income generating schemes for scheduled caste and Scheduled Tribes could not be taken up. On education finance Minister has demanded addition fund to look after the Education Department. I would have been happy if Mr. Finance Minister could have allocated the share to PTE . Because in the name of education though there is a separate PTE Branch this PTE is deprived of. So a clear allocation for the PTE should be made. Then only tribal people would

get benefit of Education Department. They expect some benefit but it is not done. It is to be done. We have been demanding even today for a separate Directorate with separate financial provisions to look after PTE. I again submit that Hon'ble Finance Minister to look into it.

On Transport Sir, the people of Kokrajhar is deprived of the sevices of Assam State Transport Corporation. Assam State Transport Corporation never plied now from Kokrajhar to Guwahati and Gossaigaon to Guwahati. I have tried to draw the attention of the Hon'ble Transport Minister but without any avail. This Transport Department has become very very dirty and actually extending no service to the people of Kokrajhar. Private Transport system is now superseding the Assam State Transport Corporation and I feel it is no use to allocate seperate fund for ASTC.

On Flood Control, Sir, Members should know that on several occasions contractors of PWD, Irrigation Departments and Flood Control Departments are resorting to movement because of not being paid their pending bills. The entire Lower Assam, Kokrajhar district, Bongaigaon District are affected due to the devastating errosion by river Manas, Sankuch etc. Hel & Gangia and because of this vast cultivable lands are becomming unsuitable for cultivation. Flood Control Deptt. should look into it. Irrigation Department is doing nothing in this Kokrajhar district. Longa, Boska, Champamati Irrigation are not working . I do not see necessity of sanction for further fund which is not doing anything. So, participating in this Appropriation Bill submitted by the Hon'ble Finance Minister I would like to request Mr. Finance Minister that funds demanded for the development of the State and interest of the people should be uti

---

* Speech not corrected

lised and expenditure be made in proper way.

* শ্ৰীজীৱকান্ত গগৈ, বিত্তমন্ত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰোপ্ৰিয়েচন বিলৰ সংক্ৰান্তত কেইবা গৰাকীও মাননীয় সদস্যই কেইবাটাও গুৰুত্বপুৰ্ণ বিষয়ত তেখেত সকলে বক্তব্য ৰখাৰ কাৰণে আৰু কেইবাটাও ভাল পৰামৰ্শ দিয়াৰ কাৰণে তেখেতসকললৈ মোৰ ধন্যবাদ জনাইছো । মাননীয় সদস্য শ্ৰীনৰহৰি ডাঙৰীয়াই কৈছে যে ট্ৰাইবেল ডেভেলপমেণ্ট অথৰিটি আৰু কৰ্পোৰেচনৰ পৰা আমি ৬ কোটি টকা আনিছো । এইটো হয় ১৯৯২-৯৩ চনত এইটো জনা হৈছিল । ইতিমধ্যে এই টকাৰ কিছু অংশ ৰিলিজ কৰি দিয়া হৈছে আৰু বাকী খিনিও দিয়া হব । আমি এতিয়া পলিচি লৈছো যে এচ, চি আৰু এচ, টি ৰ সকলোবোৰ উন্নয়নৰ আচঁনিৰ সম্পূৰ্ণ কৰাৰ কাৰণে চেষ্টা কৰিছো । যোৱা কেইমাহত এচ, চি, এচ, টি ৰ টকা দি থকা হৈছে আৰু তেওঁলোকে সকলো আচঁনি সম্পুৰ্ণ কৰিব পাৰিব বুলি আমি আশা কৰিছো । সদস্য গৰাকীয়ে ধেমাজী আঞ্চলত হোৱা বানপানীৰ কথা কৈছে আৰু এফ, ডি, আৰৰ টকা তাত দিয়াৰ বিষয়ে কৈছে - শ্ৰীনৰহৰিক ইয়াৰ কাৰণে ধন্যবাদ জনাইছো আৰু বিষয়টো আমি চাম । এ, এচ, এম, আই, ডি, চি, ৰ ৫০০ জন কৰ্ম্মচাৰীয়ে দৰমহা নোপোৱাৰ কথা কোৱা হৈছে । কৰ্পোৰেচনটো হৈছে এটা অটনমাছ বডি । তেওঁলোকে নিজে চেল্‌ফ চাফিচিয়েন্ত হব লাগে । যি হওক কৰ্ম্মচাৰী সকলে যাতে দৰমহা পায় তাৰ কাৰণে মই কৃষি বিভাগৰ লগত যোগাযোগ কৰিম । শ্ৰীনৰহৰে লগতে মিচিং আৰু ননমিচিং সম্প্ৰদায়ৰ মাজত সংঘৰ্ষ মানে ভাতৃঘাটি সংঘৰ্ষই দেখা দিয়াৰ কথা কৈছে - এই বিষয়টোৰ প্ৰতি চৰকাৰে দৃষ্টি ৰাখিব । যিহেতু তেখেত তাৰে স্থানীয় বিধায়ক তেখেতে চেষ্টা কৰিব লাগে । মাননীয় সদস্য শ্ৰীযতীন মালী ডাঙৰীয়াই ভাল কথাই কৈছে যে পলাশ বাৰীৰ ক্ষেত্ৰত কাঠৰ নীতি সংশোধন কৰিব লাগে বুলি । মেঘালয়ৰ কাঠ বন্ধ কৰি দিলে দক্ষিন কামৰূপৰ কাঠৰ মিলবোৰ বেয়াকৈ ক্ষতিগ্ৰস্থ হব বুলিও তেখেতে কৈছে - এইটো আমি চাম । তেখেতে প্লেনৰ টকা নন প্লেনলৈ অনাৰ কথাও কৈছে - মই প্ৰশ্নোত্তৰ কালতো এই সম্পৰ্কে উত্তৰ দিছো । তেখেতে ইয়াৰ ফলত উন্নয়ন ব্যাহত হোৱা বুলি কৈছে । কিন্তু ব্যাহত হোৱা নাই । যোৱা বছৰ কিছু সামান্য অসুবিধা হৈছিল কিন্তু এতিয়া নাই । এই বৰ্ষটো উন্নয়ন বৰ্ষহিচাপেই লোৱা হৈছে আৰু এই উদ্দেশ্যে ই এতিয়া বিভিন্ন বিভাগলৈ ধন মুকলি কৰি দিয়া হৈছে বিভিন্ন কামৰ বাবে । যোৱা এপ্ৰিল মাহত আমাৰ চৰকাৰে অভাৰ ড্ৰাফট লৈছিল হয় । কিন্তু এইটো এই কাৰণেই হবলৈ পালে যে কেন্দ্ৰীয় চৰকাৰে আমাক ২৪৪ কোটি টকা দিয়াৰ কথা আছিল কিন্তু

টকাটো পোৱা নাছিলো । মে' মাহত এদিনৰ বাবে অ'ভাৰড্ৰাফ্‌ট হৈছিল - এইটো হৰলৈ পালে ৰিজাৰ্ভ বেংকৰ হেড অফিচ নাগপুৰত হোৱাৰ কাৰণে আমাৰ ইয়াৰ পৰা জমা দিয়া টকা গৈ সেইখিনি নোপোৱাৰ বাবেহে । আমাৰ চৰকাৰে আগৰ কেন্দ্ৰীয় চৰকাৰৰ ধাৰ অন্যান্য লায়েবিলিটি আদি পৰিশোধ কৰি থাকিবলগীয়া হৈছে - ইতিমধ্যে ভালেখিনি আগৰ ধাৰ পৰিশোধ কৰা হৈছে । এতিয়া আমাৰ বিত্তীয় পৰিস্থিতি কিছু ভাল লৈ আহিছে । আমাৰ চৰকাৰে যোৱা কিছুদিনতে ৩২ কোটি টকা কৰ্ম্মচাৰী সকলৰ মেডিকেল এৰিয়াৰ দিয়া হৈছে । তাৰোপৰি মাহে ১৫ কোটি টকাকৈ কৰ্ম্মচাৰী সকলৰ বাবে অতিৰিক্ত মৰগীয়া বানচো দি থাকিবলগীয়া হৈছে । আনহাতে বিশ্ববিদ্যালয় কেইখনকো যথেষ্ট টকা দি থকা হৈছে । বিত্তীয় পৰিস্থিতি আমাৰ এতিয়া উপচি পৰা নাই । যদিও কিছু পৰিমানে হলেও ষ্টেবিলিটি হৈছে । এতিয়া ৰাজ্যখনৰ উন্নয়নমূলক কাম-কাজ কৰিবলৈ লোৱা হৈছে । ৰুৰেল ডেভেলপমেণ্ট বিভাগক ১০ কোটি টকা দিয়া হৈছে জুলাই মাহত, আগষ্ট মাহটো দিয়া হৈছে ৭ কোটি এই মাহতো দিয়া হৈছে - এই টকা দিয়া হৈছে ৰাষ্টা-ঘাট নিৰ্ম্মাণ, দলং আদি মেৰামতি, স্কুলঘৰ নিৰ্ম্মাণ আদি উন্নয়নমূলক কামৰ বাবে । ভঙা দলং নিৰ্ম্মাণ কৰিবৰ বাবে এই মাহতে ৪ কোটি টকা দিয়া হৈছে । এতিয়া আমি ৰাষ্টা, দলং, স্কুলঘৰ নিৰ্মাণৰ কাম কৰিবলৈ টকা দি আছো । We are implement and release এই বছৰ ১৯৯৩-৯৪ চনত ২৫৩ কোটি টকা ৰিলিজ কৰি দিয়া হৈছে । মুঠ ১০২৭ কোটি টকাৰ all our plan money যোৱা ২-৩ মাহৰ পৰা বিভিন্ন উন্নয়নমূলক কাম কৰিবলৈ লোৱা হৈছে । আমাৰ এই ঘোষিত উন্নয়ন বৰ্ষ সাফল্যমণ্ডিত হব ।

* শ্ৰীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই স্পেচিফিক দুটা কথা কৈছিলো - প্লেনৰ টকা নন-প্লেনলৈ নিয়াৰ কথা আৰু কৰ্ম্মচাৰীখিনিয়ে ৫ মাহৰ দৰমহা নোপোৱাৰ কথা । মন্ত্ৰী মহোদয়ে এই কথাটো কোৱা নাই । মই দাইল আৰু তেলৰ কথা কোৱা নাই ।

* শ্ৰীনগেন শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, ময়ো এই খিনিতে এটা স্পেচিফিকেচনৰ কথা সোধো উত্তৰটো একেলগে কব - ইতিমধ্যে প্লেন মানিৰ ১০২৭ কোটি টকাৰ ভিতৰত এই অক্টোবৰ মাহলৈকে খৰচ কৰিছে মাত্ৰ ২৫৩ কোটি আৰু খৰচ কৰিবলৈ বাকী আছে ৭৬৫ কোটি টকা - এতিয়া বাকী থকা এই মাহকেইটাত ইমানখিনি টকা খৰচ কৰিব পাৰিবনে নাই ।

* শ্ৰীজীৱকান্ত গগৈ, বিত্তমন্ত্ৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া খৰালি আহিছে আৰু বিভিন্ন

* Speech not corrected

কাম- কাজ এতিয়া আৰম্ভ হৈছে গতিকে টকা খৰচ হ'বই । এইবোৰ কথা অহা মাৰ্চ মাহৰ পিছত এই সম্পৰ্কে প্ৰশ্ন কৰিব ।

অধ্যক্ষ মহোদয়, শিক্ষকে দৰমহা পোৱা নাই বুলি কৈছে, চৰকাৰী চাকৰিয়ালক এইটোৰ কাৰণে এল,ও, চি , নালাগে । কিবা অফিচিয়েল কাৰণত নাপাব পাৰে , সেইটো মই চাম । তেখেত ফ্লাড কন্ট্ৰলৰ কথা কৈছে, পলাশবাৰীত ২১ কোটি টকাৰ কথা কৈছে এইটো আমি চাম । তেখেত চাউল, দালিৰ কথা কৈছে আঁচলতে সেইটো নহয় । ১/৭/৯৩ তাৰিখৰ ভিতৰত এক কোটি টকা দিছিল, সেইটো সিদ্ধান্ত লৈছিল । সেইটো কাৰ্য্যকৰী হোৱা নাই । দুখীয়া মানুহক চাউল, দালি দিয়াৰ কাৰণে ঘোষণা কৰা হৈছে। চিকেনৰ টেক্স উঠোৱা হব যাতে সকলোৱে পায় ।

* শ্ৰীশশ কমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াই কৈছে যে চাউল, দালি যি টেক্স সেইটো ১/৪/৯৩ তাৰিখে অৰডিনেন্স যোগে জনাইছে আৰু ৩১/৭/৯৩ তাৰিখে মাফ কৰি দিয়া হল । ইতিমধ্যে ব্যৱসায়ী সকলে টকা তুলিছে সেই পইচা কোনে পাব, ব্যৱসায়ী সকলে পাব নে কোনে পাব ? প্ৰতি মাহত দুই পইচাকৈ তুলিলেও সাতকোটি টকা হয় । দুই পইচা ৰাইজক ঘূৰাই দিব পাৰিব নে ? গতিকে মন্ত্ৰী ডাঙৰীয়াৰ মৰম ৰাইজৰ ওচৰলৈ গৈছে নে ব্যৱসায়ী সকললৈ গৈছে ?

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সেইটো কৈ দিব লাগিব, এক কোটি টকা উঠিছে ।

* শ্ৰীশশ কমল সন্দিকৈ ঃ অধ্যক্ষ মহোদয়, ফাইনেন্স ডিপাৰ্টমেণ্টৰ চাৰকুলাৰত দেখিছো দুই পইচা ৰেহাই দিছে, সেই ৰেহাই জনসাধাৰণৰ হব লাগিছিল । ব্যৱসায়ীক ৰেহাই নিদিয়ে ১৯৯৩ চনৰ যি টেক্স লোৱা হৈছে সেই টেক্স জুলাই মাৰ্চত লৈছে । এইটো সংগ্ৰহ কৰাৰ পিছত কোনে ঘূৰাই পাব, টকা কোনে পাব, আনে পাব নোৱাৰে । এই কথাটো মন্ত্ৰী ডাঙৰীয়াই কৈ দিব লাগে ।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে অৱশ্যে সচা। ২/৪/৯৩ পৰা নতুন বছৰ যদিও টেক্স পোৱা উঠিতে আছিল ।

* শ্ৰীশশ কমল সন্দিকৈ ঃ অধ্যক্ষ মহোদয়, ৩১/৭/৯২ তাৰিখৰ পৰা ৰেহাই দিছে, ইতিমধ্যে ভেকেট কৰিছে , টকা তোলা হৈছে ।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰ) ঃ অধ্যক্ষ মহোদয়, নতুন বছৰত টেক্স দিয়া নাই সেই কথাৰটোৰ কাৰণে । যদি এইটো কথা ধৰি থকা যায় এটা খেলিমেলি হৈ আছে । গতিকে এইটো ভাল হব, ৰই থাকিলে ব্যাঘাট হব ।

---

* Speech not corrected

* শ্ৰীযতীন মালী ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত এটা ষ্টেটমেন্ট লে কৰক ।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিষয়ে যোৱা বিধান সভা অধিবেশনত কুৰেৰী মতে উত্তৰ দিয়া হৈছে ।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো । মন্ত্ৰী মহোদয়ে যি কথাখিনি কৈছে সেইটো কম টকা হলেও পইচা । কি কাৰণত ব্যৱসায়ীক ঘূৰাই দিব লগা হল ? এই ক্ষেত্ৰত কোৰ্ট কেচ হৈছে, মই কোৰ্টলৈ গৈছিলো । আকৌ বন্ধ হল, আমিও সহায় কৰিব খুজো । যোৱা বছৰৰ খিনি নলৈ কিয় ঘুৰাই দিব লগা হল, এই কথাটো মন্ত্ৰী মহোদয়ে কব লাগে ।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোৰ্টলৈ যোৱাৰ কাৰণে ধন্যবাদ দিছো । সেইটো আচল কথা নহয় ।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, কোৰ্টে কৈ দিছে যে বন্ধ কৰিব লাগে । তাৰ পিছত কোৰ্টে সুধিছে টকা কলৈ গল , টকাখিনি কেনৈ লব নিবিচাৰে । এতিয়া মন্ত্ৰী মহোদয়ে কব লাগে যে যি হল হল যোৱা বাৰৰ টকাখিনি লম ।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমি এই ক্ষেত্ৰত সিদ্ধান্ত লৈছো । মাননীয় সদস্য ডাঃকমলা কলিতাই পৰিবহনৰ কথা কৈছে । তেখেতে চাৰিখন বাছ চলি আছে বুলি কৈছে ।

* শ্ৰী নগেন শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো । মন্ত্ৰীয়ে যি টকা পাইছে ৫ লাখ হওঁক ১০ লাখেই হওঁক বা ১৫ লাখেই হওক মন্ত্ৰীয়ে খোলা খোলিকৈ কৈ নিদিয়ে কিয়, কিয় ঘূৰাই দিয়া নাই ?

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, গভৰ্নমেণ্টৰ সিদ্ধান্ত কৈ দিছো । সেই মতে কাম কৰা হৈছে । মাননীয় সদস্য ডাঃ কলিতাই ৯ খন বাছ চলি থকা বুলি কৈছে । পৰিবহন বিভাগত এখন বাছত ১৪ জন মানুহ আছে, এইটো ভাল হোৱা নাই । তেখেত সকলক আত্ম নিৰ্ভৰশীল হবৰ কাৰণে পাচ শ গাড়ী কিনি দিলে তেখেত সকল চেল্‌ফ চাফিচিয়েণ্ট হব । যদি নতুন গাড়ী কিনি দিয়া যায় তেতিয়া হয়তো লাভবান হব । মাননীয় সদস্য ডাঃ কমলা কলিতাই বান নিয়ন্ত্ৰণৰ কথা কৈছে । মন্ত্ৰী সকলক গাড়ী দিয়াৰ কথাও কৈছে । অকল মন্ত্ৰী সকলেই নহয় আমি বিধায়ক সকলকো গাড়ী দিয়াৰ কথা চিন্তা কৰি আছো । এইটো যোৱাবাৰ বিধান সভাত কোৱা হৈছিল, সেই কাৰণে আমি চেষ্টা কৰি আছো ।

---

* Speech not corrected

*** ডাঃ কমলা কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী সকলৰ যিহেতু কোনো কামেই নাই গাড়ীৰ কিয় লাগে ? মই যোৱাকালিয়ে মন্ত্ৰী মহোদয়ক কৈছিলো যে গণেশগুৰিত কেৰাচিনৰ ব্ৰেক চলি আছে আপোনালোকে গৈ চাই আহক । কিন্তু আপোনালোক নগল । আজিও তাত কেৰাচিনৰ ব্ৰেক চলি আছে। গতিকে কাম নোহোৱা মন্ত্ৰীক গাড়ী দিব লাগে নাই।

***শ্ৰীজীৱকান্ত গগৈ (বিত্তমন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, অকল মন্ত্ৰীকে গাড়ী নালাগে । বিধায়ক সকলকো গাড়ী লাগে, তেওঁলোকৰ সমষ্টিৰ কাম কৰিবলৈ । গতিকে আমি বিধায়ক সকলকো গাড়ী দিয়াৰ কথা চিন্তা কৰি আছো।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** মাননীয় মন্ত্ৰী, মহোদয়, বিধায়ক সকলক গাড়ী আপুনি দিব নে মই দিম । বিধায়ক সকলক আপুনি গাড়ী দিব পাৰে নেকি ?

*** ডাঃ কমলা কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰী মহোদয়ে সদনক 'মিচলীড' কৰিছে ।

***শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয় আমাৰ দুখন গাড়ী হ'ব । এখন আপুনি দিব আৰু এখন বিত্তমন্ত্ৰীয়ে দিব ।

*** শ্ৰীযতীন মালী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথাৰ প্ৰতি বিত্তমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ৭ ডিচেম্বৰ '৯২ তাৰিখে বিধায়ক আৰু প্ৰাক্তন বিধায়ক সকলক সা-সুবিধা দিবৰ কাৰণে 'গেজেট নটিফিকেচন' হৈছিল । আজি পুনৰ বিত্তমন্ত্ৰী মহোদয় আৰু অধ্যক্ষ মহোদয় দুয়োজনে কৈছে যেতিয়া সুবিধাখিনি আমি সোনকালে পাম বুলি ভাবিছো ।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** মই এই খিনিতে এটা কথা কব খুজিছো, আমাৰ মন্ত্ৰী মহোদয়ে ভূল কথা কৈছে, বিধায়ক সকলক গাড়ীৰ কাৰণে টকা দিয়া নাই । গাড়ী আৰু ঘৰ-মাটিৰ কাৰণে ঋণ দিবহে বিচৰা হৈছে ।

*** শ্ৰীনগেন শৰ্ম্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়ক সকলক যে ঋণ দিয়াৰ ব্যৱস্থা হৈছে সেইটো আমি আপোনাৰ পৰাহে গম পাইছো । গতিকে বিত্ত মন্ত্ৰী মহোদয়ে সদনক 'মিচলীড ' কৰিছে ।

*** শ্ৰীজীৱ কান্ত গগৈ ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী শশ কমল সন্দিকৈয়ে যি কেইটা উদ্যোগ হস্তান্তৰৰ কথা কৈছে, অসম চিনটেক্স লিঃ, অসম পলিটেক্স লিঃ, অসম ৰাজ্যিক বস্ত্ৰ নিগম, এই তিনিটা উদ্যোগত যোৱা তিনি বছৰত ২৭ কোটি ১৭ লাখ টকা লোকচান

* Speech not corrected

হৈছে। এইটো আমাৰ পৰিচালনাৰ ভুলৰ কাৰণে হৈছে। এতিয়া এইকেইটা চৰকাৰে চলাব পৰা অৱস্থাত নাই কাৰণেই হস্তান্তৰ কৰিব খোজা হৈছে। আৰু তাৰ কৰ্ম্মচাৰী সকলে যাতে নিয়মীয়াকৈ দৰ্মহা পাতি পাই থাকে, সেইটোৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই ব্যৱস্থা লোৱা হৈছে।

* শ্ৰীশশ কমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম ৰাজ্যিক বস্ত্ৰ নিগম টো গ্ৰোৱেংকা উলেন মিলছ লিমিটেডৰ মালিককলৈ হস্তান্তৰ কৰাৰ বাবদ চৰকাৰে কিমান টকা পালে।

* শ্ৰীজীৱকান্ত গগৈ ঃ অধ্যক্ষ মহোদয়, এই বিষয়ে তথ্য মোৰ হাতত নাই। নিয়োগৰ কথা যিটো কোৱা হৈছে। ইয়াৰ বাবে আমিও চিন্তিত। যি সকল নিবনুৱা যুৱক যুৱতী আছে, তেওঁলোকক কৰ্ম্মসংস্থান দিয়াৰ বাবে চৰকাৰ বদ্ধপৰিকৰ।

**Mr. Speaker :** First Minister will complete his reply and then only clarification can be given.

* শ্ৰীজীৱকান্ত গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগ বিলাক ৰুগ্ন হোৱাৰ প্ৰধান কাৰণ হিচাপে তেখেতে কৈছে যে, পৰিচালনাৰ অভাৱ। এইটো সচা কথাই কৈছে। আমাৰ অসমত অভিজ্ঞ কাৰিকৰী মানুহৰ বৰ অভাৱ। তাৰোপৰি এই উদ্যোগ বিলাকৰ মুৰব্বী হিচাপে সাধাৰণতে আই, এ, এচ বা এ, চি, এচ বিষয়াক নিযুক্তি দিয়া হয় আৰু তেওঁলোকৰ ট্ৰেইনিং টোও অল প বেলেগ ধৰণৰ। সেই কাৰণেই এই উদ্যোগ বিলাকৰ ৰুগ্ন অৱস্থা হৈছে। তেখেতে চোমনি বান্ধৰ কথা যিটো কৈছে যে বানপানীৰ আগতে এইটো সম্পূৰ্ণ কৰিব লাগে, এই বিষয়ে মই ব্যৱস্থা লম। তেখেতে আৰু এটা কথা কৈছে যে, অসম চৰকাৰে হাইকোৰ্টত কেচ বোৰ হাৰে। এই বিষয়ে আমাৰ মুখ্যমন্ত্ৰীৰ লগত আলোচনা হৈছে। যাতে আমি কেচবোৰ জিকিব পাৰো তাৰ এটা ব্যৱস্থা লোৱা হব। আমাৰ মাননীয় সদস্য শ্ৰীপৰমেশ্বৰ ব্ৰহ্ম ডাঙৰীয়াই কোকৰাঝাৰৰ যিটো কথা কৈছে, এই সম্পৰ্কে আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই বিবৰি কৈছেই। তাৰোপৰি এচ, চি, এচ, টি ৰ উন্নয়ণৰ কাৰণে আমিও চিন্তা কৰি আছো। এচ, চি, আৰু এচ, টি ৰ প্লেনৰ টকা যাতে ডাই ভাৰ্ট কৰা নহয় তাৰ বাবে আমি ব্যৱস্থা লম। কোকৰাঝাৰলৈ ট্ৰেন্সপোৰ্ট চাৰ্ভিচৰ যিটো কথা হৈছে, সেই টো বৰ্ত্তমান গন্দগোলৰ কাৰণে হব পাৰে, সেই ক্ষেত্ৰতো আমি ব্যৱস্থা লম।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত বৰ্ত্তমান ২০খন লটাৰী চলি আছে। তাৰ পৰা ১০ শতাংশকৈ বিক্ৰীকৰ লগোৱা হৈছে। এই টকা সংগ্ৰহ কৰা

* Speech not corrected

হেছে নে নাই জনাব লাগে ।

* শ্ৰী জীৱকান্ত গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয় কৰ সংগ্ৰহ হৈ আছে ।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ অধ্যক্ষ মহোদয়, মই জনাত বিক্ৰীকৰ কোনেও দিয়া নাই আৰু কৰ বিভাগেও সংগ্ৰহ কৰা নাই ।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ আধ্যক্ষ মহোদয় মই জনাত বিক্ৰী কৰ দি আছে ।

* শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয, বিত্তমন্ত্ৰীয়ে কৈছে ১০ শতাংশ বিক্ৰীকৰ দিয়া বুলি, এটা এটকীয়া টিকেটৰ ১০ পইচা বিক্ৰী কৰ দিলে আৰু ১০ পইচা প্ৰাইজ মণি দিলে , অৰগেনাইজাৰলৈ একোৱেই নাথকে । গতিকে তেওঁলোকে লোকচান ভৰি খেল চলাব নেকি ? আপুনি অলপ কথাটো চিন্তা কৰি চাওঁক ।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমাৰ হিতেন গোস্বামীয়ে অলপ ওলোটা বুজে । প্ৰাইজমণি কোনে কিমান পালে সেইটোৰ লগত নহয় । টিকেটৰ ওপৰতহে হয় ।

* শ্ৰীহিতেন্দ্ৰনাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, এশ টকাৰ টিকট বেচিলে ১০ টকাৰ চেল টেক্স দিব লাগে আৰু বাকী ১০ টকা প্ৰাইজমনি দিব লাগে । এইটো আপুনি ভুল কৰিছে ।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই বিলাক টিকটৰ ওপৰত ভিত্তি কৰিয়েই হব ।

* **Shri Hitendra Nath Goswami** :- How do you assess all the 90% of the Sale and how will you give it to the awardees or how can you collect the rest 10% as tax.

* শ্ৰীজীৱকান্ত গগৈ ঃ অধ্যক্ষ মহোদয়, অৰগেনাইজাৰে কিমান পালে সেইটো কথা নহয় ।

* শ্ৰীভৰত চন্দ্ৰ নৰহ ঃ অধ্যক্ষ মহোদয়, চৰকাৰে বিক্ৰীকৰ এতিয়ালৈকে কিমান পালে, অহা কালিৰ ভিতৰত হিচাপ দিব পাৰিব নেকি ?

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এতিয়ালৈকে কিমান পাইছো, মোৰ হাত ত তথ্য নাই । অহা কালিৰ ভিতৰত চেষ্টা কৰি চাম ।

**Mr. Speaker** : Now, Hon'ble Member Shri Jatin Mali to Speak.

* শ্ৰীযতীন মালি ঃ মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে ১৯৯২-৯৩ চনত দাইল আৰু মিঠাতেল আদিৰ ওপৰত যি ২শতাংশ কৰ উঠাই দিয়াৰ পিচত মাননীয় আদালতে এই সিদ্ধান্ত ব...

* Speech not corrected

কৰিলে। এতিয়া চৰকাৰে সেই টকাখিনি ৰাজভৰাললৈ অনাৰ ব্যৱস্থা কৰিব নেকি ?

* **Shri Jibakanta Gogoi (Minister):** Hon'ble Speaker Sir, It is depend upon Court Verdict.

* শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ অধ্যক্ষ মহোদয়, কথাটো হল, হাইকোৰ্টে সিদ্ধান্তটো নাকিচ কৰাৰ পিছত, সেই টকাখিনি ঘূৰাই অনাৰ ব্যৱস্থা চৰকাৰে কৰিছেনেকি ?

* **Shri Jiba Kanta Gogoi (Minister) :** I will examine.

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, লটাৰী এটা কোনেও লোকচান কৰি নচলায়। এটকাৰ টিকট বিক্ৰী কৰিলে ১০ পইচা বিক্ৰীকৰ দিব লাগে আৰু বাকী ৯০ পইচা প্ৰাইজমনি দিলে অৰগেনাইজাৰৰ এক পইচাও নাথাকে । এনেকৈ চলোৱাটো সম্ভৱ নেকি। গতিকে মাননীয় বিত্ত মন্ত্ৰী মহোদয়ে গোটেই বিষয়টো ভালদৰে পৰীক্ষা কৰি চোৱা ভাল হব ।

* শ্ৰীজীৱকান্ত গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই মহন্ত ডাঙৰীয়াক ধন্যবাদ জনাইছো । ১ টকাৰ টিকটত ১০ পইচাৰ ৰয়েল্টি দিব লাগিব । অৰ্থাৎ কিনোতাই এটকাসহ পইচা কৈ কিনিব লাগিব ।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়, বিত্ত মন্ত্ৰীয়ে এইটো কথা আগতেই কব লাগিছিল।

**Mr. Speaker:** I now put the motion before the House. The motion is that the Assam Appropriation (No.III) Bill, 1993 be taken into consideration.Those who are in favour, say 'Ayes' Those who are against say 'Noes'.

'Ayes"have it, 'Ayes' have it, 'Ayes' have it'

The motion is passed.

Now item No.5 (c). Now I put Clause 2 & 3 & Schedule to the Bill before the House for approval. The question is that Clause 2 &3 and Schedule to the Bill do stand part of the Bill.

Those who are in favour say 'Ayes' , ' Those who are against say 'Noes'. 'Ayes' have it, Ayes have it, Ayes have it.

Clauses 2,3 and Schedule do form part of the Bill.

---

* Speech not corrected

Now I put Clause I, Enacting Formula and Short Title of the Bill before the House for approval. The question is that : Clause I, Enacting Formula and Short Title do stand part of the Bill.

Those who are in favour say 'Ayes'

Those who are against say 'Noes'

'Ayes have it, Ayes have it, Ayes have it'

Clause I, Enacting Formula and Short Title do form part of the Bill.

Now item No.5 (d) Minister, Finance to move

***Shri Jiba Kanta Gogoi** (Minister Finance) : Sir, I beg to move that the Assam Appropriation (No.III) Bill, 1993 be passed.

**Mr. Speaker** : I now put the motion before the House.

The motion is that the Assam Appropriation (No.III) Bill, 1993 be passed.

Those who are in favour say 'Ayes'

Those who are against say 'Noes'

Ayes have it, Ayes have it, Ayes have it.

The motion is passed. The Bill is passed.

I now request the Hon'ble Chief Minister to move the resolution.

* **Shri Hiteswar Saikia,** (Chief Minister) : Sir, I beg to move that this House ratifies the amendment to the Constitution of India falling within the purview of Clause (b) of the proviso to Clause (2) of articles 368 thereof. Proposed to be made by the Constitution (Seventy Seventh Amendment) Bill, 1992, as passed by the House of Parliament.

* <u>শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সংবিধানৰ ৭৭ তম এমেণ্ডমেণ্ট</u> বিল খন লোক সভা আৰু ৰাজ্য সভাত পাছ হোৱাৰ পিছত ৰাজ্য সমূহৰ অনুমোদনৰ কাৰণে পঠাইছে আৰু তাত এটা কথা কোৱা হৈছে যে লেন্ড অউনাৰ আৰু টেনেন্টৰ

মাজত যি বিলাক ডি চ পিউট বহু বছ্ৰ ধৰি নিস্পত্তি নোহোৱাকৈ পৰি আছে সেইবোৰ ডিচপিউট সোনকালে নিস্পত্তি কৰাৰ কাৰণে তামিল নাড়ুৰ এটা কেচত চুপ্ৰিম কোৰ্টে ৰায় দি ৰেচনেল ৰেন্ট ট্ৰিবিউনেল কৰিব লাগে বুলি কৈছে। এই সংশোধনীৰ ক্ষেত্ৰত এমেন্ডমেণ্ট কৰিব বিচৰাআৰ্টিক'ল -৩২৩(বি) পিটি (এ) আৰু ক্লজ (ডি) ইমচাৰ্ট কৰিব বিচৰা হৈছে। এই কেচ সমূহ সোনকালে ডিচপজ অফ কৰিবৰ কাৰণে আৰ্টিকল ২২৬, ২২৭ আৰু ২২৮ ভিতৰত ইয়াক খৰ্ব কৰি ট্ৰিবিউনেলৰ ব্যৱস্থা কৰিবলৈ বিচৰা হৈছে। এনে ক্ষেত্ৰত এটা কথা দেখা গৈছে যে যদিও কেচ বিলাক চমু কৰিবলৈ বিচৰা হৈছে তথাপি হাইকোৰ্টৰ যিটো অধিকাৰ সেই অধিকাৰ ইয়াৰ পৰা বাদ দিয়া হোৱা নাই। সেই কাৰণে বা কমিচনৰ নিৰ্দ্দেশ অনুসৰি যিটো সংশোধনী আনিব বিচৰা হৈছে সেইটো ভাৰতবৰ্ষৰ গণতন্ত্ৰৰ কাৰণে স্বাস্থ্যকৰ নহয়। আমি যেতিয়াই ইচ্ছা যায় তেতিয়াই সংবিধান সংশোধন কৰিব বিচৰাটো সমীচিন নহয়। লেণ্ড লৰ্ড আৰু টেনেন্টৰ মাজৰ ডিচপিউট বহু বছ্ৰ ধৰি থকাতো সচাঁ কথা। কিন্তু আমি এটা কথা লক্ষ ৰাখিব লাগিব যে যেতিয়া ৰাজ্য চৰকাৰে লেন্ড ট্ৰিবিউনেল গঠন কৰিব তেতিয়া কাম সোনকালে কৰাৰ কাৰণেই কৰিব। এই খিনিতে আমি লেন্ড লৰ্ড আৰু টেনেন্টৰ মাজৰ সম্পৰ্ক চিন্তা কৰিব লাগিব। আজি গুৱাহাটীতেই বহুতো মানুহে কেৱল ঘৰ ভাড়াৰ ওপৰতে নিৰ্ভৰ কৰি চলিব লগা হয়। তেনে ক্ষেত্ৰত সেই বিলাক মানুহৰ স্বাৰ্থত যাতে ব্যাঘাত নজন্মে আৰু টেনেণ্টবো সুবিধাবোৰ যাতে খৰ্ব নহয় তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ মই অনুৰোধ জনালো।

অধ্যক্ষ ডাঙৰীয়া, এই খিনিতে মই আৰু এটা কথা উল্লেখ কৰিব খুজিছো যে এই ট্ৰিবিউনেল বোৰ যেতিয়া গঠন কৰা হব তেতিয়া সেইবোৰ নেচনেল ট্ৰিবিউনেলৰ আন্ডাৰত থাকিব আৰু সেই ক্ষেত্ৰত কেচ বিলাক সোনকালে নিস্পত্তি হৈ যাৱ বুলি ভবাৰ দৰে হৈ গলে ভাল কথা। কিন্তু ষ্টেট লেভেলত ট্ৰিবিউনেল হলে ডিষ্ট্ৰিক্ট লেভেলৰ ট্ৰিবিউনেলৰ কথাও আহিব। আজি দিল্লীত থকা মানুহে আৰ্টিক'লৰ সুবিধা লৈ প্ৰয়োজন সাপেক্ষে সোনকালে ছুপ্ৰিম কোৰ্টলৈ যাব পাৰিব। কিন্তু ৰাজ্যৰ মানুহে যাতে এই ক্ষেত্ৰত হাৰাশাস্তি নহয় তাৰ কাৰণে দৃষ্টি দিব লাগে আৰু ভাৰতবৰ্ষৰ আন আন মহানগৰী বোৰৰ যিটো প্ৰব্লেম সেই বিলাকো দৃষ্টি দিব লাগিব। নেচনেল লেভেল ট্ৰিবিউনেলত যদি ছুপ্ৰিম কোৰ্টৰ জাদ্জ দিয়া হয় তেনেহলে ষ্টেট লেভেলৰ ট্ৰিবিউনেল বিলাকতো হাইকোৰ্টৰ জাদ্জ দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়। আনহাতে মাটিৰ আন

* Speech not corrected

আন কেচ বোৰো ইয়ালৈ আহিব পাৰে নেকি সেই ক্ষেত্ৰত স্পষ্ট হোৱা উচিত বুলি মই ভাবো । অধ্যক্ষ ডাঙৰীয়া, আৰ্টিকল ২২৬ আৰু ২২৭ ত কোৱা হৈছে যে হাই কোৰ্টত কেচ বিলাক পৰি থাকিব নোৱাৰিব আৰু যি কোনো কেচ হাই কোৰ্টলৈ যাব নোৱাৰিব আৰু সেইদৰে হাইকোৰ্টেও কোৱাচি জুডিচিয়েল ট্ৰিবিউনেলৰ অধিকাৰ খৰ্ব কৰিব নোৱাৰিব । গতিকে এই ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি ভঙ্গী কি হব সেই সম্পৰ্কে আইন ৰচনা কৰোতে এইবোৰ কথা লক্ষ্য কৰা ভাল হব বুলি মই ভাবো । সেই কাৰণে মই ভাবো ভাৰতবৰ্ষৰ প্ৰত্যেক ৰাজ্যৰ কাৰণে এইটো কমপালচৰি হিচাবে কৰিব লাগে । আনহাতে যিবিলাক চেৰিটেবল অনুস্থান আছে সেইবিলাকৰ ক্ষেত্ৰতো ইয়াৰ ভিতৰত পৰিব নে নপৰে সেই ক্ষেত্ৰত চৰকাৰৰ দৃষ্টি ভঙ্গী স্পষ্ট হোৱা উচিত । কোনো কোনো ক্ষেত্ৰত লেন্ড লৰ্ডে তেওঁলোকৰ ইচ্ছা মতে ঘৰৰ ভাড়া বঢ়াই দিব পাৰে আৰু তেতিয়া টেনেণ্টৰ অসুবিধা হয় । গতিকে তেনে ক্ষেত্ৰত এটা সময় বান্ধি দিয়াৰ ব্যৱস্থা যদি ইয়াত ৰখা হয় তেনেহলে নিশ্চয় এই সংশোধনীৰ জৰিয়তে যি আইন ৰচনা কৰিব বিচৰা হৈছে তাৰ পৰা ৰাইজে সুবিধা লাভ কৰিব পাৰিব বুলি মই ভাবো । মই আৰু দীঘলীয়া বক্তৃতা দিবলৈ ইচ্ছা কৰা নাই, এই সংশোধনী প্ৰক্ৰীয়াৰে যিটো ব্যৱস্থা কৰা হৈছে আৰু সৰ্বভাৰতীয় ভিত্তিত যাতে এই কেচ বিলাকৰ ক্ষীপ্ৰতৰ ভাবে নিস্পত্তি কৰিব পাৰে সেইটো ইয়াৰ দ্বাৰা কৰিব পাৰিব বুলি আমি আশা ৰাখিছো আৰু সেই কাৰণে এই সংশোধনীত আমি সমৰ্থন আগবঢ়াইছো ।

* **Shri Dewan Joynal Abedin** : Mr. Speaker Sir, as regards this Seventy-seventh Constitution Amendment Bill, I would like to make a few observartions. Sir, as has already been stated by the Hon'ble Leader of the Opposition we are in terms of hearing that the object of the Bill and Resolution is to ratify the Seventy-seventh Constitution amendment Bill which will enable the Government to create a National Rent Tribunal at the national level and State Rent Tribunal at the State level. Here, what is conspicuous is that this amendment seeks to include the jurisdiction of all Courts except Supreme Court from these cases, that means ,that the number of land cases, land dispute cases between the tenants and the land lords should be dis

* Speech not corrected

posed of by the National Land Tribunal and the State Land Tribunal and the other Court should not have any jurisdiction except the Supreme Court.

The number of land cases between the tenant and land lord should be disposed of by National Land Tribunal. Now Sir, it will be difficult if all through out the country should have only the Supreme Court remain to be Appellate Court it will be difficult and on this I would like to suggest that while making subsequent legislation two things should be kept in mind. (1) the number of State Tribunal should be moved so that cases can be disposed of quickely. Secondly, suggest some measure and High Court in different States should have some mechanism to have some jurisdiction so that all Appellant cases do not have to refer to the Supreme Court. High Court may evolve a kind of mechanism to give relief to the people who want to go for appeal. Sir, along with I would like to make another observation so far as at the time of making the legislation. The creation of the Tribunals and special emphasis should be given for protection of tenants rights. Land Lord rights should also be protected. Because it is seen that the tenants have harrassed by increasing grates and also forceably driven out the tenants by land lords. In this connection, I would also say that people from rural areas rush to the city for search of job and other reasons. So, it should be the responsibility of the Government to see that more and more building/house should be constructed under the initiative of the Government and accommodation should be given to the proper section of the society at cheap rates and along with this Sir, I would like to suggest that wakf property should be exempted from this and with this suggestion I concluded my speech.

---

* Speech not corrected

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, আৰ্টিকল ৩৬৮ টো ৩২৩ (বি) হ্ব নেকি ।

* **Shri Gayasuddin Ahmed** : Mr. Speaker Sir, it is a fact that under the provision of the rent Control Act which are imposed in various States of the country so many rent cases are pending in the Court. We have also in Assam Rent Control Act. This Act has definately certain defects and at the out sat I would like to suggest in the light of the amendment of the Constitution. The Govt. of Assam should examine the provisions of the Assam Rent Control Act and go forward with amendment in the next session of the Assembly. In the light of the present amendment of the Constitution with the main object of avoiding delay in disposal of Rent Rate letigation cases. Under this provision of this amendment National Rent Tribunal should be set up and this Rent Tribunal will check in the Capital of the Country which I think will be of no helped practically to the letigations in different parts of the country, different States, different district or district headquarter. Here there is a suggestion in the amendment Sir, there will be some States Rent Tribunal in the States ,We should have some District Rent Control Act for decentralisartion of the purpose of this Constitution amendment. Assam Rent Control Act which should be re-examined which was passed long back. The situation of the State has changed. The relationship between the land lords and tenants have changed in different sharps. The relationship between the land lords and Tenants in rural areas and the relationship between the landlords and tenants in the city are different. In the city tenents is much more richer then land lord and so this relationship should be examined and rate of land tenents should be nationalised so that Assam Rent Control Act should be re-examined. I advice Govt. should go forward with appropriate amendment.

---

* Speech not corrected

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, পাৰ্লিয়ামেণ্টত আগষ্ট মাহত এই এমেণ্ডমেণ্ট বিলখন পাচ কৰিছে । এই এমেণ্ডমেণ্ট খন অনাৰ উদ্দেশ্য হৈছে লেন্ড-লৰ্ড আৰু টিনেন্টক ৰক্ষনাবেক্ষন দিয়া । এই ক্ষেত্ৰত কিবা খেলিমেলি হলে ট্ৰিবিউনেলৰ সহায় লব পাৰিব । মাননীয় সদস্য মহন্ত ডাঙৰীয়াই যিটো প্ৰস্তাৱ এই সম্পৰ্কত আনিছে সেইটো গ্ৰহন যোগ্য । এই বিষয়টো আমি নিশ্চয় চাম । মাননীয় সদস্য জয়নাল আবেদীন চাহাবে কোৱা কথা যে যি সকল লোকে ভাড়া ঘৰত থাকে তেওঁলোকে ঘৰৰ মালিকক নিয়মীয়াকৈ ভাড়া নিদিয়ে আৰু কোনো কোনো লোকে একেবাৰেই ভাড়া নিদিয়ে আৰু কেতিয়াবা দেখা যায় ঘৰৰ মালিক সকলে ভাড়াত থকা লোক সকলৰ পৰা যথেষ্ট অসুবিধা পাই আৰু এনেকুৱা হয় যে কেতিয়াবা টিনেন্ট ঘৰ এৰি নিদেয়ে, ফলত ঘৰৰ মালিকে যথেষ্ট অসুবিধাৰ সন্মুখীন হব লগীয় হয় আনকি কোৰ্টৰ ওচৰ চাপিব লগীয়া হোৱা শুনিবলৈ পোৱা যায় । সেইকাৰণে আজিকালি বহুতো ঘৰৰ মালিক আছে তেওঁলোকে ভয়তে ঘৰ ভাড়া নিদিয়ে এনেয়ে পেলাই থয় । গতিকে ৰেণ্ট কন্ট্ৰোল এক্ট খন সংশোধনৰ কাৰণে প্ৰয়োজন হৈছে । এই সংশোধনীৰ দ্বাৰা ভাড়াত থকা লোক সকলক আৰু ভাড়া দিয়া দুয়ো পক্ষকে ৰক্ষনাবেক্ষন দিয়াৰ কাৰণে অনা হৈছে । পশ্চিমীয়া দেশবিলাকত এনেকুৱা ব্যৱস্থা আছে যে যি সকল লোক ভাড়াত থাকে কতৃপক্ষই সেই টিনেন্ট সকলক টেলিফোন যোগে কথা-বতৰা -পাতি তেওঁলোকে কিবা অসুবিধা মালিকৰ ফালৰ পৰা পাইছে নেকি বা অন্যান্য কিবা অসুবিধা পাইছে নেকি সেই সম্পৰ্কেও খোজ-খবৰ লয় । ট্ৰিবিউনেল খৰতকীয়াকৈ কেচ বিলাক ডি চপোজ কৰিব । ৰেণ্টত থকা টিনেন্ট সকলক আৰু ঘৰৰ মালিকক সা-সুবিধা দিবলৈকে এই সংশোধনী অনা হৈছে, গতিকেই আমি আশা ৰাখিছো এই কথা খিনি আপোনালোকৰ অৱগত হোৱাৰ পাছত এই এমেণ্ডমেন্ট বিলখন সদনত পাছ কৰি দিব ।

**Mr. Speaker** : I now put the resolution before the House for approval.

The Resolution is that- "That this House ratifies the amendment to the Constitution of India falling within the purview of Clause (b) of the proviso to Clause (2) of article 368 thereof, proposed to be made by the Constitution (Seventy-seventh Amendment) Bill, 1992, as passed by the House of Parliament. The Resolution is passed and

* Speech not corrected

adopted by the House. Now a get together have been arranged with cofee in the Assembly building. Now I request Hon'ble Chief Minister, Hon'ble Leader of the Opposition, Members of the Council of Ministers, Members of this August House, Members of the Press Galleries, Official Reporters and officials of the Officers galleries to please join us. I, therefore adjourne the House for 30 miniutes.

The House reassembled with Mr. Speaker in the Chair after refreshment).

